**প্ৰকাশৰ যোগ্য**

**ভাৰতবৰ্ষৰ সৰ্বোচ্চ ন্যায়ালয়**

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ**

**দেৱানী আপীল নং  ৮৪৪২ - ৮৪৪৩/২০১৬**

**মেচাৰ্চ শান্তি কণ্ডাক্টৰ্ছ (প্ৰাঃ) লিমিটেড আৰু অন্যান্য**

**-বনাম-**

**অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু অন্যান্য**

**লগতে**

**দেৱানী আপীল নং ৮৪৪৫ / ২০১৬**

**মেচাৰ্চ ট্ৰাচ্ছেছ এণ্ড টাৱাৰ্ছ**

**---(আপীলকাৰী)**

**-বনাম-**

**অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু অন্যান্য**

**---(প্ৰতিবাদী)**

**লগতে**

**দেৱানী আপীল নং ৮৪৪৮/২০১৬**

**অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু অন্যান্য**

**---(আপীলকাৰী)**

**-বনাম-**

**মেচাৰ্চ ট্ৰাচ্ছেছ এণ্ড টাৱাৰ্ছ (প্ৰাঃ) লিমিটেড**

**---(প্ৰতিবাদী)**

**লগতে**

**দেৱানী আপীল নং ৮৪৫০/২০১৬**

**মেচাৰ্চ ব্ৰহ্মপুত্ৰ কংক্ৰিট পাইপ ইণ্ডাষ্ট্ৰীজ**

**---(আপীলকাৰী)**

পৰৱৰ্তী পৃষ্ঠাত

**-বনাম-**

**অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ**

**---(প্ৰতিবাদী)**

**ৰায়**

**ন্যায়াধীশ অশোক ভূষণ**

নিম্ন আদালতে আপীলকাৰী সকলৰ পক্ষে মূল গোচৰৰ কাৰ্য্যাৱলীত প্ৰদান কৰা ৰায় আৰু ডিক্ৰীক খাৰিজ কৰি গৌহাটী উচ্চ ন্যায়ালয়ে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে দাখিল কৰা নিয়মিত প্ৰথম আপীল (RFA)ক মঞ্জুৰ কৰি প্ৰদান কৰা ৰায়ক প্ৰত্যাহ্বান জনাই আপীলকাৰীসকলে এই আপীলসমূহ দাখিল কৰিছে। এই আপীলসমূহত জড়িত হৈ থকা আইনৰ সাধাৰণ প্ৰশ্নবোৰ নিৰ্ধাৰণৰ বাবে ২০১৬ চনৰ দেৱানী গোচৰ (চি.এ.) নং ৮৪৪২-৮৪৪৩ ৰ আৰ্জি সমূহ নিৰীক্ষণ কৰিলেই যথেষ্ট। অন্যান্য আপীলসমূহত থকা তথ্য আৰু আৰ্জিসমূহ সংক্ষিপ্তভাৱে নিৰীক্ষণ কৰা হ'ব।

দেৱানী আপীল নং ৮৪৪২-৮৪৪৩/২০১৬

মেচাৰ্চ শান্তি কণ্ডাক্টৰ্চ্ছ (প্ৰাঃ) লিমিটেড আৰু অন্যান্য

-বনাম-

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু অন্যান্য

২. আপীলকাৰী হৈছে অসমৰ কোকৰাঝাৰত অৱস্থিত এটা প্ৰাইভেট লিমিটেড কোম্পানী, যিটো বৈদ্যুতিক পৰিবাহী আৰু তাঁৰ উৎপাদন কৰা ক্ষুদ্ৰ ঔদ্যোগিক গোট হিচাপে পঞ্জীভুক্ত। ৩১-০৩-১৯৯২ তাৰিখে এই গোচৰৰ প্ৰতিবাদী অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে সৰ্বমুঠ ১.২২ কোটি টকা মূল্যৰ এলুমিনিয়ামৰ বৈদ্যুতিক পৰিবাহী যোগানৰ বাবে আপীলকাৰী মেচাৰ্চ শান্তি কণ্ডাক্টৰ্চ্ছ প্ৰাইভেট লিমিটেডক ফৰমাইচ দিয়ে। সমূহ যোগান ১৯৯২ চনৰ জুন মাহৰ পৰা ডিচেম্বৰ মাহৰ ভিতৰত দিবলৈ কোৱা হৈছিল। ১৩-০৫-১৯৯২ তাৰিখে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে মেচাৰ্চ শান্তি কণ্ডাক্টৰ্চ্ছক মুঠ ৩২.৪৯ লাখ টকাৰ বিভিন্ন পৰিবাহীৰ অন্য এক ফৰমাইচ দিয়ে। এই ফৰমাইচৰ সমূহ যোগান ১৯৯৩ চনৰ জানুৱাৰীৰ পৰা ফেব্ৰুৱাৰি মাহৰ ভিতৰত দিবলৈ কোৱা হৈছিল। ২৩-০৯-১৯৯২ তাৰখে ভাৰতবৰ্ষৰ মহামান্য ৰাষ্ট্ৰপতি মহোদয়ে Interest on Delayed Payment to Small Scale and Ancillary Industrial Undertakings Ordinance, 1992 শীৰ্ষক অধ্যাদেশ জাৰি কৰে। পৰৱৰ্তী পৰ্যায়ত অৰ্থাৎ ০২-০৪-১৯৯৩ তাৰিখে Interest on

পৰৱৰ্তী পৃষ্ঠাত

Delayed Payment to Small Scale and Ancillary Industrial Undertakings Act, 1993 (চমুকৈ 'আইন') আইনৰূপে গৃহীত হয় আৰু উক্ত আইন ২৩-০৯-১৯৯২ ৰ পৰা কাৰ্য্যকৰীভাৱে বলৱৎ হোৱা বুলি গণ্য কৰা হয়। ইতিমধ্যে, মেচাৰ্চ শান্তি কণ্ডাক্টৰ্ছে ওপৰোক্ত ক্ৰয় ফৰমাইচ (Purchase Order) অনুসৰি সৰঞ্জাম সমূহৰ যোগান ০৪-১০-১৯৯৩ তাৰিখে সম্পূৰ্ণ কৰে। ০৫-০৩-১৯৯৪ তাৰিখে মেচাৰ্চ শান্তি কণ্ডাক্টৰ্ছে ওপৰোক্ত ক্ৰয় ফৰমাইচৰ সামগ্ৰী যোগান ধৰাৰ বাবদ সমূদায় ধন অৰ্থাৎ ২.১৫ কোটি টকা আদায় লাভ কৰে।

৩. ধন প্ৰাপ্তিত বিলম্ব হোৱা বাবে বিলম্বিতভাৱে পৰিশোধিত ধনৰ ওপৰত ৫৩.৬৮ লাখ টকাৰ সুদ দাবী কৰি মেচাৰ্চ শান্তি কণ্ডাক্টৰ্ছে ১০-০১-১৯৯৭ তাৰিখে এক গোচৰ তৰে। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে (ইয়াৰ পিছত চমুকৈ 'পৰিষদ' বুলি উল্লেখ কৰা হ'ব) লিখিত জবাব দাখিল কৰি কয় যে আপীলকাৰীৰ আৰ্জি তামাদি দোষেৰে দোষযুক্ত আৰু এইবুলি প্ৰত্যাহ্বান জনাই যে 'আইন'খন ১৯৯৩ চনত কাৰ্য্যকৰীভাৱে বলৱৎ হোৱাৰ পূৰ্বেই ঠিকা (Contract) ৰ কাম সম্পূৰ্ণ হোৱাৰ হেতুকে আপীলকাৰীয়ে দাখিল কৰা গোচৰত এই 'আইন' প্ৰযোজ্য নহয়। ০২-০২-২০০০ তাৰিখে নিম্ন আদালতে উক্ত গোচৰ সন্দৰ্ভত ডিক্ৰী প্ৰদান কৰি বছৰি ২৩.৭৫ চক্ৰবৃদ্ধি নিৰিখত মুঠ ৫১,৬০,৫০৭.৪২ টকা পুনঃ আদায়ৰ বাবে নিৰ্দেশ প্ৰদান কৰে। পৰিষদে গৌহাটী উচ্চ ন্যায়ালয়ত নিয়মিত প্ৰথম আপীল নং ৬৬/২০০০ দাখিল কৰে। নিয়মিত প্ৰথম আপীলৰ শুনানি গ্ৰহণ কৰি গৌহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে মতামত দিয়ে যে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় বিবেচনাৰ বাবে উদ্ভৱ হৈছে আৰু সেয়েহে গোচৰটো পূৰ্ণ বিচাৰপীঠৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰে। পূৰ্ণ বিচাৰপীঠে নিম্নোক্ত আইনী প্ৰসমূহৰ অৱতাৰণা কৰেঃ-

> "(ক) কেৱল মাত্ৰ সুদ পুনৰুদ্ধাৰৰ বাবে Interest on Delayed Payment to Small Scale and Ancillary Industrial Undertakings Act, 1993 অধীনত তৰা গোচৰটো বাহালযোগ্য হ'বনে?
>
> (খ) Interest on Delayed Payment to Small Scale and Ancillary Industrial Undertakings Act, 1993 কাৰ্য্যকৰীভাৱে ২৩-০৯-১৯৯২ তাৰিখে বলৱৎ হোৱাৰ পূৰ্বেই যিহেতু দুয়োটা পক্ষৰ মাজত সামগ্ৰী যোগানৰ বাবে চুক্তি হৈছিল, সেয়েহে উক্ত 'আইন'ৰ অধীনত সুদ পুনৰুদ্ধাৰৰ বাবে তৰা বৰ্তমানৰ গোচৰটো বাহালযোগ্য নহ'ব নেকি?

পৰৱৰ্তী পৃষ্ঠাত

(গ) Interest on Delayed Payment to Small Scale and Ancillary Industrial Undertakings Act, 1993 ৰ অধীনত সুদ পুনৰুদ্ধাৰৰ বাবে তৰা এই গোচৰটো বাহালযোগ্য নহ'ব নেকি, যদিহে সামগ্ৰী যোগান ধৰা যোগানদাতাই নিৰ্ধাৰিত সময় উকলি যোৱাৰ পিছত প্ৰাপ্য মূলধন গ্ৰহণ কৰাৰ সময়ত আপত্তি দৰ্শাই ওপৰোক্ত 'আইন'ৰ অধীনত সুদ পুনৰুদ্ধাৰৰ বাবে নিজকে দাবীদাৰ কৰা নাছিল?"

৪. ওপৰোক্ত প্ৰসংগত উচ্চ ন্যায়ালয়ৰ পূৰ্ণ বিচাৰপীঠে ০৫-০৩-২০০২ তাৰিখে প্ৰদান কৰা ৰায়ৰ জৰিয়তে মত পোষণ কৰে যে সুদ আদায়ৰ বাবে গোচৰ তৰিব পাৰি। উচ্চ ন্যায়ালয়ৰ পূৰ্ণ বিচাৰপীঠে এই বুলিও মত পোষণ কৰে যে ১৯৯৩ চনৰ ওপৰোক্ত 'আইন'খন ২৩-০৯-১৯৯২ চনৰ পূৰ্বে সম্পাদিত চুক্তিৰ (ঠিকা) ক্ষেত্ৰতো প্ৰযোজ্য। বিচাৰপীঠে এইবুলি মত পোষণ কৰে– 'আইন'ৰ অধীনত সুদৰ গণনা ২৩-০৯-১৯৯২ ৰ পৰা যোগানদাতাই ধন পৰিশোধ কৰাৰ দিন পৰ্য্যন্ত কৰা হ'ব। পূৰ্ণ বিচাৰপীঠে ০৫-০৩-২০০২ তাৰিখে প্ৰদান কৰা ৰায়ক প্ৰত্যাহ্বান জনাই পৰিষদে এই ন্যায়ালয়ত দেৱানী গোচৰ নং ২৩৫১/২০০৩ দাখিল কৰে (অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু অন্যান্য বনাম শান্তি কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেড আৰু অন্যান্য)। পৰিষদে কৰা আপীলৰ শুনানি অইন এটা গোচৰ অৰ্থাৎ দেৱানী গোচৰ নং ২৩৪৮/২০০৩ (পূৰ্বাঞ্চল কেবল্ছ এণ্ড কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেড বনাম অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু অন্যান্য)ৰ শুনানিৰ লগত একেলগে গ্ৰহণ কৰা হয়। এই ন্যায়ালয়ৰ দুজনীয়া খণ্ড বিচাৰপীঠে দুয়োটা আপীলৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰি ১০-০৭-২০১২ তাৰিখে এক উমৈহতীয়া ৰায় প্ৰদান কৰে, যিটো (২০১২) ৭ এছ.চি.চি. ৪৬২ (7 SCC 462) ত প্ৰকাশিত (পূৰ্বাঞ্চল কেবল্ছ এণ্ড কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেড বনাম অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু অন্যান্য)। এই ন্যায়ালয়ৰ পূৰ্বৰ ৰায়ৰ ওপৰত ভিত্তি কৰি দুজনীয়া খণ্ড বিচাৰপীঠে মত পোষণ কৰে যে কেৱল মাত্ৰ সুদ পুনৰুদ্ধাৰৰ বাবে তৰা গোচৰ ১৯৯৩ চনৰ আইন অনুসৰি বাহালযোগ্য। এই খণ্ড বিচাৰপীঠে এই বুলি মত পোষণ কৰে যে ১৯৯৩ৰ এই আইনখন পূৰ্বকালীন (Retrospective) ভাৱে প্ৰযোজ্য নহ'ব। খণ্ড বিচাৰপীঠে এই বুলিও মত পোষণ কৰে যে এই আইন অনুসৰি আইনখন বলৱৎ হোৱাৰ তাৰিখ অৰ্থাৎ ২৩-০৯-১৯৯২ৰ পিছত সম্পাদিত হোৱা বিক্ৰয় চুক্তিৰ ক্ষেত্ৰত যোগানদাতাই উচ্চহাৰত সুদ দাবী কৰাৰ ন্যায্য অধিকাৰ আছে। এই ন্যায়ালয়ে ১০-

পৰৱৰ্তী পৃষ্ঠাত

০৭-২০১২ তাৰিখে ৰায় প্ৰদান কৰাৰ পিছত খণ্ড বিচাৰপীঠে ২০-১১-২০১২ তাৰিখে নিয়মিত প্ৰথম আপীল (RFA) নং ৬৬/২০০০ প্ৰসংগত ৰায় প্ৰদান কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা সংপৃষ্ট (Impugned) ৰায়ৰ দ্বাৰা পৰিষদৰ আপীলত অনুমোদন জনায়। পূৰ্বাঞ্চল কেবল্ছ এণ্ড কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেডৰ গোচৰ সম্পৰ্কত এই ন্যায়ালয়ে প্ৰদান কৰা ৰায়ক অনুসৰণ কৰি খণ্ড বিচাৰপীঠে মত পোষণ কৰে যে ১৯৯৩ চনৰ আইনখন বলৱৎ হোৱাৰ পূৰ্বে সম্পাদিত চুক্তি (ঠিকাৰ) ক্ষেত্ৰত আইন, ১৯৯৩ খন প্ৰযোজ্য নহ'ব। যিহেতু পক্ষসমূহৰ মাজত চুক্তি আইনখন বলৱৎ হোৱাৰ আগতেই হৈছিল, সেয়েহে নিম্ন আদালতে দিয়া ৰায় আৰু ডিক্ৰী খাৰিজ কৰি পৰিষদে দাখিল কৰা আপীল গ্ৰহণ কৰা হয়। খণ্ড বিচাৰপীঠে ২০-১২-২০১২ তাৰিখে প্ৰদান কৰা এক আদেশৰ জৰিয়তে ৩৮,০৩,৩৮১ টকা ঘূৰাই দিবলৈ কয়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে ২০-১১-২০১২ আৰু ২০-১২-২০১২ তাৰিখে প্ৰদান কৰা দুয়োটা ৰায়তে অসন্তুষ্ট হৈ আপীলকাৰীসকলে দেৱানী গোচৰ নং ৮৪৪২-৮৪৪৩/২০১৬ দাখিল কৰে।

<u>দেৱানী গোচৰ নং ৮৪৪৫/২০১৬ (মেচাৰ্চ ট্ৰাষ্টেছ এণ্ড টাৱাৰ্ছ প্ৰাইভেট লিমিটেড বনাম অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু অন্যান্য)</u>

৫. চিমেন্টৰ খুটা [Pre-stressed Cement Concrete (PCC) Poles] যোগান ধৰাৰ বাবে পৰিষদে আপীলকাৰীক ১৭-০২-১৯৯২ আৰু ১৭-০৩-১৯৯২ তাৰিখে দুটা ফৰমাইচ দিয়ে। ১০-০৬-১৯৯২ তাৰিখে দুয়োটা পক্ষ লিখিতভাৱে চুক্তিবদ্ধ হয়। ৩০-০৩-১৯৯২ চনৰ পৰা ৩০-০৯-১৯৯২ তাৰিখলৈকে সময়ছোৱাত আপীলকাৰীয়ে পৰিষদক খুটাসমূহ যোগান ধৰে। ২৩-০৪-১৯৯৩ৰ ০৮-১০-১৯৯৩ তাৰিখলৈকে সময়ছোৱাত ধন পৰিশোধ কৰা হয়। ধন পৰিশোধত বিলম্ব হোৱা বাবে ১৯৯৩ চনৰ আইন অনুসৰি বিলম্বিতভাৱে পৰিশোধ কৰা ধনৰ ওপৰত ১৬,৫৫,৬২৩ টকাৰ সুদ প্ৰাপ্তিৰ বাবে ডিক্ৰী বিচাৰি আপীলকাৰীয়ে পৰিষদৰ বিৰুদ্ধে ১৬-০৫-১৯৯৪ তাৰিখে গোচৰ তৰে। নিম্ন আদালতে ১৫-০৬-১৯৯৫ তাৰিখে প্ৰদান কৰা ৰায়ৰ জৰিয়তে গোচৰটো সন্দৰ্ভত হুকুম জাৰি কৰে। পৰিষদে নিম্ন আদালতৰ ৰায়ক প্ৰত্যাহ্বান জনাই নিয়মিত প্ৰথম আপীল (RFA) দাখিল কৰে। ০৫-০৪-২০০১ তাৰিখে উচ্চ ন্যায়ালয়ে পৰিষদে দাখিল কৰা নিয়মিত প্ৰথম আপীল (RFA)ত অনুমোদন জনায়। উচ্চ ন্যায়ালয়ে মত পোষণ কৰে যে আপীলকাৰীয়ে দিয়া সকলো বিল (Bill) পৰিষদে আইন, ১৯৯৩ বলৱৎ হোৱাৰ পূৰ্বেই পৰিশোধ কৰিছে। ইয়াৰোপৰি, আপীলকাৰীয়ে

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

মূলধন প্ৰাপ্তিৰ পিছত সুদ বিচাৰি গোচৰ তৰিব নোৱাৰে। এনে কোনো কথা লিপিবদ্ধ নাই যে আপীলকাৰীয়ে পৰিশোধ কৰা ধন প্ৰাপ্তিৰ সময়ত আপত্তি দৰ্শাইছিল। উচ্চ ন্যায়ালয়ৰ ০৫-০৪-২০০১ তাৰিখৰ ৰায়ৰ বিপক্ষে আপীলকাৰীয়ে SLP(C) No. 12217/2001 দাখিল কৰে। নিম্নোক্ত আদেশৰ জৰিয়তে যিখন SLP দাখিল কৰা হৈছিল, সেইখন উঠাই ল'বলৈ এই ন্যায়ালয়ে অনুমতি প্ৰদান কৰেঃ-

> "আপীলকাৰীৰ অধিবক্তাই বিশেষ অনুমতিৰ বাবে কৰা আৱেদন (SLP) খন উঠাই ল'বলৈ অনুমতি বিচাৰে। তেখেতে উপস্থাপন কৰে যে তেখেতে উচ্চ ন্যায়ালয়ত পুনৰীক্ষণৰ বাবে আৱেদন জনাব যিহেতু উচ্চ ন্যায়ালয়ে ভুলক্ৰমে লিপিবদ্ধ কৰে যে আইনখন বলৱৎ হোৱাৰ পূৰ্বেই সকলো বিলৰ ধন পৰিশোধ কৰা হৈছিল, সেইমতে বিশেষ অনুমতিৰ বাবে কৰা আৱেদনখন উঠাই লোৱা বুলি খাৰিজ কৰা হয়।"

৬. আপীলকাৰীয়ে পুনৰীক্ষণ আৱেদন নং ৭৫/২০০১ দাখিল কৰে। উচ্চ ন্যায়ালয়ে ১৯-০৭-২০১৩ তাৰিখে পুনৰীক্ষণৰ আৱেদনখনক আংশিকভাৱে অনুমোদন জনাই এইবুলি আদেশ দিয়ে যে আপীলকাৰী ধন পৰিশোধত বিলম্ব হোৱা সময়ছোৱাৰ বাবে বছৰি ৯ শতাংশ হাৰত সুদ প্ৰাপ্তিৰ বাবে যোগ্য।

উক্ত ৰায়ত অসন্তুষ্ট হৈ আপীলকাৰীয়ে দেৱানী গোচৰ নং ৮৪৪৫/২০১৬ দাখিল কৰে।

<u>দেৱানী আপীল নং ৮৪৪৮/২০১৬ (অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু অন্যান্য বনাম ট্ৰাছেছ এণ্ড টাৱাৰ্ছ প্ৰাইভেট লিমিটেড)</u>

৭. ওপৰোক্ত আপীলখন মেচাৰ্চ ট্ৰাছেছ এণ্ড টাৱাৰ্ছ প্ৰাইভেট লিমিটেডে দাখিল কৰা পুনৰীক্ষণ আৱেদন নং ৭৫/২০০১ ৰ সন্দৰ্ভত জাৰি হোৱা হুকুমৰ বিৰুদ্ধে পৰিষদে দাখিল কৰে যিটো হুকুমত উচ্চ ন্যায়ালয়ে পুনৰীক্ষণৰ আৱেদনখনক আংশিকভাৱে অনুমোদন জনাই এইবুলি ৰায় দিয়ে যে আপীলকাৰী পূৰ্বে উল্লেখ কৰাৰ দৰে বছৰি ৯ শতাংশ হাৰত সুদ প্ৰাপ্তিৰ বাবে যোগ্য। পৰিষদে বছৰি ৯ শতাংশ হাৰত সুদ প্ৰদানত অসন্তুষ্ট হৈ এই আপীল দাখিল কৰে।

<u>দেৱানী আপীল নং ৮৪৫০/২০১৬ (মেচাৰ্চ ব্ৰহ্মপুত্ৰ কংক্ৰিট পাইপ ইণ্ডাষ্ট্ৰীজ বনাম অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ)</u>

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

৮. পৰিষদে চিমেন্টৰ খুটা (Pre-stressed Cement Concrete Poles) যোগান ধৰাৰ বাবে আপীলকাৰীক ১৭-০২-১৯৯২ আৰু ১৭-০৩-১৯৯২ তাৰিখে দুটা যোগান ফৰমাইচ দিয়ে। ২৩,০৪,৫৮৫.৯০ টকা পৰিশোধ কৰাৰ পৰা পৰিষদ বিৰত থাকে। অৱশ্যে, ২৩-০৪-১৯৯৩ ৰ পৰা মূলধন পৰিশোধ কৰিবলৈ আৰম্ভ কৰা হয় আৰু ১৮-১২-১৯৯৩ পৰ্য্যন্ত সম্পূৰ্ণ মূলধন পৰিশোধ কৰা হয়। আপীলকাৰীয়ে ১০,০৩,৪৬৬.২৩ টকা সুদসহ পুনৰুদ্ধাৰৰ বাবে অৰ্থবিষয়ক গোচৰ (Money Suit) নং ৩২/১৯৯৬ দাখিল কৰে। দেৱানী ন্যায়াধীশে অৰ্থ বিষয়ক গোচৰ নং ৩২/১৯৯৬ সন্দৰ্ভত ৩০-০৯-২০০২ তাৰিখে ডিক্ৰী জাৰি কৰি সুদ আৰু খৰচৰ বাবদ ৫,৪৬,২৩৩.১৪ টকা আদায় দিবলৈ হুকুম দিয়ে। পৰিষদে নিম্ন আদালতৰ ৰায়ৰ বিৰুদ্ধে নিয়মিত প্ৰথম আপীল (RFA) নং ৭৮/২০০৩ দাখিল কৰে। উচ্চ ন্যায়ালয়ে ১২-০২-২০০৫ ত প্ৰদান কৰা ৰায়ৰ জৰিয়তে পৰিষদে দাখিল কৰা আপীলত অনুমোদন জনায় আৰু আপীলকাৰীয়ে তৰা গোচৰ খাৰিজ কৰে। উচ্চ ন্যায়ালয়ে **পূৰ্বাঞ্চল কেবল্ছ এণ্ড কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেড**ৰ গোচৰৰ ওপৰত ভিত্তি কৰি মত পোষণ কৰে যে ২৩-০৯-১৯৯২ৰ পূৰ্বে হোৱা লেনদেনৰ ক্ষেত্ৰত আইন, ১৯৯৩ প্ৰযোজ্য নহয়। ১২-০২-২০০৫ৰ ৰায়ৰ বিৰুদ্ধে দেৱানী আপীল নং ৮৪৪৪/২০১৬ দাখিল কৰা হয়।

৯. জ্যেষ্ঠ অধিবক্তা ক্ৰমে শ্ৰী অজিত কুমাৰ সিনহা, শ্ৰী বাসৱ প্ৰভু এছ. পাটিল আৰু শ্ৰী নৱনীতি প্ৰসাদ সিঙে আপীলকাৰীৰ হৈ দাঙি ধৰা যুক্তি আমি শুনিলোঁ। অধিবক্তা শ্ৰী বিজয় হানসাৰিয়াই অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ হৈ যুক্তি প্ৰদৰ্শন কৰে।

১০. ন্যায়াধীশ ভি. গোপাল গৌড়া আৰু ন্যায়াধীশ অৰুণ মিশ্ৰৰ দ্বাৰা গঠিত এই ন্যায়ালয়ৰ দুজনীয়া খণ্ড বিচাৰপীঠে এই সকলোবোৰ আপীলৰ শুনানি গ্ৰহণ কৰে। ৩১-০৮-২০১৬ তাৰিখে খণ্ড বিচাৰপীঠখনৰ দুয়োজন সন্মানীয় ন্যায়াধীশে ভিন্ন মত পোষণ কৰে। ৰায়ৰ ২৮নং পৰিচ্ছেদত নিম্নোক্ত আইনী প্ৰশ্নসমূহ পৰিলক্ষিত হয়ঃ-

> "(ক) আইনখনৰ বিধানসমূহ পূৰ্বকালীনভাৱে (retroactive) প্ৰভাৱী হোৱাৰ বৈশিষ্ট্যযুক্ত নে?
>
> (খ) এই সন্দৰ্ভত ওপৰোক্ত বৈশিষ্ট্যটো বিবেচনা নকৰিলে মডাৰ্ণ ইণ্ডাষ্ট্ৰীজ (পূৰ্বে উল্লিখিত) আৰু পূৰ্বাঞ্চল কেবল্ছ এণ্ড কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেড (পূৰ্বে উল্লিখিত)

পৰৱৰ্তী পৃষ্ঠাত

প্ৰসংগত এই ন্যায়ালয়ে লোৱা সিদ্ধান্তসমূহক অপ্ৰকাশ্যভাৱে অন্তৰ্নিহিত (sub-silentio) কৰিব নেকি?

(গ) পূৰ্বাঞ্চল কেবল্ছ এণ্ড কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেড (পূৰ্বে উল্লিখিত) সন্দৰ্ভত প্ৰদান কৰা ৰায়টো বৰ্তমানৰ গোচৰটোৰ ক্ষেত্ৰত পূৰ্বে নিষ্পত্তি হোৱা (res judicata) বিষয় হিচাপে গণ্য হব'নে?

(ঘ) আপীলকাৰীসকলে দাখিল কৰা গোচৰটো তামাদি দোষে দোষিত নেকি?

(ঙ) দেৱানী আপীল @ SLP(C) No. 15274/2013 (মেচাৰ্চ ট্ৰাছেছ এণ্ড টাৱাৰ্ছ প্ৰাইভেট লিমিটেড)ৰ সংলগ্ন বিষয় সম্পৰ্কত কৰা পুনৰীক্ষণৰ আৱেদনৰ বিৰুদ্ধে আপীল গ্ৰহণযোগ্য হ'বনে?

(চ) কি আদেশ?"

১১. ন্যায়াধীশ গৌড়াই আইন, ১৯৯৩ৰ ধাৰা ৩, ৪ আৰু ৫ সন্দৰ্ভত নিম্নোক্ত মতামত ব্যক্ত কৰেঃ-

"৪৪. অনিয়মিত আৰু বিলম্বিত ধন পৰিশোধৰ বাবে অসুবিধাৰ সন্মুখীন হোৱা ক্ষুদ্ৰ তথা সহায়ক উদ্যোগ সমূহক সকাহ আৰু উন্নণি দিয়াৰ উদ্দেশ্যেৰে এই আইন বলৱৎ কৰা হৈছিল। আইনখনৰ ব্যক্ত উদ্দেশ্য আৰু বিষয়বস্তু, যিথিনিৰ প্ৰাসংগিক অংশ পূৰ্বেই উল্লেখ কৰা হৈছে, সযত্ন অধ্যয়নে এটা কথা স্পষ্ট কৰি দিয়ে যে ক্ষুদ্ৰ উদ্যোগসমূহ পৰ্য্যাপ্ত মূলধনৰ অভাৱত অসুবিধাৰ সন্মুখীন হৈছিল, যিটোৱে এই উদ্যোগসমূহৰ অৰ্থনৈতিক স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলাইছিল। এইটো অনুভৱ কৰা হৈছিল যে অনাদায় ধনৰ ক্ষিপ্ৰ পৰিশোধ সময়ৰ দাবী আছিল। এই প্ৰসংগত আইনখৰ ধাৰা ৩, ৪ আৰু ৫ৰ বিধানসমূহে তাৎপৰ্য্য বহন কৰে। এই তাৎপৰ্য্য আৰু অধিক গুৰুত্বপূৰ্ণ এই কাৰণেই হৈ পৰিছে কিয়নো বিধানমণ্ডলে আইনখনৰ ধাৰা '২'ৰ সংজ্ঞাৰ দফাত 'লেনদেন' (Transaction) আৰু 'যোগান ফৰমাইচ' (Supply Order) শব্দ দুটাৰ সংজ্ঞা দিয়া নাই। ইয়াত মাত্ৰ 'Inter Alia' (আন কথাৰ ভিতৰত), 'Appointed Day' (নিৰ্ধাৰিত দিন), 'Buyer' (ক্ৰেতা) আৰু 'Supplier' (যোগানদাতা) শব্দকেইটাৰহে সংজ্ঞা দিয়া হৈছে। যিহেতু আইনখনৰ মূল বিষয়

পৰৱৰ্তী পৃষ্ঠাত

হৈছে ধন পৰিশোধত হোৱা বিলম্ব আৰু বিষয়টোৰ যিহেতু ‘নিৰ্ধাৰিত দিন’ (Appointed Day) ৰ সংজ্ঞাৰ লগত সংগতি আছে, সেয়েহে ‘লেনদেন’ (Transaction) কেতিয়া কৰা হৈছিল বা ‘যোগান ফৰমাইচ’ (Supply Order) ৰ তাৰিখ কিমান আছিল, সেইটো বিচাৰ কৰাৰ প্ৰয়োজন নাই। আইনখনৰ ধাৰা ৩ য়ে এই কথা স্পষ্ট কৰি দিছে যে যোগানদাতাই ক্ৰেতাক সামগ্ৰী যোগান ধৰাৰ পিছত বা কোনো সেৱা প্ৰদান কৰাৰ পিছত, ক্ৰেতাৰ মূল্য পৰিশোধ কৰাৰ দায়বদ্ধতা বৃদ্ধি পায়। অৰ্থাৎ বিধানমণ্ডলীয়ে তেনে ধন পৰিশোধক বিলম্বিত পৰিশোধ (Delayed Payment) ৰূপে বিবেচনা কৰিছিল, য’ত যোগানদাতাই ক্ৰেতাক সামগ্ৰী যোগান ধৰাৰ পিছত আৰু উভয় পক্ষৰ বুজাবুজি মৰ্মে মানি লোৱা বা সন্মত হোৱা তাৰিখৰ পিছত যোগানদাতাই প্ৰাপ্যধন আদায় পায়। উক্ত ধাৰাটো সাধাৰণভাৱে পঢ়িলেই এটা কথা স্পষ্ট হৈ পৰে যে বিধানমণ্ডলীৰ বিবেচনাত উভয় পক্ষ চুক্তিবদ্ধ হোৱাৰ তাৰিখ অথবা সামগ্ৰী যোগান ধৰাৰ তাৰিখ একেবাৰেই নাছিল। সেয়েহে, ধাৰা ৩ৰ সাধাৰণ অধ্যয়নৰ পৰা এই কথা ভালদৰে স্পষ্ট হৈ পৰে যে আইনখনৰ দৃষ্টিভংগীৰে উভয়পক্ষ কেতিয়া চুক্তিবদ্ধ হৈছিল সেইটো কথাই গুৰুত্ব বহন নকৰে, যদিহে সামগ্ৰীসমূহৰ যোগান আইনখন বলৱৎ হোৱাৰ পিছত অৰ্থাৎ ২৩-০৯-১৯৯২ ৰ পিছত হয়। আৰু ঠিক একেটা অৰ্থতেই আইনখন পূৰ্বকালীনভাৱে প্ৰযোজ্য নোহোৱাৰ ওপৰত প্ৰশ্ন উত্থাপিত নহয়। আইনখনৰ ধাৰা ৪ত Non obstante clauseৰ ব্যৱহাৰে ওপৰোক্ত মতটোকে সমৰ্থন কৰে।

৪৫. পুনৰাবৃত্তি সত্ত্বেও আইনখনৰ ৪নং ধাৰাটো তলত তুলি দিয়া হ’লঃ-

৪. <u>কোন দিনাংকৰ পৰা আৰু কি হাৰত সুদ প্ৰদানযোগ্যঃ</u> যিক্ষেত্ৰত কোনো ক্ৰেতাই যোগানদাতাক ধন পৰিশোধ কৰাত অসমৰ্থ হয়, যিটো ধাৰা ‘৩’ মতে দৰকাৰী, ক্ৰেতা আৰু যোগানদাতাৰ মাজৰ কোনো চুক্তিত অথবা সেইসময়ত বলৱৎ হৈ থকা যিকোনো আইনত যিয়েই উল্লেখ কৰা নাথাকক কিয়, পৰিশোধ নকৰা ধনৰ ওপৰত নিৰ্ধাৰিত দিন (Appointed Day) ৰ পৰা অথবা পৰিস্থিতি

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

সাপেক্ষে উভয়পক্ষ সন্মত হোৱা দিনাংকৰ ঠিক পৰৱৰ্তী দিনাংকৰ পৰা ভাৰতীয় ষ্টেট বেংকে (State Bank of India) প্ৰদান কৰা প্ৰধান ঋণৰ হাৰ (Prime Lending Rate) ৰ ১.৫ গুণ হাৰত সুদ দিবলৈ ক্ৰেতা দায়বদ্ধ।

(গুৰুত্ব প্ৰদান কৰা হ'ল)

'চুক্তি' শব্দটোৰ আগত non–obstante clause ৰ ব্যৱহাৰে এই কথা স্পষ্ট কৰি দিয়ে যে সামগ্ৰী যোগান আৰু সেৱা প্ৰদানৰ পিছত যেতিয়া ধন পৰিশোধৰ সময় হয়, তেতিয়া বিলম্বিতভাৱে পৰিশোধ কৰা ধনৰ ওপৰত যোগানদাতাক বিধিসন্মত সুদ দিবলৈ ক্ৰেতা দায়বদ্ধ হৈ পৰে, ক্ৰেতা আৰু যোগানদাতাৰ মাজত হোৱা 'চুক্তি'ত যিয়েই নাথাকক কিয়।

৪৬. ইয়াৰোপৰি, পূৰ্বকালীনভাৱে আইনখন প্ৰযোজ্য হোৱাৰ বিষয়টোৰ ক্ষেত্ৰত এই ন্যায়ালয়ে উল্লিখিত গোচৰসমূহৰ সন্দৰ্ভত বিচাৰ কৰিবলগীয়া কথাটো হ'ল আইনখনৰ ধাৰা '৩', '৪', '৫' আৰু '৬' ত সন্নিবিষ্ট প্ৰাসংগিক বিধিসন্মত বিধানসমূহৰ অধ্যয়নে কিবা বিধিসন্মত অধিকাৰ প্ৰদানৰ কথা কয় নেকি? মই আগতেই মত পোষণ কৰিছো যে আইনখনৰ ওপৰোক্ত বিধানসমূহ পূৰ্বকালীনভাৱে প্ৰযোজ্য হোৱাৰ বৈশিষ্ট্যযুক্ত আৰু সেয়ে, পূৰ্বাঞ্চল কেবল্ছ এণ্ড কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেড (পূৰ্বে উল্লিখিত) আৰু অন্যান্য সংলগ্ন গোচৰত এই বিষয়টো বিবেচনা নকৰা কথাটোৱে উক্ত ৰায়টোক এইটো প্ৰশ্নত অপ্ৰকাশ্যভাৱে অন্তৰ্নিহিত (sub silentio) ৰায়ত পৰিগণিত কৰে। সেয়েহে বিদ্যুৎ পৰিষদৰ অধিবক্তা শ্ৰীযুত বিজয় হানসাৰিয়াই এই প্ৰসংগত আগবঢ়োৱা যুক্তি গ্ৰহণ কৰিব পৰা নাযাব।"

১২. আকৌ এইটো লক্ষ্য কৰা হয় যে পূৰ্বাঞ্চল কেবল্ছ এণ্ড কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেডৰ গোচৰৰ ক্ষেত্ৰত এই ন্যায়ালয়ে এই গুৰুত্বপূৰ্ণ বিষয়টো বিবেচনা নকৰিলে যে আইনখনৰ বিধানসমূহ পূৰ্বকালীনভাৱে প্ৰযোজ্য আৰু প্ৰভাৱ সম্পন্ন হয় নে নহয়। বিষয় নং ১ আৰু বিষয় নং ২ৰ উত্তৰ আপীলকাৰীৰ পক্ষেই যায়। পৰিচ্ছেদ ৫৬ আৰু ৫৭ত আপীলসমূহক ন্যায়াধীশ গৌড়াই নিম্নোক্ত ধৰণে অনুমোদন জনায়ঃ-

পৰৱৰ্তী পৃষ্ঠাত

"৫৬. পূৰ্বে উল্লিখিত কাৰণসমূহৰ বাবে, এই আপীলসমূহত উপস্থাপন কৰা বিষয়সমূহৰ উত্তৰ মই ওপৰত বৰ্ণনা কৰাৰ নিচিনাকৈ আপীলকাৰীৰ পক্ষত দিওঁ। সেইমতে আপীলসমূহত অনুমোদন জনোৱা হয়। সকলো বিচৰাধীন আৱেদন নিষ্পত্তি কৰা হয়।

৫৭. SLP(C) Nos. 9924-9925/2013 ৰ পৰা উদ্ভৱ হোৱা দেৱানী আপীলসমূহৰ সন্দৰ্ভত, ১৭-০২-২০১৫ তাৰিখৰ ৰায়যোগে, আপীলকাৰী মেচাৰ্চ শান্তি কণ্ডাক্টৰ্ছক ৩৮,৭০,০০০ টকা প্ৰতিবাদীক ঘূৰাই দিবলৈ কোৱা হয়। প্ৰতিবাদীয়ে এই আদেশৰ প্ৰতিলিপি প্ৰাপ্তিৰ তাৰিখৰ পৰা ছয় (৬) সপ্তাহৰ ভিতৰত আপীলকাৰীক উক্ত ধনৰ লগত বছৰি ৯ হাৰত সুদ পৰিশোধ কৰিব।"

১৩. আনজন সন্মানীয় ন্যায়াধীশ শ্ৰীযুত অৰুণ মিশ্ৰই ন্যায়াধীশ গৌড়াৰ মতৰ লগত অসন্মত হয় আৰু ভিন্ন মত পোষণ কৰে। ন্যায়াধীশ গৌড়াৰ লগত অসন্মত হৈ তেওঁ পৰিচ্ছেদ ৭৭, ৭৮, ৭৯ আৰু ৮০ত নিম্নোক্ত ধৰণে মত পোষণ কৰেঃ-

"৭৭. এই ন্যায়ালয়ৰ পূৰ্বে উল্লিখিত সিদ্ধান্তসমূহৰ পৰিপ্ৰেক্ষিতত ১৯৯৩ চনৰ আইনখন পূৰ্বকালীনভাৱে প্ৰযোজ্য বা সক্ৰিয় বুলি ক'ব নোৱাৰি। উত্থাপিত প্ৰশ্নটোৰ সন্দেহাতীতভাৱে ইতিবাচক উত্তৰ আছে আৰু সিদ্ধান্তসমূহ সমকক্ষ বিচাৰপীঠত বাধ্যতামূলকভাৱে প্ৰযোজ্য। যি কাৰণতেই নহওঁক কিয়, এইটো ক'ব নোৱাৰি যে সিদ্ধান্তসমূহ অপ্ৰকাশ্যভাৱে অন্তৰ্নিহিত (sub silentio) অথবা অযত্নপালিত (per incuriam) আৰু মোৰ অভিমত অনুসৰি, সমকক্ষ বিচাৰপীঠ এখনে ইয়াৰ পৰা ফালৰি কাটি ভিন্ন মত পোষণ কৰিবলৈ মুক্ত নহয়। লেনদেন (transaction), যোগান ফৰমাইচ (supply order) আৰু চুক্তি (agreement) ৰ অৰ্থ সন্দৰ্ভত কোনো বিভ্ৰান্তি নাই। ওপৰোক্ত গোচৰসমূহ বিবেচনা কৰোতে এই ন্যায়ালয়ে সহায়ক আইনৰ উদ্দেশ্য আৰু বিষয়বস্তু পাহৰি যোৱা নাই আৰু সকলোখিনি বিবেচনা কৰিছে আৰু সকলোখিনি বিষয় পৃষ্ঠা ১০৪ত ইতিবাচকভাৱে উল্লেখ কৰিছে। সেয়েহে, মই বিভিন্ন ৰায়সমূহ অপ্ৰকাশ্যভাৱে অন্তৰ্নিহিত (sub

পৰৱৰ্তী পৃষ্ঠাত

silentio) অযত্নপালিত (per incuriam) অথবা শুদ্ধভাৱে প্ৰণয়ন কৰা হোৱা নাই বুলি ঘোষণা কৰাৰ কোনো অৱকাশ দেখা নাই।

৭৮. অন্যহাতে, যোগ্যতাৰ ভিত্তিটো, মোৰ অভিমত অনুসৰি, আইনখনৰ কাৰ্য্যপ্ৰণালী আৰু বিভিন্ন বিধানসমূহ বিবেচনা কৰি, এইটো কথা ক'ব নোৱাৰি যে আইনখন পূৰ্বকালীনভাৱে প্ৰযোজ্য, সক্ৰিয় অথবা পূৰ্বকালীনভাৱে কাৰ্য্যকৰী আৰু আইনখন বলৱৎ হোৱাৰ আগতে অৰ্থাৎ ২৩-০৯-১৯৯২ ৰ আগতে দিয়া যোগান ফৰমাইচৰ ক্ষেত্ৰত উচ্চ হাৰত সুদ প্ৰদানৰ বাবে আইনখনত থকা হিত বিধানসমূহ প্ৰযোজ্য নহ'ব।

৭৯. আপীলকাৰী মেচাৰ্চ শান্তি কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেডৰ গোচৰটো পূৰ্বাঞ্চল কেবল্ছ (পূৰ্বে উল্লিখিত)ৰ গোচৰৰ লগত একেলগে বিবেচনা কৰি ওপৰোক্ত তথ্যসমূহ এই ন্যায়ালয়ে লিপিবদ্ধ কৰিছিল আৰু গোচৰটো যোগ্যতাৰ ভিত্তিত নিৰূপণ কৰিবৰ বাবে উচ্চ ন্যায়ালয়লৈ পুনৰ প্ৰেৰণ কৰা হৈছিল, যিহেতু উক্ত গোচৰৰ পৰা উদ্ভৱ হোৱা এখন আৱেদন উচ্চ ন্যায়ালয়ত বিচৰাধীন হৈ আছিল আৰু উচ্চ ন্যায়ালয়ে পূৰ্বাঞ্চল কেবল্ছ এণ্ড কণ্ডাক্টৰ্ছ (পূৰ্বে উল্লিখিত)ৰ ক্ষেত্ৰত লোৱা সিদ্ধান্ত একেলগে বিচৰাধীন মেচাৰ্চ শান্তি কণ্ডাক্টৰ্ছৰ ক্ষেত্ৰত সঠিকভাৱে অনুসৰণ কৰিছিল। পুনৰ প্ৰেৰণ কৰা আদেশৰ সন্দৰ্ভত এই ন্যায়ালয়ে লিপিবদ্ধ কৰা তথ্য চূড়ান্ত আৰু আপীলকাৰী অৰ্থাৎ মেচাৰ্চ শান্তি কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেডৰ ওপৰত বাধ্যতামূলকভাৱে প্ৰযোজ্য। তেওঁলোকে বৰ্তমানৰ আপীলসমূহত উক্ত বিষয়ৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিব নোৱাৰিব। (পৃষ্ঠা ১০৫)

৮০. ওপৰোক্ত আলোচনাৰ পৰিপ্ৰেক্ষিতত এইটো দেখা যায় যে আপীলসমূহৰ কোনো যোগ্যতা (merit) নাই আৰু এই আপীলসমূহ খাৰিজ হোৱাৰ যোগ্য আৰু সেয়ে ইয়াৰ জৰিয়তে আপীলসমূহ খাৰিজ কৰা হ'ল। কোনো খৰচ নাই।"

১৪. খণ্ড বিচাৰপীঠৰ সন্মানীয় ন্যায়াধীশদ্বয়ে ভিন্ন মত পোষণ কৰাৰ পৰিপ্ৰেক্ষিতত বিষয়টো তিনিজনীয়া বিচাৰপীঠৰ সন্মুখত উপস্থাপন কৰা হয়।

পৰৱৰ্তী পৃষ্ঠাত

১৫. আপীলকাৰীৰ অধিবক্তা শ্ৰী অজিত কুমাৰ সিনহাই যুক্তি প্ৰদৰ্শন কৰোতে আপীলখনত অনুমোদন জনোৱা সন্মানীয় ন্যায়াধীশগৰাকীৰ মতামতক উল্লেখ আৰু ভিত্তি কৰিছে। তেখেতে এইবুলি যুক্তি দৰ্শাইছে যে ১৯৯৩ চনৰ আইনখন ক্ষুদ্ৰ উদ্যোগ সমূহক ৰক্ষণাবেক্ষণ দিয়াৰ উদ্দেশ্যেৰে এক হিতসাধনকাৰী আইনস্বৰূপে প্ৰণয়ন আৰু বলৱৎ কৰা হৈছিল। ১৯৯৩ চনৰ আইনখনে সামগ্ৰী যোগানৰ বিষয়টোত গুৰুত্ব কেন্দ্ৰীভূত কৰিছিল আৰু যোগান ধৰাৰ বাবে কৰা চুক্তিৰ তাৰিখৰ কোনো প্ৰাসংগিকতা নাছিল। আইন, ১৯৯৩ বলৱৎ হোৱাৰ পিছত সম্পাদন হোৱা যোগান চুক্তিৰ যোগানদাতাৰ বাবে এই আইন প্ৰযোজ্য আৰু এই আইনে তেওঁলোকক ৰক্ষণাবেক্ষণ দিয়ে। অধিবক্তাজনে যুক্তি দৰ্শাইছে যে যদিওবা সামগ্ৰী যোগানৰ বাবে যোগান ফৰমাইচ ২৩-০৯-১৯৯২ ৰ পূৰ্বে দিয়া হৈছিল, কিছুসংখ্যক যোগান আইনখন বলৱৎ হোৱাৰ পিছত দিয়া হৈছিল। এইক্ষেত্ৰত আইনখনৰ বিধানসমূহ প্ৰযোজ্য আৰু আপীলকাৰী বিলম্বিত পৰিশোধৰ ওপৰত সুদ প্ৰাপ্তিৰ বাবে স্পষ্টভাৱে দাবীদাৰ। তেখেতে যুক্তি দৰ্শাইছে যে পূৰ্বাঞ্চল কেবল্‌ছ এণ্ড কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেডৰ সম্পৰ্কত প্ৰদান কৰা ৰায়টোত গ্ৰহণ কৰা বিপৰীত অভিমতে ১৯৯৩ চনৰ আইনখনত থকা বিধানসমূহৰ সঠিক ব্যাখ্যা প্ৰতিফলিত কৰা নাই। তেখেতে যুক্তি দৰ্শাইছে যে প্ৰাসংগিক বিষয়টো হৈছে যোগানদাতাৰ প্ৰাপ্য ধন আৰু যিক্ষেত্ৰত যোগানদাতাৰ প্ৰাপ্য ধন ১৯৯৩ চনৰ আইনখন বলৱৎ হোৱাৰ পিছত প্ৰাপ্তিৰ বাবে যোগ্য হয়, ক্ৰেতাৰ ওপৰত বিলম্বিত পৰিশোধৰ বাবে অনতিপলমে সুদ প্ৰদানৰ দায়বদ্ধতা বৃদ্ধি পায়।

১৬. এখন অধ্যাদেশৰ যোগেদি আইনখন বলৱৎ কৰা হয়। ১৯৯৩ চনৰ আইনখন বলৱৎ হোৱা দিনাংকৰ পূৰ্বৰ কোনো সময়সীমাত প্ৰাপ্য হোৱা ধনৰ ওপৰত আইনখন প্ৰযোজ্য নহয়, কিন্তু আইনখন বলৱৎ হোৱা দিনাংকৰ পৰৱৰ্তী সময়ছোৱাত প্ৰাপ্য হোৱা ধনৰ ওপৰত প্ৰযোজ্য। আইন, ১৯৯৩ পৰৱৰ্তীকালীন (prospective) ভাৱে প্ৰযোজ্য আৰু আপীলকাৰীৰ এইটো দাবী নহয় যে আইনখন পূৰ্বকালীন (retrospective) ভাৱে প্ৰযোজ্য আৰু সক্ৰিয়।

১৭. শ্ৰীনৱনীতি প্ৰসাদ সিঙে যুক্তি প্ৰদৰ্শন কৰিছে যে ১৯৯৩ চনত আইন প্ৰণয়ন কৰা হৈছিল যাতে ক্ৰেতাই শীঘ্ৰে ধন পৰিশোধ কৰে আৰু ঋণ পৰিশোধৰ ব্যৰ্থতাৰ ক্ষেত্ৰত, পৰিশোধ কৰিবলৈ বাকী থকা ধনৰাশিৰ ওপৰত সুদ পৰিশোধ বিধিসন্মতভাৱে বাধ্যতামূলক কৰাটো নিশ্চিত হয়। তেখেতে যুক্তি প্ৰদৰ্শন কৰিছে যে বাণিজ্যিক লেনদেনৰ ক্ষেত্ৰতো সুদৰ পৰিশোধৰ ধাৰণা ইতিমধ্যেই

পৰৱৰ্তী পৃষ্ঠাত

বিভিন্ন বিধিসন্মত বিধানৰ অন্তৰ্বিষ্ট হৈছে। ১৯৯৩ চনৰ এই আইনৰ জৰিয়তে ক্ৰেতাই যোগানদাতাক ধন পৰিশোধ কৰাত বিলম্ব কৰিলে তাৰ ওপৰত সুদ পৰিশোধ কৰাটো নিশ্চিত কৰা হৈছিল যাতে ক্ৰেতাই যোগানদাতাৰ প্ৰাপ্য ধন আবদ্ধ কৰি ৰাখিব নোৱাৰে আৰু ইয়াৰ বাহিৰে এই আইনত কোনো নতুন বিধিৰ সংযোজন কৰা হোৱা নাছিল।

১৮. জ্যেষ্ঠ অধিবক্তা শ্ৰী বিজয় হানছাৰিয়াই পৰিষদৰ হৈ যুক্তি প্ৰদৰ্শন কৰিছে যে এই আদালতৰ দুজনীয়া খণ্ড বিচাৰপীঠে পূৰ্বাঞ্চল কেবল্ছ এণ্ড কণ্ডাক্টৰ্ছ (প্ৰাইভেট) লিমিটেডৰ গোচৰৰ ক্ষেত্ৰত ১৯৯৩ চনৰ আইনৰ বিধানসমূহ শুদ্ধভাৱে ব্যাখ্যা কৰিছে। যদি যোগানৰ চুক্তি ১৯৯৩ চনৰ আইন প্ৰণয়নৰ পূৰ্বে বন্দোৱস্ত কৰা হৈছিল, তেনে ক্ষেত্ৰত এই আইন কোনোভাৱে প্ৰযোজ্য নহ'ব। তেখেতে যুক্তি প্ৰদৰ্শন কৰিছে যে শান্তি কণ্ডাক্টৰ্ছে দাখিল কৰা গোচৰ তামাদি দোষে দোষিত। আপীলকাৰীয়ে দাখিল কৰা গোচৰ অনুসৰি এই নিৰ্দিষ্ট ধনৰাশি ০৪.১১.১৯৯৩ তাৰিখে প্ৰাপ্য আছিল; গতিকে গোচৰ দাখিলৰ সময়সীমা ০৪.১১.১৯৯৩ তাৰিখৰ পৰা আৰম্ভ হ'ব আৰু এই তাৰিখৰ পৰা তিনি বছৰৰ ভিতৰত যদি গোচৰ দাখিল কৰা নহয়, তেনেহ'লে গোচৰটো তামাদি দোষে দোষিত হ'ব। তেখেতে আৰু যুক্তি প্ৰদৰ্শন কৰিছে যে ১৯৯৩ চনৰ আইনৰ সুবিধা আপীলকাৰীক প্ৰদান কৰিব নোৱাৰি। তেখেতে পুনৰ যুক্তি প্ৰদৰ্শন কৰি কৈছে যে 'পূৰ্বাঞ্চল কেবল্ছ এণ্ড কণ্ডাক্টৰ্ছ (প্ৰাইভেট) লিমিটেডৰ ক্ষেত্ৰত এই আদালতে প্ৰদান কৰা ৰায়ৰ দ্বাৰা আপীলকাৰী বাধ্য, যিহেতু ১০.০৭.২০১২ তাৰিখে প্ৰদান কৰা এই ৰায়ৰ জৰিয়তে পৰিষদে দাখিল কৰা গোচৰৰ আপীল, যিটো গোচৰত শান্তি কণ্ডাক্টৰ্ছ প্ৰতিবাদী পক্ষ আছিল, নিষ্পত্তি কৰা হৈছে। আপীলকাৰীগণ ১০.০৭.২০১২ তাৰিখে প্ৰদান কৰা ৰায়ৰ দ্বাৰা বাধ্য আৰু আপীলকাৰীয়ে এই ৰায়ৰ ওপৰত কোনো প্ৰশ্ন উত্থাপন কৰিব নোৱাৰে, যিহেতু এই ৰায় পক্ষগণৰ মাজত বাধ্যতামূলকভাৱে প্ৰযোজ্য।

১৯. তেখেতে পুনৰ যুক্তি প্ৰদৰ্শন কৰিছে যে যিহেতু ০৪.১০.১৯৯৩ তাৰিখৰ সময়সীমাৰ ভিতৰত আপীলকাৰীক মূল ধনৰাশি সম্পূৰ্ণভাৱে পৰিশোধ কৰা হৈছিল, গতিকে কেৱল সুদ প্ৰাপ্তিৰ বাবে দাখিল কৰা এই গোচৰ বাহালযোগ্য নহয়।

২০. শ্ৰী হানছাৰিয়াই যুক্তি উপস্থাপন কৰিছে যে অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেড আৰু অন্যান্য বনাম জে.ডি. ফাৰ্মাচিউটিকেল্ছ আৰু অন্যান্য (২০০৫) ১৩ এছ.চি.চি. (SCC) ১৯, শক্তি টিউবছ লিমিটেড বনাম বিহাৰ আৰু অন্যান্য, (২০০৯) ৭ এছ.চি.চি. (SCC) ৬৭৩, মডাৰ্ণ

পৰৱৰ্তী পৃষ্ঠাত

ইণ্ডাষ্টীজ বনাম ষ্টীল অথ’ৰিটী অৱ্ ইণ্ডিয়া লিমিটেড, (২০১০) ৫ এছ.চি.চি. (SCC) ৪৪ত এই ন্যায়ালয়ৰ ৰায় তথা পূৰ্বাঞ্চল কেবল্ছ আৰু কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেড (চুপ্ৰা) ৰ ক্ষেত্ৰত এই ন্যায়ালয়ৰ ৰায় ধৰি লোৱাৰ পিছত এই আইন কাৰ্য্যকৰী হোৱাৰ পূৰ্বে কৰা চুক্তিৰ ক্ষেত্ৰত এই আইনৰ প্ৰযোজ্যতা নাই; যথেষ্ট দীৰ্ঘ সময়ৰ বাবে সংস্থাপিত উক্ত আইনক এই ন্যায়ালয়ে অসংস্থাপিত কৰাৰ প্ৰয়োজন নাই। পূৰ্বাঞ্চল কেবল্ছৰ ক্ষেত্ৰত এই ন্যায়ালয়ৰ ৰায় অনুসৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰা আপীলকাৰীৰ আবেদন ন্যায়সংগতভাৱে খাৰিজ কৰা হয়।

২১. শ্ৰী পাটিলৰ যুক্তিৰ প্ৰত্যুত্তৰত শ্ৰী হানছাৰিয়াই যুক্তি উপস্থাপন কৰিছে যে পৰিষদৰ আপীল মঞ্জুৰ কৰি ০৫-০৪-২০০১ তাৰিখৰ উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে ০৬-০৮-২০০১ তাৰিখত এই ন্যায়ালয়ৰ এছ.এল.পি. (SLP) খাৰিজ কৰা সময়ত, এই ন্যায়ালয়ে অতিৰিক্ত স্বতন্ত্ৰতা মঞ্জুৰ নকৰাৰ পৰিপ্ৰেক্ষিতত, পুনৰীক্ষণ আবেদনৰ ওপৰত সিদ্ধান্ত লোৱা এই বিৰোধিত ৰায়ৰ বিপক্ষে আপীলকাৰীসকলে আবেদন দাখিল কৰাৰ পথ প্ৰশস্ত হোৱা নাই।

২২. পৰৱৰ্তী সময়ত শ্ৰী হানছাৰিয়াই যুক্তি উপস্থাপন কৰিছে যে পুনৰীক্ষণ আবেদনৰ ওপৰত সিদ্ধান্ত লোৱা উচ্চ ন্যায়ালয়ৰ আদেশৰ বিপক্ষে পৰিষদেও আপীল জনাইছিল য’ত উচ্চ ন্যায়ালয়ে ৯ সুদৰ হাৰ মঞ্জুৰ কৰে। শ্ৰী হানছাৰিয়াই সৰ্বশেষত এইবুলি যুক্তি প্ৰদৰ্শন কৰিছে যে আপীলকাৰীৰ যদিহে কিবা সুদ প্ৰাপ্য হয়, আপীলকাৰীয়ে সেই সুদ কেৱল অন্তিম ধন পৰিশোধৰ তাৰিখ পৰ্য্যন্তহে দাবী কৰিব পাৰিব।

২৩. প্ৰত্যুত্তৰত শ্ৰী এ. কে. সিন্হাই শ্ৰী হানছাৰিয়াৰ যুক্তি খণ্ডন কৰিছিল। তেওঁ যুক্তি উপস্থাপন কৰিছে যে পূৰ্বাঞ্চল কেবল্ছ গোচৰত এই ন্যায়ালয়ৰ ৰায় ইতিমধ্যে নিষ্পত্তি হোৱা বিষয়ত কাৰ্য্যকৰী নহয়, কাৰণ ১০-০৭-২০১২ তাৰিখত মীমাংসিত এই আপীল কেৱল সম্পূৰ্ণ বিচাৰপীঠৰ উদ্ধৃতিৰ বিপক্ষেহে আছিল। সম্পূৰ্ণ বিচাৰপীঠে কেৱল আইনগত প্ৰশ্নসমূহৰ উত্তৰ প্ৰদান কৰাত, উচ্চ ন্যায়ালয়ত এতিয়ালৈকে নিষ্পত্তি নোহোৱা আপীল আৰু এই আপীলৰ কোনো সিদ্ধান্ত নোহোৱাত চামিলকৰণ নীতি গ্ৰহণ কৰা নহ’ব। তথাপিও শ্ৰী সিন্হাই যুক্তি দৰ্শাইছে যে এই গোচৰ তামাদী দোষে দোষিত নহয়। ০৫-০৩-১৯৯৪ ত আপীলকাৰীক অন্তিম ধন পৰিশোধ কৰাত, ১০-০১-১৯৯৭ ত আপীলকাৰীয়ে তৰা গোচৰ দাখিল কৰিব লগা সময়সীমাৰ ভিতৰতে দাখিল হৈছিল।

পৰৱৰ্তী পৃষ্ঠাত

২৪. শ্ৰী পাটিলে প্ৰত্যুত্তৰত যুক্তি দৰ্শায় যে পুনৰীক্ষণ আৱেদনত গৃহীত হোৱা আদেশটোৰ পুনৰীক্ষণ আৱেদনক আংশিকভাৱে অনুমোদন জনাইছে আৰু আপীলকাৰীয়ে আৱেদন জনোৱা আপীলটোক গোচৰ তৰাৰ পৃথক কাৰণ হিচাপে আৰু ২০০১ চনৰ ৬ আগষ্টত অত্ৰ আদালতৰ দ্বাৰা গৃহীত হোৱাৰ পূৰ্বৰ আদেশটো আপীল যোগ্যতাৰ ভিত্তিত নিষ্পত্তি কৰাত অন্তৰায় নহয়।

২৫. পক্ষদ্বয়ৰ অধিবক্তাই অত্ৰ আদালতৰ বিভিন্ন ৰায়ৰ ওপৰত নিৰ্ভৰ কৰিছে আৰু সেইবোৰ ৰায় তেওঁলোকৰ যুক্তিসমূহ বিবেচনা কৰাৰ সময়ত উল্লেখ কৰা হ'ব।

২৬. পক্ষদ্বয়ৰ অধিবক্তাৰ যুক্তিসমূহ আমি বিবেচনা কৰিলোঁ আৰু ২০১৬ চনৰ C.A. Nos. 8442-8443 গোচৰত অত্ৰ আদালতৰ দুজন মহামান্য ন্যায়াধীশৰ দ্বাৰা ২০১৬ চনৰ ৩১ আগষ্টত প্ৰদান কৰা ভিন্নমুখী সিদ্ধান্তক পুংখানুপুংখভাৱে পৰীক্ষা কৰিলোঁ।

২৭. পক্ষগণৰ বিজ্ঞ অধিবক্তাসকলে দৰ্শোৱা যুক্তি আৰু নথিৰ বিবৃতিৰ ওপৰত ভিত্তি কৰি আমি এই আপীলসমূহৰ নিম্নোলিখিত প্ৰসমূহৰ উত্তৰ প্ৰদান কৰাটো আৱশ্যকঃ-

> "১. আইন ১৯৯৩ চনৰ আইনখন প্ৰযোজ্য নহ'ব নেকি, যিহেতু ২৩-০৯-১৯৯২ ৰ আইন বলৱৎ হোৱাৰ পূৰ্বেই পক্ষসমূহৰ মাজত যোগানৰ চুক্তি পঞ্জীবদ্ধ হৈছিল?
>
> ২. যদি ১৯৯৩ৰ পূৰ্বেই পঞ্জীবদ্ধ হোৱা চুক্তিৰ সাপেক্ষে ১৯৯৩ চনৰ আইনখন বলৱৎ হোৱাৰ আগত যোগানসমূহ ধৰা হৈছিল, ১৯৯৩ চনৰ আইনখন পূৰ্বকালীনভাৱে কাৰ্য্যকৰীকৰণ হ'ব বুলি মত প্ৰকাশ কৰিব পৰা যাবনে?
>
> ৩. মেচাৰ্চ শান্তি কণ্ডাক্টৰ্ছৰ দ্বাৰা ৰুজু কৰা বিত্তীয় গোচৰ তামাদি দোষেৰে দোষিত নে?
>
> ৪. ৩১-০৮-২০১৬ ত পূৰ্বাঞ্চল কেবল্ছৰ সন্দৰ্ভত এই ন্যায়ালয়ে কৰা ৰায়দান যাৰ দ্বাৰা মেচাৰ্চ শান্তি কণ্ডাক্টৰ্ছৰ আপীল খাৰিজ কৰা হৈছিল, দুয়োটা পক্ষৰ অৰ্থাৎ মেচাৰ্চ শান্তি কণ্ডাক্টৰ্ছ আৰু অসম বিদ্যুৎ পৰিষদৰ মাজত বাধ্যতামূলক হয় নে নহয়, দুয়ো পক্ষৰ আপীলকাৰীক এই আপীলসমূহৰ ক্ষেত্ৰত প্ৰদান কৰা উল্লিখিত ৰায় সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰাৰ বাবে অনুমতি প্ৰদান কৰা নহ'ব নে?

পৰৱৰ্তী পৃষ্ঠাত

৫. কেৱল মাত্র সুদ আদায়কৰণৰ বাবে আপীলকাৰীয়ে দাখিল কৰা গোচৰ বাহালযোগ্য বুলি ক'ব পৰা যাবনে, যিহেতু স্বীকাৰোক্তি মতে সম্পূৰ্ণ মূলধনৰ পৰিমাণ গোচৰ দাখিলৰ পূৰ্বেই পৰিশোধ কৰা হৈছিল?

৬. যিহেতু এই আদালতে পুনৰ্বিচাৰ ৰায়ক প্ৰত্যাহ্বান জনাই দাখিল কৰা বিশেষ অনুমতি প্ৰাপ্তি আৱেদন (দেৱানী) [SLP(C)] নম্বৰ ১২২১৭২০০১ থন ০৫.০৪.২০০১ তাৰিখে উঠাই লোৱা সাপেক্ষে খাৰিজ কৰি কোনোধৰণৰ সুবিধা প্ৰদান কৰা হোৱা নাছিল, সেয়েহে মেচাৰ্চ ট্ৰাছেছ এণ্ড টাৱাৰ প্ৰাইভেট লিমিটেডে ১৯-০৩-২০০৩ তাৰিখৰ পুনৰীক্ষণ আৱেদনৰ ওপৰত দিয়া ৰায় (Review Judgment) ক প্ৰত্যাহ্বান জনাই দাখিল কৰা আপীল বাহালযোগ্য নহ'ব নেকি?

৭. যদিও গুৱাহাটী উচ্চ ন্যায়ালয়ে মেচাৰ্চ ট্ৰাছেছ এণ্ড টাৱাৰ্চ প্ৰাইভেট লিমিটেডে দাখিল কৰা পুনৰীক্ষণ আৱেদন (Review Petition) নং ৭৫২০০১ থন ১৯৯৩ চনৰ উক্ত আইনমতে গ্ৰহণযোগ্য  নহয় বুলি মত পোষণ কৰিছে, তৎসত্বেও ৯ শতাংশ সুত বাদীক দিব পাৰে নেকি?”

২৮. এই আপীল বিলাকত উত্থাপিত বিষয়সমূহ (issues) বিবেচনা কৰাৰ আগতে ১৯৯৩ চনৰ এই আইনৰ বিধানসমূহ লক্ষ্য কৰা প্ৰয়োজন। সংসদত, ভাৰত চৰকাৰে ক্ষুদ্ৰ উদ্যোগৰ ক্ষেত্ৰত কিছুমান নীতি নিৰ্ধাৰণ কৰিছিল। লগতে ক্ষুদ্ৰ উদ্যোগ গোটবোৰক শীঘ্ৰে টকা আদায় নিশ্চিত কৰাৰ কাৰণে উপযুক্ত আইন প্ৰণয়ন কৰা হ'ব বুলিও ঘোষণা কৰা হৈছিল। ২৩-০৯-১৯৯৩ তাৰিখে ভাৰতৰ মহামান্য ৰাষ্টপতিয়ে ‘দ্য ইনটাৰেষ্ট অন ডিলেইড পেয়মেন্টছ ট্যু স্মল স্কেল এনচিলাৰি ইণ্ডাষ্ট্ৰিয়েল আণ্ডাৰটেকিংছ অৰ্ডিনেন্স, ১৯৯২ (The Interest on Delayed Payments to Small Scale and Ancillary Industrial Undertaking Ordinance, 1992) নামেৰে এটি অধ্যাদেশ জাৰি কৰে। উক্ত অধ্যাদেশটোৰ বিকল্প হিচাপে সংসদত ‘দ্য ইনটাৰেষ্ট অন ডিলেইড পেয়মেন্টছ ট্যু স্মল স্কেল এনচিলাৰি ইণ্ডাষ্ট্ৰিয়েল আণ্ডাৰটেকিংছ এক্ট, ১৯৯৩ (The Interest on Delayed Payments to Small Scale and Ancillary Industrial Undertaking Act, 1993) উপস্থাপন কৰে। এই আইনৰ অভিপ্ৰায় আৰু বিষয়বস্তুসমূহ বৰ্তমান বিচাৰাধীন বিষয়ৰ লগতে

পৰৱৰ্তী পৃষ্ঠাত

আইনখনৰ জৰিয়তে প্ৰদান কৰিব বিচৰা প্ৰতিকাৰমূলক বিধানসমূহৰ ওপৰত আলোকপাত কৰে। এই আইনৰ অভিপ্ৰায় আৰু বিষয়বস্তু সমূহৰ ওপৰত তলত দিয়া ধৰণে পৰ্যবেক্ষণ কৰা হয়।

"২. ক্ষুদ্ৰ বা আন কোনো অধীনস্থ আনুসংগিক উদ্যোগ এটা ইয়াৰ অপৰ্য্যাপ্ত চলিত মূলধনৰ বাবে জটিল আৰু সাৰ্বজনীন সমস্যাৰ সন্মুখীন হয় আৰু ইয়াৰ প্ৰভাৱ উদ্যোগৰ সাংগঠনিক ক্ষেত্ৰতো পৰে। এইক্ষেত্ৰত পৰ্য্যাপ্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ এই খণ্ডৰ উদ্যোগসমূহে দাবী জনাই আহিছে। ক্ষুদ্ৰ উদ্যোগসমূহৰ নীতি নিৰ্ধাৰণৰ বাবে সকলো ৰাজ্য আৰু বিভিন্ন চৰকাৰী সংস্থাৰ প্ৰতিনিধিৰে গঠিত ক্ষুদ্ৰ উদ্যোগ পৰিচালনা সমিতি হ'ল শীৰ্ষ উপদেষ্টা পৰিষদ আৰু এই পৰিষদেও একে অভিমতকে প্ৰকাশ কৰিছে। গতিকে ক্ৰেতাই ধন পৰিশোধ কৰাটো ব্যাহত হ'লে, তেওঁ পৰিশোধ কৰিবলৈ বাকী থকা ধনৰ ওপৰত সুদ পৰিশোধ কৰাটো ক্ষিপ্ৰ কৰিবলৈ বিধিগতভাৱে বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত বিধান সৃষ্টিৰ প্ৰয়োজন। যদি ক্ৰেতাই আইনমতে ক্ষুদ্ৰ উদ্যোগ বা অধীনস্থ আনুষংগিক উদ্যোগক সুদ প্ৰদান কৰাটো প্ৰয়োজনীয়, তেন্তে উক্ত পৰিশোধ প্ৰতিৰোধ কৰি ৰখাৰ পৰা ক্ৰেতাক বাধা দিয়াৰ প্ৰয়োজন।"

২৯. ১৯৯৩ চনৰ উক্ত আইনখন হ'ল এক বিশেষ বিধান। উক্ত আইনৰ ধাৰা ২(৬)ত 'নিৰ্ধাৰিত দিন' (Appointed Day) ৰ সংজ্ঞা দিয়া হৈছে এনেধৰণে-

"২(বি) 'নিৰ্ধাৰিত দিন' (Appointed Day) মানে হ'ল ক্ৰেতাই যিটো দিনত যোগানদাতাৰ পৰা কোনো বস্তু বা সেৱা গ্ৰহণ কৰে বা গ্ৰহণ কৰা বুলি গণ্য কৰা হয়, সেই দিনটোৰ পৰা ত্ৰিশ দিন উকলি যোৱাৰ ঠিক পিছৰ দিনটো।"

৩০. ১৯৯৩ চনৰ আইনৰ ৬ৰ ধাৰা ৩টো হ'ল এনেধৰণৰঃ-

"ধাৰা ৩ (তিনি) – পৰিশোধ কৰাৰ ক্ষেত্ৰত ক্ৰেতাৰ দায়বদ্ধতা– যোগানদাতাই ক্ৰেতাক কোনো বস্তু বা সেৱা আগবঢ়ালে, দুয়োপক্ষৰ মাজত হোৱা লিখিত চুক্তি মৰ্মে নিৰ্ধাৰণ কৰা দিনত বা তাৰ আগেয়ে ক্ৰেতাই যোগানদাতাক দিব লগা ধন পৰিশোধ কৰিব, নাইবা, যদি দুয়োপক্ষৰ মাজত কোনো চুক্তি নাথাকে তেন্তে উক্ত পৰিশোধ নিৰ্ধাৰিত দিনৰ (Appointed Day) আগতে কৰিব লাগিব।

পৰৱৰ্তী পৃষ্ঠাত

উল্লেখ্য যে যিকোনো ক্ষেত্ৰতে ক্ৰেতা আৰু যোগানদাতাৰ মাজত যি লিখিত চুক্তি সম্পাদনা হয়, তাত উল্লেখ কৰা সময়সীমা (বস্তু বা সেৱা) গ্ৰহণ কৰা বা গ্ৰহণ কৰা হোৱা বুলি গণ্য কৰা দিনৰ পৰা ১২০ দিন অতিক্ৰম কৰিব নোৱাৰিব।

ধাৰা ৪ (চাৰি)– যিটো তাৰিখৰ পৰা আৰু যিটো হাৰত সুত আদায় দিবলগীয়া আছে– ধাৰা তিনি (৩)ৰ অধীনত বিচৰাধৰণে, যেতিয়া কোনো ক্ৰেতাই যোগানকাৰীক প্ৰাপ্য ধনৰাশি আদায় দিবলৈ অসমৰ্থ হয়, তেতিয়া ক্ৰেতা আৰু যোগানকাৰীৰ মাজত আপাততঃ চলি থকা কোনো চুক্তি বা কোনো আইনত কোনো কথা নিহিত হৈ থকা সত্বেও ক্ৰেতাগৰাকীয়ে চুক্তি সম্পাদন হোৱা দিনৰ পৰা অথবা চুক্তিবদ্ধ হোৱাৰ তাৰিখটোৰ ঠিক পিছদিনাৰ তাৰিখটোৰ পৰা সেই ধনৰাশিৰ ওপৰত, ভাৰতীয় ষ্টেট বেংকে আদায় লোৱা প্ৰধান ঋন হাৰৰ ডেৰগুণ হাৰত যোগানকাৰীৰ সুত আদায় দিবলৈ দায়বদ্ধ হ'ব।

ব্যাখ্যাঃ এই ধাৰাটোৰ ক্ষেত্ৰত, 'প্ৰধান ঋণ হাৰ'-এ ভাৰতীয় ষ্টেট বেংকৰ 'প্ৰধান ঋণ হাৰ'ক বুজায়, যি হাৰ বেংকটোৰ সৰ্বোত্তম ঋণ লওঁতাসকলৰ বাবে সুলভ।

ধাৰা ৫ (পাঁচ)– চক্ৰবৃদ্ধি সুত আদায় দিয়াৰ প্ৰতি ক্ৰেতাৰ দায়বদ্ধতাঃ- আপাততঃ বলৱৎ হৈ থকা কোনো আইনত অথবা ক্ৰেতা আৰু যোগানকাৰীৰ মাজত চলি থকা কোনো চুক্তিত কোনো কথা নিহিত হৈ থকা সত্বেও ক্ৰেতাগৰাকীয়ে যোগানকাৰীক দেয় ৰাশিৰ ওপৰত, ধাৰা ৪ (চাৰি) ত উল্লেখ কৰা ধৰণৰ হাৰত চক্ৰবৃদ্ধি সুত (মাহিলী সুতসমূহ সহ) আদায় দিবলৈ দায়বদ্ধ হ'ব।

ধাৰা ৬ (ছয়)– প্ৰাপ্য ধনৰাশিৰ উদ্ধাৰকৰণঃ-

১. ধাৰা ৪ (চাৰি) আৰু ৫ (পাঁচ)ৰ বিধান অনুসৰি গণনা কৰা সুতসহ ক্ৰেতাৰ পৰা প্ৰাপ্য ধনৰাশি, আপাততঃ বলৱৎ হৈ থকা কোনো আইনৰ অধীনৰ এটা মোকৰ্দমাৰ বা আন আইনী কাৰ্যপ্ৰণালীৰ জৰিয়তে, যোগানকাৰীৰ দ্বাৰা উদ্ধাৰযোগ্য হ'ব।

২. উপ ধাৰা ১ (এক) ত কোনো কথা নিহিত থকা সত্বেও, বিবাদলৈ অহা কোনো পক্ষই সেই উপধাৰাত উল্লেখ কৰা বিষয়সমূহৰ ক্ষেত্ৰত মধ্যস্থতাকাৰী অথবা আপোচকাৰীৰূপে দায়িত্ব লোৱাৰ উদ্দেশ্যে উদ্যোগ সহায়তা পৰিষদলৈ (Industry

পৰৱৰ্তী পৃষ্ঠাত

facilitation council) এক অভিমত প্ৰেৰণ কৰিব পাৰে আৰু মধ্যস্থতা আৰু আপোচ আইন ১৯৯৬ (১৯৯৬ ৰ ২৬) (Arbitration and Conciliation Act 1996) ৰ বিধানসমূহ তেনেকুৱা বিবাদৰ ক্ষেত্ৰত এনেভাৱে প্ৰয়োগ হ'ব যেন সেই মধ্যস্থতা অথবা আপোচৰ কাৰ্য সেই আইনখনৰ ধাৰা ৭ (সাত) ৰ উপধাৰা ১ (এক)ত উল্লেখ কৰা এক মধ্যস্থতা চুক্তিৰ অনুসৰণকাৰীহে।”

৩১. ধাৰা ৩য়ে কিনোতা (ক্ৰেতা)জনে টকা পৰিশোধ কৰাৰ বাবে বিধিসন্মত দায়িত্বৰ সৃষ্টি কৰিছে। এই বিধিসন্মত দায়িত্ব হৈছে এনেধৰণৰ কোনো যোগানকাৰীয়ে যেতিয়া কিনোতাক কোনো বস্তুৰ যোগান ধৰে, তেতিয়া কিনোতাজনে তেওঁৰ আৰু যোগানকাৰী এই দুয়োজনৰ সন্মতি সাপেক্ষে লিখিত ৰূপত নিৰ্দিষ্ট কৰা তাৰিখত  টকা পৰিশোধ কৰিব লাগিব, আৰু যদিহে সেইক্ষেত্ৰত কোনো দিন ঠিক কৰা হোৱা নাছিল, তেনেহ'লে ‘নিয়োজিত দিন’ৰ আগত টকাটো পৰিশোধ কৰিব লাগিব। কিনোতাজনৰ ওপৰত টকা পৰিশোধ কৰাৰ বিধিসন্মত দায়িত্বটো এনেধৰণে বান্ধি দিয়া হৈছে-

(ক)  কিনোতা আৰু যোগানকাৰী উভয়ে সন্মতিসাপেক্ষে নিধৰ্াৰিত কৰা লিখিত তাৰিখত বা তাৰ আগত

(খ) যদিহে লিখিত আকাৰত কোনো চুক্তি কৰা হোৱা নাছিল, তেনেহ'লে নিয়োজিত দিনৰ আগত।

৩২. ধাৰা ২(খ) ত উল্লেখ কৰা মতে ‘নিয়োজিত দিন’ (Appointed Day) ৰ সংজ্ঞা এনেধৰণৰ কিনোতাই যোগানকাৰীৰ পৰা কোনো বস্তু বা কোনো সেৱা গ্ৰহণ কৰা বা গ্ৰহণ কৰা বুলি ধৰি লোৱা দিনৰ পৰা ত্ৰিশ দিন পাৰ হোৱা পিছৰ দিনটোক নিয়োজিত দিন বোলে। গতিকে, ধাৰা ৩ মতে ধন পৰিশোধ কৰা দায়িত্ব কিনোতাৰ ওপৰত বিধিগত মতে আহি পৰে, তাৎপৰ্য্যপূৰ্ণভাৱে, ধাৰা ৩ অনুসৰি, য'ত কোনো যোগানকাৰীয়ে কিনোতাজনক কোনো বস্তুৰ যোগান ধৰে বা সেৱা আগবঢ়ায়। তেওঁৰ দায়িত্ব বস্তু বা সেৱা যোগান ধৰালৈকেহে। এই আইনখন স্পষ্টকৈ প্ৰত্যাশামূলক আৰু এইখনে এই আইন বলৱৎ হোৱাৰ পিছৰ অৰ্থাৎ ২৩.০৯.১৯৯২ৰ পিছৰ যোগান বা সেৱাক নিয়ন্ত্ৰণ কৰিব।

পৰৱৰ্তী পৃষ্ঠাত

৩৩. ধাৰা ৩ৰ দ্বিতীয় অংশ হৈছে- ধন পৰিশোধ কিনোতাজনেই কৰিব। এইটো কথা স্পষ্ট যে ধন পৰিশোধ কৰাৰ কথাটো স্বাভাৱিকতেই বস্তু বা সেৱা যোগান ধৰাৰ পিছতহে প্ৰযোজ্য হ'ব। গতিকে, ধাৰা ৩ মতে, এহাতে বস্তু বা সেৱা যোগান ধৰা আৰু আনহাতে ধন পৰিশোধ কৰা দুয়োটাই এই ১৯৯৩ ত বলৱৎ হোৱা এই আইনখনৰ পিছত হ'ব লাগিব। ধাৰা ৩ৰ বিধিসন্মত চৰ্ত বা বিধান মতে, যিটো দিনত ধন পৰিশোধ কৰিম বুলি কিনোতা আৰু যোগানকাৰী উভয়ে লিখিতভাৱে সন্মত হৈছিল সেই দিনটোতে ধন পৰিশোধ কৰাৰ বাবে বিধিসন্মত দায়িত্বৰ সৃষ্টি কৰে, আৰু, যদিহে কোনো তাৰিখ নিধৰ্াৰণ কৰা হোৱা নাই, তেনেহ'লে নিয়োজিত দিনৰ পূৰ্বেই ধন পৰিশোধ কৰিব লাগিব। যদিহে বস্তু যোগান আৰু ধন পৰিশোধ কৰা সম্পৰ্কত কিনোতা আৰু যোগনকাৰীৰ মাজত হোৱা লিখিত চুক্তিখনএই আইনখন বলৱৎ হোৱাৰ আগত সম্পন্ন হৈছে, তেনেহ'লে সেইটো প্ৰাসঙ্গিক নহ'ব। গুৰুত্বপূৰ্ণ কথাটো হ'ল যে বস্তু বা সেৱাৰ যোগান এই আইনখন বলৱৎ হোৱাৰ পিছত হ'লেহে ধন পৰিশোধৰ দায়িত্বৰ কথা প্ৰযোজ্য হ'ব।

৩৪. আমি ইতিমধ্যে প্ৰত্যক্ষ কৰিছো যে আইন প্ৰণয়নৰ লক্ষ্য আৰু অভিপ্ৰায় হৈছে তৎপৰভাৱে কিনোতাক ধন পৰিশোধ কৰোৱা আৰু সেই কথাটো বিধিসন্মতভাৱে নিশ্চিত কৰা আছে ১৯৯৩ চনৰ আইনখনত আৰু এইটো কৰা হৈছে বাধ্যতামূলক সুদৰ অন্তৰ্ভুক্তি কৰি।

৩৫. ধাৰা ৪ত কোন তাৰিখৰ পৰা সুদ লোৱা হ'ব আৰু কিমান হাৰত লোৱা হ'ব, সেই বিষয়ে উল্লেখ কৰা হৈছে। উক্ত হাৰত সুদ দিয়া কথাটো তেতিয়াহে আহি পৰে, যেতিয়া কিনোতাজনে যোগানকাৰীক ধাৰা ৩ মতে পৰিশোধ কৰিবলৈ অসমৰ্থ হয়।

৩৬. ধাৰা ৪য়ে আৰু কয় যে কিনোতা আৰু যোগানকাৰীৰ মাজত থকা চুক্তি বা সেই সময়ত বলৱৎ থকা আইনৰ সত্বেও অৰ্থাৎ যদিও কিনোতা আৰু যোগানকাৰীৰ মাজত ধন পৰিশোধ কৰাত বিলম্ব হ'লে সুদ দিয়াৰ কথা দফাত উল্লেখ নাই, তেতিয়াও ধাৰা ৪য়ে কিনোতাজনৰ ওপৰত সেই সুদ পৰিশোধ কৰাৰ দায়িত্ব জাপি দিয়ে, এইক্ষেত্ৰত হোৱা যিকোনো চুক্তিক অগ্ৰাহ্য কৰি, কিনোতা আৰু যোগানকাৰীৰ মাজত চুক্তিখন ১৯৯৩ চনৰ আইনখন বলৱৎ হোৱাৰ আগত হৈছে নে পিছত হৈছে সেইটো প্ৰাসংগিক বা গুৰুত্বপূৰ্ণ নহয়, গুৰুত্বপূৰ্ণ কথাটো হৈছে, যদিহে ধাৰা ৩ৰ প্ৰয়োজন সাপেক্ষে কিনোতাজনে যোগানকাৰীক ধন পৰিশোধ কৰাত অসমৰ্থ হৈছে। গতিকে সুদ পৰিশোধ কৰাৰ পৰিস্থিতিটো তেতিয়া উৎপন্ন হয়, যেতিয়া ধাৰা ৩ৰ মতে ধন পৰিশোধ কৰা নহয়।

পৰৱৰ্তী পৃষ্ঠাত

৩৭. ধাৰা ৩ৰ মতে, ধন পৰিশোধ কৰাৰ দায়িত্ব আৰু ধাৰা ৪ৰ মতে, সুদ পৰিশোধ কৰাৰ দায়িত্বটো উভয় পক্ষই চুক্তিমতে নির্দিষ্ট কৰা যোগান ধৰাৰ তাৰিখৰ ওপৰত নির্ভৰ নকৰে। উক্ত আইনখনত মনস্থ কৰা মতে, যিহেতু যোগান ধৰা আৰু ধন পৰিশোধ কৰা দুয়োটা কাৰ্য্য এই আইনখন বলৱৎ হোৱাৰ পিছত ঘটিব লাগিব, গতিকে এই আইনখনৰ মতে যি বিধিসন্মত দায়িত্ব আছে, সেইটো উভয় পক্ষৰ মাজত চুক্তি হোৱা তাৰিখৰ কোনো প্ৰাসংগিকতা নাই।

৩৮. এই আদালতৰ বহুকেইটা খণ্ড বিচাৰপীঠৰ ৰায়ত ১৯৯৩ চনৰ আইনখন, বিশেষকৈ ধাৰা ৩ আৰু ধাৰা ৪ৰ দফাসমূহ ব্যাখ্যা কৰা হৈছে। আমি এতিয়া এই আদালতৰ উক্ত ৰায়সমূহ উল্লেখ কৰিম, য'ত উপৰোক্ত দফাসমূহৰ বিবেচনা কৰিম। এইক্ষেত্ৰত প্ৰথমে লক্ষ্য কৰা ৰায়টো হৈছে- অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম আৰু অন্যান্য - বনাম- জে. ডি. ফাৰ্মাচ্যুটিকেল্ছ আৰু অন্যান্য (২০০৫)১৩ এছ.চি.চি. ১৯। এই আদালতে উপৰোক্ত ৰায়ত এই মত পোষণ কৰিছে যে ১৯৯৩ চনৰ আইনখন তেনে কোনো লেন-দেনৰ ওপৰত প্ৰযোজ্য নহ'ব যি লেন-দেন এই আইনখন বলৱৎ হোৱাৰ আগত হৈছে। দফা ৩৭ আৰু ৩৮ ত তলত উল্লেখ কৰা ধৰণে মত পোষণ কৰা হৈছে–

> *"৩৭. আমি ওপৰত কৈছো যে দফা ৮ত বাকী থকা দহ শতাংশ ধন পৰিশোধ কৰাৰ চৰ্তসমূহৰ উল্লেখ আছে। ইয়াত কোনো বিবাদ নাই যে আপীলকাৰীয়ে নিগমৰ পৰা মূলধন আৰু সুদ দুয়োটাই দাবী কৰিছে । ১৯৯৩ চনৰ আইনখনৰ ধাৰা ৩য়ে ক্ৰেতাজনৰ ওপৰত এটা বিধিগত দায়িত্ব জাপি দিয়ে যোগান ধৰা বস্তুখিনিৰ বাবদ ধন পৰিশোধ কৰাৰ আৰু সেই তাৰিখত যিটো চুক্তি কৰা হৈছে, যদিহে কোনো তাৰিখ চুক্তি কৰা হোৱা নাই, তেনেহ'লে 'নিয়োজিত দিন'ৰ আগত ধন পৰিশোধ কৰিব লাগিব। যদিহে ধাৰা ৩ মতে, ধন পৰিশোধ কৰা নহয়, তেনেহ'লে ধাৰা ৪ প্ৰযোজ্য হ'ব। ১৯৯৩ চনৰ আইনখন ২৩.০৯.১৯৯২ ৰ পৰা বলৱৎ হৈছিল, গতিকে, উক্ত তাৰিখৰ আগত হোৱা যিকোনো লেন-দেনৰ ক্ষেত্ৰত এই আইনখন প্ৰযোজ্য নহ'ব। আমি ধৰিব পাৰিছো যে বিবাদীয় ৭১টা লেনদেনৰ ভিতৰত (বিচাৰকৰণ আদালতৰ বিচাৰৰ উপান্ত দফাত উল্লেখ থকা) ক্ৰমিক নং ১ৰ পৰা ক্ৰমিক নং ২৬লৈ যোগান আদেশ সমূহৰ তাৰিখ ০৫.০১.১৯৯১ ৰ পৰা ২৮.০৭.১৯৯২ লৈ আছে, অৰ্থাৎ, সেয়া ১৯৯৩ আইনখন বলৱৎ হোৱাৰ আগৰ।*

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

*কেৱল ক্ৰমিক নং ২৭ ৰ পৰা ক্ৰমিক নং ৭১ (য'ত যোগান আদেশসমূহৰ তাৰিখ ২২.১০.১৯৯২ ৰ পৰা ১৯.০৬.১৯৯৩ লৈ আছে) সেইক্ষেত্ৰত ১৯৯৩ চনৰ আইনখন প্ৰযোজ্য হ'ব।*

*৩৮. গতিকে, ১৯৯১ চনৰ জুন মাহৰ পৰা ২৩.০৯.১৯৯২ ৰ ভিতৰত হোৱা লেন-দেনসমূহৰ, ক্ষেত্ৰত ১৯৯৩ ৰ আইনখন প্ৰযোজ্য নহ'ব। গতিকে, বিচাৰ আদালতৰ লগতে উচ্চ ন্যায়ালয়ে১৯৯১ চনৰ জুন মাহলৈ ২৩ শতাংশ হাৰত আৰু তাৰ পিছৰ সময়ছোৱাত ২৩.৫ শতাংশ হাৰত সুদ দিব লাগিব বুলি ৰায়দান কৰি প্ৰকাশ্যে ভুল কৰিছে।"*

৩৯. উপৰোক্ত ৰায়দানটোত 'লেনদেন' শব্দটোৱে যোগান ধৰাটো সামৰি ল'ব লাগিব। যদিহে লেন-দেন শব্দটোৱে যোগান বুজাইছে, তেনেহ'লে তাত এই বিষয়টো লৈ কোনো বিবাদ থাকিব নোৱাৰে যে এই আইনখন বলৱৎ হোৱাৰ আগত হোৱা যোগানসমূহৰ ওপৰত উক্ত আইনখন প্ৰযোজ্য নহ'ব।

৪০. উক্ত আদালতৰ পৰৱৰ্তী ৰায়দানটো হৈছে 'শক্তি ট্যুবছ লিমিটেড -বনাম- বিহাৰ চৰকাৰ আৰু অন্যান্য, (২০০৯)৭ এছ.চি.চি. ৬৭৩। এই গোচৰটো শক্তি ট্যুবেছ সুদ পৰিশোধ কৰাৰ বাবে তৰিছিল। উপৰোক্ত গোচৰটোত 'বিহাৰ চৰকাৰে' ১৬.০৭.১৯৯২ তাৰিখত যোগান ফৰমাইচ দিছিল আৰু আপীলকাৰীয়ে ১৯৯৩ চনৰ আইনখনৰ ওপৰত নিৰ্ভৰশীল আছিল। উক্ত গোচৰটোত এইটোও লক্ষ্য কৰা গ'ল যে ১৬.০৭.১৯৯২ চনত দিয়া যোগান ফৰমাইচ (বা আদেশ) টো আচলতে অলপ সাল-সলনি কৰি ১৮.০৩.১৯৯৩ তাৰিখত এটা নতুন যোগান ফৰমাইচ বা আদেশ দিয়া হয়। এই আদালতৰ 'অসম ক্ষুদ্ৰ উদ্যোগ'ৰ গোচৰটোৰ ৰায়দানৰ কথা উল্লেখ কৰি খণ্ড বিচাৰপীঠে মত পোষণ কৰে যে উপৰোক্ত সিদ্ধান্তৰ যুক্তি এইক্ষেত্ৰত স্পষ্টকৈ প্ৰযোজ্য।

দফা ১৭, ১৮ আৰু ১৯ত কোৱা হৈছেঃ-

*"১৭. অসম ক্ষুদ্ৰ উদ্যোগ গোচৰটোৰ উক্ত কথাখিনিৰ আলমলৈ, এই ৰায়দানৰ দফা ৩৭ত কোৱা হৈছে যে যদিও আইনখন ২৩ ছেপ্টেম্বৰ, ১৯৯২ চনত বলৱৎ হৈছিল, এইক্ষেত্ৰত ক্ৰমিক নং ১ৰ পৰা ২৬ তাৰিখলৈ যোগান ফৰমাইচসমূহ আইনখন বলৱৎ হোৱাৰ লগে লগে বা তাৰ আগত কৰা হৈছিল। বাকীখিনি যোগান আদেশ*

পৰৱৰ্তী পৃষ্ঠাত

*অৰ্থাৎ ক্ৰমিক নং ২৭ৰ পৰা ৭১লৈ ২২.১০.১৯৯২ ৰ পৰা ১৯.০৬.১৯৯৩লৈ দিয়া হৈছিল, অৰ্থাৎ এই আইন বলৱৎ হোৱাৰ পিছৰ তাৰিখত। এইক্ষেত্ৰত, ৰায়দানটোত স্পষ্টকৈ লিপিবদ্ধ কৰা আছে যে যিখিনি লেন-দেন এই আইনখন বলৱৎ হোৱাৰ আগত হৈছিল, সেই লেন-দেনসমূহত এই আইনখন প্ৰযোজ্য নহ'ব। তাৰ পিছৰ বাক্যটোত আদালতে 'লেনদেন' শব্দটোৱে কি বুজায় আৰু আৰু কি বুলি বুজিব লাগে এইটো এইদৰে স্পষ্ট কৰি দিলে যে ৭১টা লেনদেনৰ ভিতৰত, ক্ৰমিক নং ১ৰ পৰা ক্ৰমিক নং ২৬লৈ যোগান আদেশ ফৰমাইচসমূহ ০৫.০৬.১৯৯১ৰ পৰা ২৮.০৭.১৯৯২ তাৰিখলৈ দিয়া হৈছিল অৰ্থাৎ এই তাৰিখসমূহ ২৩ তাৰিখত বলৱৎ হোৱা আইনখনৰ আগৰ, গতিকে এই যোগান আদেশ বা লেন-দেনৰ ক্ষেত্ৰত উক্ত আইনখনৰ ধাৰা ৪ আৰু ৫ত দিয়া ধৰণে উষ্চ হাৰত সুদ দাবী কৰিব বা দিব পৰা নাযায়। এই কথাটোও স্পষ্টকৈ কোৱা হৈছে যে কেৱল ক্ৰমিক নং ২৭ৰ পৰা ৭১লৈহে অৰ্থাৎ যিসিমূহ আদেশ বা ফৰমাইচ ২২.১০.১৯৯২ৰ পৰা ১৯.০৬.১৯৯৩ লৈ দিয়া হৈছিল, সেই সমূহতে আইনখনৰ চৰ্ত প্ৰযোজ্য হয়। গতিকে, যিকেইটা যোগান আদেশ ২২.১০.১৯৯২ ৰ পৰা ১৯.০৬.১৯৯৩ তাৰিখৰ ভিতৰত নিগমে জাৰি কৰিছিল, সেই লেন-দেনসমূহহে উক্ত আইনত থকা চৰ্তবিলাকৰ দ্বাৰা উপকৃত হোৱাৰ যোগ্য।*

*১৮. সুবিবেচিত মতামতত, উপৰোক্ত অসম ক্ষুদ্ৰ উদ্যোগ গোচৰটোৰ ৰায়ত দিয়া যুক্তিবিলাক অত্ৰ গোচৰত স্পষ্টকৈ প্ৰযোজ্য হয় আৰু এই গোচৰৰ ঘটনা বা সংঘটনৰ ওপৰত সম্পূৰ্ণকৈ বাহাল থাকিব। সকলো তথ্য চাই লগতে এই বিষয়ত থকা সকলো প্ৰাসংগিক আইনৰ ওপৰত গুৰুত্ব দি আদালতে উক্ত ৰায়টো দিছে, গতিকে আদালতে যি মত পোষণ কৰি উক্ত ৰায়টো দিছিল, আমি তাক বেলেগ দৃষ্টিৰে চোৱাৰ কোনো কাৰণ দেখা নাই। গতিকে আদালতে সকলো তথ্য, ঘটনা আৰু পৰিস্থিতি বুজি সঠিককৈ দিয়া উপৰোক্ত ৰায়টোত আমি সন্মানসহকাৰে সন্মত হৈছোঁ।*

পৰৱৰ্তী পৃষ্ঠাত

*১৯. এতিয়া যদি আমি চলিত গোচৰটোৰ তথ্য চাওঁ, তেনেহলে ইয়াত কোনো দ্বিমত নাই যে প্ৰতিপক্ষক পাইপ যোগান ধৰাৰ যোগান আদেশৰ তাৰিখ ১৬.০৭.১৯৯২, যিটো তাৰিখ সন্দেহাতীতভাৱে এই আইনখন বলৱৎ হোৱাৰ আগৰ।"*

৪১. এই বিচাৰপীঠখনে আগতে দিয়া অসম ক্ষুদ্ৰ উদ্যোগ গোচৰটোৰ ৰায়টো উনুকিয়াই মতামত দিয়ে যে 'লেন-দেন' শব্দটো কেৱল যোগান আদেশৰ ক্ষেত্ৰতহে ব্যৱহাৰ কৰা হৈছে। দফা নং ২১ত এনেকৈ কোৱা হৈছে–

*"২১. আমি প্ৰতিপক্ষৰ যুক্তিও বিবেচনা কৰি চাইছো। এই আদালতে অসম ক্ষুদ্ৰ উদ্যোগ গোচৰটোত উক্ত বিষয়টো এই বুলি চূড়ান্তভাৱে নিষ্পত্তি কৰিলে যে প্ৰতিপক্ষই দিয়া যোগানৰ আদেশৰ তাৰিখটোহে দৰকাৰী বা প্ৰাসংগিক আৰু আদালতে য'ত লেন-দেন শব্দটো ব্যৱহাৰ কৰিছে, সেইটোৱে যোগান আদেশ বা ফৰমাইচটো বুজাইছে। আদালতে দফা ৩৭ত এই কথাটো সুস্পষ্ট কৰি দিছে আৰু এই দফাটো আমি আগতেই ইয়াত তুলি ধৰিছোঁ। আমাৰ বিবেচিত ধাৰণা মতে, এই আদালতে দিয়া উক্ত ৰায়ত কোনো দ্ব্যৰ্থতা বা সন্দেহ নাই। দফা ৩৭ত কোৱাৰ দৰে এই আইনখনৰ অভিপ্ৰায় আৰু তাৎপৰ্য সুস্পষ্ট। যেতিয়া আদালতে লেন-দেন শব্দটোৰ কথা কৈছে, তেতিয়া লেন-দেনৰ আৰম্ভণিৰ কথা কৈছে অৰ্থাৎ যোগান আদেশ দিয়াৰ কথা কৈছে; লেন-দেন সমাপ্ত কৰা কথা কোৱা নাই, যিটো ধন পৰিশোধ কৰাৰ পিছতহে হ'ব। গতিকে আপীলকাৰীৰ পক্ষত থকা জ্যেষ্ঠ অধিবক্তাজনৰ যুক্তি গ্ৰহণযোগ্য নহয়।"*

৪২. আদালতে দফা ৩১ত আৰু কৈছে যে চুক্তিখনৰ কোনো সালসলনি কৰা হোৱা নাছিল বা কোনো নতুন সংযোজন কৰা হোৱা নাছিল। দফা ৩১ত এইধৰণে কোৱা হৈছেঃ-

*"৩১. তৎসত্বেও, আমি বিবেচনা কৰি দেখা পাইছোঁ যে এই গোচৰটোত চুক্তিখনত কোনো সালসলনি হোৱা নাই বা চুক্তিখনত নতুন একো সংযোজন ঘটোৱা হোৱা নাই। দুই পক্ষৰ মাজত হোৱা যোগাযোগৰ পৰা স্পষ্টকৈ এই কথা ওলাই পৰে যে প্ৰতিপক্ষই যোগান ফৰমাইচ জাৰি কৰাৰ পিছতো আপীলকাৰীয়ে সেই ফৰমাইচ মতে পাইপৰ যোগান নধৰি মূলতে বস্তুৰ দাম বঢ়োৱাৰ তাগিদা দি আছিল। শেষত,*

পৰৱৰ্তী পৃষ্ঠাত

*তেওঁলোকে মূল্য বঢ়োৱাৰ দফাটোত নিৰ্ভৰ কৰি পাইপৰ মূল্য বঢ়াই দিবলৈ অনুৰোধ কৰিছে।”*

৪৩. ইয়াৰ পিছত লেখত ল’বলগীয়া ৰায়টো হৈছে- মডাৰ্ণ ইণ্ডাষ্ট্ৰীজ -বনাম- ষ্টীল অথ’ৰিটী অব ইণ্ডিয়া লিমিটেড (২০১০)৫ এছ.চি.চি. ৪৪ গোচৰটোৰ। দফা ২৩ত, ১৯৯৩ চনৰ আইনখনৰ উদ্দেশ্য বা অভিপ্ৰায়টো লক্ষ্য ৰাখি এইধৰণে কোৱা হৈছে :-

*“২৩. ১৯৯৮ চনৰ সংশোধন অনুসৰি, ১৯৯৩ চনৰ আইনখনৰ সম্পূৰ্ণ উদ্দেশ্য আৰু অভিপ্ৰায়টো হৈছে যোগানকাৰীয়ে যোগান ধৰা বস্তু বা সেৱাৰ বাবদ যাতে ক্ৰেতাজনে তৎপৰতাৰে যোগানকাৰীজনক ধন পৰিশোধ কৰে । লগতে, ধন পৰিশোধ নকৰাৰ বাবদ যি ধন দিবলৈ বাকী ৰৈ যায়, সেই ধনৰ ওপৰত সুদ পৰিশোধ কৰাটোও সুনিশ্চিত কৰিছে। সেইমতে, ধাৰা ৩য়ে কিনোতা আৰু যোগানকাৰীৰ মাজত স্থিৰ হোৱা লিখিত তাৰিখত ধন পৰিশোধ কৰিম বুলি দিয়া সন্মতি অনুসৰি সেই দিনটোতে ধন পৰিশোধ কৰাৰ দায়িত্ব ক্ৰেতাজনৰ ওপৰত জাপি দিছে অন্যথা ‘নিয়োজিত দিন’ৰ আগত ধন পৰিশোধ কৰিব লাগিব। আৰু, লিখিত কোনো স্থিৰ তাৰিখ নথকা অৱস্থাত, নিয়োজিত দিনটো যোগান আদেশ গ্ৰহণ কৰা তাৰিখৰ পৰা ১২০ দিনৰ অধিক হ’ব নালাগিব।”*

৪৪. আদালতে আৰু এটা যুক্তি দিছে যে ১৯৯৩ চনৰ আইনৰ অধীনত যদি কোনোবাই অকল সুদ আদায় পাবলৈ গোচৰ তৰে, সেই গোচৰটো বাহালযোগ্য নহ’ব। এই বিচাৰপীঠখনে সেইটো বিষয়ৰ প্ৰত্যুত্তৰত কয় যে অকল সুদ আদায় পাবৰ বাবে তৰা গোচৰো বাহালযোগ্য। দফা ৪৫ আৰু ৪৬ত এই ধৰণে কোৱা হৈছেঃ-

*“৪৫. এইটো সত্য যে ‘একেলগে’ শব্দটোৱে সাধাৰণতে মিলিতভাৱে বা একে সময়তে ঘটা বুজায়, কিন্তু ধাৰা ৬ৰ ক্ষেত্ৰত এই সাধাৰণ অৰ্থটো উপযুক্ত নহ’ব। এনেকৈ ক’ব পাৰি নেকি যে ধাৰা ৬ অনুসৰি দাখিল কৰা গোচৰ বা উপ-ধাৰা ১ অনুসৰি লোৱা অন্য আইন ব্যৱস্থা বা উপ-ধাৰা ২ অনুসৰি আই. এফ. চি.ৰ প্ৰসংগলৈ লোৱা ব্যৱস্থা তেতিয়াহে বাহালযোগ্য হ’ব, যেতিয়া ধাৰা ৪ আৰু ৫ৰ মতে মূলধন আৰু*

পৰৱৰ্তী পৃষ্ঠাত

*সুদ দুয়োটা আদায়ৰ বাবেই কৰা হয়, কেৱল সুদ আদায়ৰ বাবে নহয়? উত্তৰটো নেতিবাচক হ'ব।*

*৪৬. গুৱাহাটী উচ্চ ন্যায়ালয়ে 'অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ (২০০২)২ জি.এল.আৰ.৫৫০' ত দিয়া মতটোত ধাৰা ৬(১)ৰ মতে 'একেলগে' শব্দটোৱে 'লগতে' বা 'আৰু' ও বুজাব বুলি কোৱা কথাটোত আমি সমৰ্থন জনাইছো। গতিকে, দেখা গ'ল যে মূলধন আৰু সুদৰ বাবে কৰিলে, বা সুদৰ বাবে কৰিলেও যদিহে দায়িত্বটো স্বীকাৰ কৰা হৈছে বা যদিহে বস্তু যোগান ধৰাত বা সেৱা আগবঢ়োৱাত ব্যাহত হৈছে, ধাৰা ৬(২) মতে গোচৰ বাহালযোগ্য হ'ব। আমাৰ মতামতত যদিহে দৃঢ়ভাৱে, চূড়ান্তভাৱে বা স্বীকাৰ কৰি লোৱা কোনো দায়বদ্ধতা নাই তেন্তে ধাৰা ৬(২) মতে আই.এফ.চি. প্ৰসংগ লৈ দাখিল কৰা গোচৰ কেৱল ধাৰা ৪ আৰু ৫ৰ মতে পাবলগীয়া সুদ বিচৰাতে সীমিত থাকিব নালাগে। ক্ৰেতাজনে আপত্তি বা বিৰোধ কৰাৰ ক্ষেত্ৰত, আই.এফ.চি.ৰ বস্তু যোগান ধৰা বা সেৱা আগবঢ়োৱাৰ বাবদ দিব লগা মূল্য নিৰ্ধাৰণ কৰাৰ ক্ষমতা থাকে । জ্যেষ্ঠ অধিবক্তাজনে ক্ৰেতাজনৰ পক্ষে দিয়া ধাৰা ৬(২)ৰ মতে যুক্তি গ্ৰহণযোগ্য নহয়, কাৰণ সেই যুক্তিৰ ১৯৯৩ৰ আইনখনৰ অভিপ্ৰায়, উদ্দেশ্য আৰু সংকল্পৰ লগত কোনো সামঞ্জস্য নাই। জ্যেষ্ঠ অধিবক্তাজনে দৃঢ়ভাৱে ভিত্তি হিচাপে লোৱা ১৯৯৩ চনৰ আইনখনৰ প্ৰস্তাৱনায়ো আমাক অন্যধৰণে ভাবিবলৈ সৈমান কৰাব পৰা নাই। কাৰণ, প্ৰস্তাৱনাখনৰ লগত আইনখন বলৱৎ কৰাৰ সম্পূৰ্ণ মিল নাথাকিব পাৰে, আইনখন প্ৰস্তাৱনাৰ বহু দূৰলৈ যাব পাৰে।"*

৪৫. উপৰোক্ত গোচৰটোতো চুক্তিখন ১৫.০১.১৯৯৩ ত কৰা হৈছিল যদিও পিছত চুক্তিখনত সালসলনি কৰা হৈছিল। শেষ সালসলনিটো ২৯.০৪.১৯৯৫ তাৰিখে কৰা হৈছিল, গতিকে বিচাৰপীঠখনে এই যুক্তিটো অগ্ৰাহ্য কৰে যে ১৯৯৩ চনৰ আইনখন ইয়াত প্ৰযোজ্য নহ'ব।

৪৬. এতিয়া আমি অত্ৰ আদালতৰ 'পূৰ্বাঞ্চল কেবল্ছ আৰু কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেডৰ' (একে উৎসৰ পৰা উদ্ধৃত) গোচৰৰ ৰায়দানৰ ওপৰত নিৰ্ভৰ কৰি উচ্চ ন্যায়ালয়ে পৰিষদৰ আপীলখন মঞ্জুৰ কৰিছিল। পৰিষদৰ অধিবক্তাও এই ৰায়টোৰ ওপৰত বহুপৰিমাণে নিৰ্ভৰশীল।

পৰৱৰ্তী পৃষ্ঠাত

৪৭. উপৰোক্ত গোচৰত, পৰিষদে ৩১.০৩.১৯৯২ তাৰিখৰ আদেশযোগে, ১৬.০৯.১৯৯২ তাৰিখে বস্তু যোগান ধৰিবলৈ ফৰমাইচ দিছিল আৰু বস্তুবিলাক যোগান ধৰা হৈছিল ২৫.০৯.১৯৯২ৰ পৰা ৩০.০৩.১৯৯৩ তাৰিখৰ ভিতৰত। যোগান দিয়া সম্পূৰ্ণ হৈছিল ১২.১০.১৯৯৩ তাৰিখত আৰু সম্পূৰ্ণ ধন পৰিশোধ কৰা হৈছিল ১৯৯৩ অক্টোবৰ মাহত। উত্তৰ দিবলগীয়া বিচাৰ-বিষয়সমূহ ৰায়টোৰ দফা ১০ত এইধৰণে উল্লেখ কৰা হৈছেঃ-

> *"১০. এই আপীলসমূহত উত্তৰ দিবলগীয়া বিচাৰ-বিষয়সমূহ হৈছে এই আইনখনৰ অধীনত সুদৰ বাবে কৰা গোচৰ এটা বাহালযোগ্য হ'ব নে নহ'ব আৰু এই আইনখন বলৱৎ হোৱাৰ আগত সম্পূৰ্ণ কৰা চুক্তিবিলাকৰ ক্ষেত্ৰত আইনখন প্ৰযোজ্য হ'ব নে নহ'ব। অন্য অৰ্থত ক'বলৈ গ'লে, আমি এইটো পৰীক্ষা কৰিব লাগিব যে এই আইনখন বলৱৎ হোৱাৰ আগত যিবিলাক চুক্তি সম্পূৰ্ণ কৰা হৈছে কিন্তু যোগানসমূহ আইন বলৱৎ হোৱাৰ পিছত কৰা হৈছে, তেনেক্ষেত্ৰত আইনখন প্ৰযোজ্য হ'ব নে নহ'ব।"*

৪৮. কেৱল সুদৰ বাবে কৰা গোচৰৰ বাহালযোগ্যতাৰ ওপৰত উঠা প্ৰশ্নৰ উত্তৰত এই বিচাৰপীঠে ৰায় দিয়ে যে এই আইনখন বলৱৎ হোৱাৰ পিছৰ পৰাহে যোগানকাৰীয়ে ক্ৰেতাজনৰ পৰা উচ্চ হাৰত সুদ বিচাৰি গোচৰ তৰিব পাৰিব যদিহে ক্ৰেতাজনে পলমকৈ কৰা ধন পৰিশোধ কৰে। এই বিচাৰপীঠখনে কয় যে ১৯৯৩ চনৰ আইনখন নিৰ্ধাৰক বা অধিকাৰমূলক হোৱাৰ বাবে আইনখনে প্ৰত্যাশিতভাৱে কাৰ্য্য কৰিব। দফা ৫১ত এইধৰণে কোৱা হৈছেঃ-

> *"৫১. এইক্ষেত্ৰত কোনো সন্দেহ নাই যে আইনখন নিৰ্ধাৰক বা অধিকাৰমূলক, কাৰণ ধন পৰিশোধত বিলম্ব হ'লে যোগানকাৰীজনে পাব লগা ধন পৰিশোধৰ বাবদ জমা হোৱা উচ্চ হাৰৰ সুদ পোৱাৰ অধিকাৰ থাকে যোগানকাৰীজনৰ আৰু ইয়াৰ আনুষঙ্গিক দায়িত্বটো জাপি দিয়া হয় ক্ৰেতাজনৰ ওপৰত। এই আদালতে বাৰম্বাৰ মত পোষণ কৰিছে যে নিৰ্দ্ধাৰক বা অধিকাৰমূলক আইনখনে সম্ভাব্যমূলকভাৱে কাম কৰিব যদিহে তাত স্পষ্টকৈ কোনো বিধান বা সংবিধি নাই যে আইনখন পূৰ্বকালীনভাৱেও কাৰ্যকৰী হ'ব। কেৱল কাৰ্যপ্ৰণালী সম্বন্ধীয় বা*

পৰৱৰ্তী পৃষ্ঠাত

*ব্যাখ্যামূলক আইন পূৰ্বকালীনভাৱে কাৰ্যকৰী হয় কাৰণ ইয়াৰ কাৰ্যপদ্ধতিত ন্যস্ত অধিকাৰ নাথাকে।"*

৪৯. আদালতে আৰু কৈছে যে ১৯৯৩ আইনখন কেৱল সেইসমূহ বিক্ৰীচুক্তিৰ ওপৰত প্ৰযোজ্য হ'ব যিবিলাক আইনখন বলবৎ হোৱাৰ পিছত কৰা হৈছে, তাৰ আগত নহয়। দফা ৫২ত এনেদৰে কোৱা হৈছে –

> *"৫২ আইনখন পূৰ্বকালীনভাৱে বলবৎ হোৱাৰ কোনো প্ৰকাশ্য বিধিগত উদ্দেশ্যৰ অবিহনে আৰু কেৱল এই সত্যটোৰ ওপৰতে ভিত্তি কৰি যে আইনখনে ক্ৰেতাজনৰ ওপৰত উচ্চ হাৰত সুদ পৰিশোধ কৰাৰ নতুন দায়িত্ব এটা জাপি দিয়ে, এইটো বুজিব নোৱাৰি যে আইনখন পূৰ্বকালীনভাৱে প্ৰযোজ্য। যিহেতু আইনখনে ধাৰণা কৰিছে যে এই আইনখনৰ অধীনত যোগানকাৰীজনৰ এই অধিকাৰ উৎপন্ন হয় উচ্চ হাৰত সুদ দাবী কৰাৰ বাবদ, কিন্তু এই দাবীটো সেইবিলাক বিক্ৰী চুক্তিৰ ক্ষেত্ৰতহে প্ৰযোজ্য হয় যিবিলাক এই আইনখন বলবৎ হোৱাৰ পিছত অৰ্থাৎ ২৩-০৯-১৯৯২ৰ পিছত কৰা হৈছে; তাৰ অলপো আগত নহয়।"*

৫০. যোগানকাৰীৰ পক্ষে থকা অধিবক্তাজনৰ যুক্তি যে অত্ৰ আদালতে পূৰ্বতে দিয়া অসম ক্ষুদ্ৰ উদ্যোগ আৰু শক্তি টিউবচ্ ৰায় দুটাৰ বিবেচনাৰ প্ৰয়োজন আছে, এই যুক্তিটো বিচাৰপীঠখনে প্ৰকাশ্যভাৱে নাকচ কৰিছে। গোচৰৰ সীমাবদ্ধতাৰ প্ৰত কোনো চূড়ান্ত সিদ্ধান্ত প্ৰকাশ কৰা হোৱা নাই। অৱশেষত বিচাৰপীঠখনে আপীলসমূহ খাৰিজ কৰে।

<u>বিচাৰ বিষয় নং ১</u>

৫১. অসম ক্ষুদ্ৰ উদ্যোগ আৰু শক্তি টিউবচ্ ক্ষেত্ৰত দিয়া ৰায়দানৰ ওপৰত ভিত্তি কৰি অত্ৰ আদালতে দিয়া পূৰ্বাঞ্চল কেবল্চ্ এণ্ড কণ্ডাক্টৰ্চ প্ৰাইভেট লিমিটেডৰ ৰায়ত এই বুলি মত পোষণ কৰিছে যে যিবিলাক চুক্তি এই আইনখন বলবৎ হোৱাৰ আগত কৰা হৈছিল সেইবোৰৰ ক্ষেত্ৰত ১৯৯৩ চনৰ আইনখন প্ৰযোজ্য নহ'ব আৰু যি চুক্তি এই আইনখন বলবৎ হোৱাৰ পিছত কৰা হৈছে সেই চুক্তিসমূহৰ ক্ষেত্ৰতহে এই আইনখন প্ৰযোজ্য হোৱাটো বিচাৰিব পৰা যাব। যদিও অসম ক্ষুদ্ৰ উদ্যোগ আৰু শক্তি টিউবচ্ ক্ষেত্ৰত দিয়া গোচৰ দুটাৰ ৰায়দানৰ পুণৰবিবেচনা কৰোৱাৰ বাবে পূৰ্বাঞ্চল কেবলচ্ গোচৰটোত চেষ্টা কৰা হৈছিল, পূৰ্বাঞ্চল কেবল্চৰ গোচৰটো লোৱা সমকক্ষ

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

বিচাৰপীঠখনে পুণৰ বিবেচনা কৰাৰ অনুমতি দিবলৈ অস্বীকাৰ কৰিলে। এই গোচৰটো বৰ্তমান এই তিনিজনীয়া বিচাৰপীঠলৈ প্ৰেৰণ কৰা হৈছে আৰু আমি এই কথাটো বিবেচনা কৰিব লাগিব লগতে ১৯৯৩ চনৰ আইনখনৰ উপৰোক্ত অৰ্থ ভাঙনিটো বিধানমতে কৰা যোজনাৰ লগত মিল আছেনে নাই তাৰ উত্তৰ দিব লাগিব।

৫২. আমি লক্ষ্য কৰিছোঁ যে এই আইনখনৰ অধীনত বস্তু যোগান ধৰা বা সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰতহে দায়িত্ব প্ৰয়োগৰ বিধান আছে। যদিহে বস্তু যোগান ধৰা আৰু সেৱা আগবঢ়োৱা কাৰ্যটো এই আইনখন বলবৎ হোৱাৰ পিছত সম্পন্ন হয়, আৰু উক্ত বস্তুৰ যোগান ধৰিবলৈ সম্পন্ন কৰা চুক্তি যদি আগত হৈছিল, সেইটো কাৰণতে পলমকৈ ধন পৰিশোধ কৰাৰ বাবে সুদ পৰিশোধ কৰাৰ যি দায়িত্ব আহে, সেইটো নুই কৰিব পাৰি নেকি? বিধিগত যোজনাত যিহেতু স্পষ্টভাৱে বা প্ৰকাৰান্তৰে কোনো উল্লেখ নাই যে এখন চুক্তিত সোমাৱা কাৰ্যটোয়েহে দায়িত্ব জাপি দিয়ে, তেতিয়া চুক্তিত সোমোৱাৰ তাৰিখটো দায়বদ্ধতা জাপি দিব পৰা তাৰিখ বুলি ধৰিলে ই বিধিগত যোজনা অনুযায়ী নহ'ব। এটা উদাহৰণ দি এই কথাটো বুজাই দিব পাৰি। দুটা ক্ষুদ্ৰ উদ্যোগে বস্তু যোগান ধৰাৰ বাবে যোগান ফৰমাইচ পাইছিল। 'ক'য়ে তেনে ফৰমাইচ বা আদেশ এই আইনখন বলবৎ হোৱা আগত পাইছিল আৰু 'খ'য়ে তেনে ফৰমাইচ আইনখন বলবৎ হোৱাৰ পিছত পাইছিল। দুয়োজনেই আইনখন বলবৎ হোৱাৰ পিছত বস্তু যোগান ধৰে আৰু সেইমতে যোগান দিয়া বস্তুৰ বাবদ সেই তাৰিখত বা তাৰে আগত ক্ৰেতা আৰু যোগানকাৰীয়ে ঠিক কৰা তাৰিখত বা নিয়োজিত দিনৰ আগত ধন আদায় পোৱাৰ যোগ্যতা অৰ্জন কৰে। ধাৰা ৩ ৰ প্ৰয়োজন সাপেক্ষে 'ক' আৰু 'খ'ক ধন পৰিশোধ কৰা নহ'ল। যিজন কিনোতা বা ক্ৰেতাই যোগানকাৰী 'ক'ৰ পৰা বস্তু যোগান পাইছে, সেই কিনোতাজনে ধাৰা ৩ ত সংলগ্ন থকা ধাৰা ৪ ৰ মতে থকা সুদ পৰিশোধ কৰিবলগীয়া দায়িত্বটোৰ পৰা সাৰি যাব নেকি? উত্তৰটো হ'ব 'নাযায়'। দুজন যোগানকাৰী যি দুজনে আইনখন বলৱৎ হোৱাৰ পিছত বস্তু যোগান ধৰিছে আৰু আইনখন বলৱৎ হোৱাৰ পিছত ধন আদায় পোৱাৰ যোগ্যতা অৰ্জন কৰিছে, সেইক্ষেত্ৰত এজন যোগানকাৰীক তেওঁৰ ক্ষেত্ৰত চুক্তিখন এই আইনখন বলৱৎ হোৱাৰ আগত কৰা হৈছিল বুলি অজুহাত দেখুৱাই বিধিগত ৰক্ষণাবেক্ষণ লাভৰ পৰা বঞ্চিত কৰিব নোৱাৰি । দায়িত্ব জাপি দিয়াৰ বাবে চুক্তিত সোমোৱা তাৰিখটো প্ৰধান কাৰণ বুলি উল্লেখ নাথাকিলে যিকোনো ন্যায়িক ব্যাখ্যাত উক্ত তাৰিখটো দায়িত্ব জাপি দিয়াৰ বাবে প্ৰয়োজনীয় তাৰিখ

পৰৱৰ্তী পৃষ্ঠাত

বুলি ব্যৱহাৰ কৰিব পৰা নাযাব। ১৯৯৩ চনৰ আইনখন এখন হিত সাধনকাৰী আইন আৰু এই আইনখন ক্ষুদ্ৰ উদ্যোগসমূহক ৰক্ষণাবেক্ষণ দিয়া, বাকী থকা ধনৰ ওপৰত সুদ পৰিশোধ কৰাৰ বাধ্যতামূলক ব্যৱস্থা কৰি বিধিগতভাৱে নিশ্চিতি প্ৰদান কৰাৰ উদ্দেশ্যে বিধিবদ্ধ কৰা হৈছে। সেইক্ষেত্ৰত পৰিষদৰ অধিবক্তাজনে চুক্তিত সোমোৱা তাৰিখটো আইনখন বলৱৎ হোৱাৰ পিছত হ'ব লাগিব বুলি আগবঢ়োৱা ব্যাখ্যাটো যদি আমি গ্ৰহণ কৰো, তেতিয়া এই আইনখনৰ যি হিতসাধনকাৰী ৰক্ষণাবেক্ষণৰ ব্যৱস্থা আছে, সেয়া সম্পূৰ্ণৰূপে ব্যৰ্থ হ'ব। বিধিগত দায়িত্বৰ অস্তিত্ব নিৰ্ভৰ কৰে ১৯৯৩ চনৰ আইনখন ধাৰা ৩ আৰু ৪ত অন্তৰ্ভুক্ত থকা বিধিগত উপাদানসমূহত। ধাৰা ৩ মতে ধন পৰিশোধ কৰাৰ দায়িত্বৰ বাবে উপাদান হৈছে যোগানকাৰীয়ে ক্ৰেতাজনক যিকোনো বস্তুৰ যোগান ধৰা বা সেৱা আগবঢ়োৱাটো, গতিকে দুয়োপক্ষই যোগানৰ চুক্তিখন ১৯৯৩ আইনখন বলৱৎ হোৱাৰ আগত সম্পাদন কৰাৰ ভিত্তিতে ক্ৰেতাজনৰ দায়িত্বটো নুই কৰিব নোৱাৰি। যোগানৰ চুক্তিখন আইন বলৱৎ হোৱাৰ পিছত কৰিলেহে কিনোতাজনৰ ধন পৰিশোধ কৰাৰ দায়িত্ব উদ্ভৱ হয় বুলি যদি মত প্ৰকাশ কৰা হয়, আৰু যদি যোগানৰ চুক্তিখন আইন বলৱৎ হোৱাৰ পিছত কৰা হৈছে, তেতিয়া ই কেৱল ধাৰা ৩ ত কিছু কথা যোগ কৰিব যিটো বিধিগত গঠনৰীতি মতে গ্ৰহণযোগ্য নহ'ব। গতিকে, আমাৰ মতামতত পূৰ্বাঞ্চল কেবল্চ এণ্ড কণ্ডাক্টৰ্চ (একে উৎস), অসম ক্ষুদ্ৰ উদ্যোগ আৰু শক্তি ট্যুবছত দিয়া ৰায়টোত কোৱা হৈছে যে ১৯৯৩ চনৰ আইনখন প্ৰযোজ্য হ'ব যদিহে বিক্ৰী চুক্তি আইনখন বলৱৎ হোৱাৰ আগত বা পিছত কৰা হৈছিল তেনেহ'লে ই আইনখন শুদ্ধভাৱে উপস্থাপন কৰিব পৰা নাই। আমি আপীলকাৰী অধিবক্তাজনে আগবঢ়োৱা যুক্তি যদিও বিক্ৰীৰ চুক্তি আইনখন বলৱৎ হোৱাৰ আগত কৰা হৈছিল, ধাৰা ৩ৰ মতে ধন পৰিশোধ কৰাৰ দায়িত্ব আৰু ধাৰা ৪ মতে সুদ পৰিশোধ কৰাৰ দায়িত্ব উৎপন্ন হ'ব যদি যোগানকাৰ্য্য আইনখন বলৱৎ হোৱাৰ পিছত সম্পন্ন কৰা হৈছে এই যুক্তিটো আমি গ্ৰহণ কৰিছোঁ।

<u>বিচাৰ বিষয় নং ২</u>

৫৩. ওপৰত উল্লেখ কৰা, অত্ৰ আদালতৰ গোটেই কেইটা ৰায়দানত, এইটো কোৱা হৈছে যে ১৯৯৩ চনৰ আইনখন পূৰ্বকালীনভাৱে প্ৰযোজ্য নহয়। কোনো এটা পক্ষয়ো আমাৰ ওচৰত এইবুলি বিৰোধ কৰা নাই যে ১৯৯৩ চনৰ আইনখন পূৰ্বকালীনভাৱে প্ৰযোজ্য। ওপৰত লক্ষ্য কৰা ধৰণে,

এই আদালতৰ ৰায়সমূহত শুদ্ধভাৱে মত পোষণ কৰা হৈছে যে ১৯৯৩ চনৰ আইনখন পূৰ্বকালীনভাৱে প্ৰযোজ্য নহয়।

৫৪. ন্যায়াধীশ গৌড়াৰ ৩১.০৮.২০১৬ত দিয়া মতামতত তেওঁ কৈছে যে আইনখন যদিও পূৰ্বকালীনভাৱে প্ৰযোজ্য নহয়, কিন্তু আইনখন পূৰ্বব্যাপী (retroactive)। পূৰ্বব্যাপী শব্দটো ব্লেকৰ ল' ডিক্সনেৰীত তলত দিয়া ধৰণে সংজ্ঞাবদ্ধ কৰা হৈছেঃ-

> "পূৰ্বব্যাপী, পূৰ্বকালীনভাৱে কাৰ্য্যকৰী (retroactive) (বিশেষণ) (১৭ চি) (বিধান, আইন বা নিয়মাৱলী ইত্যাদিৰ ক্ষেত্ৰত) অতীতত হৈ যোৱা ঘটনা বা কাৰ্য লৈ স্থল, সুযোগ বা ফল, পৰিণাম প্ৰদান কৰা বা বিস্তাৰিত কৰা বুজায়। পূৰ্বকালীনভাৱে প্ৰযোজ্য বুলিও কোৱা হয়। চাওঁক– সম্ভাব্য, ভৱিষ্যত সম্বন্ধীয় (prospective)(১)- পূৰ্ব সক্ৰিয়, (retroact) ক্ৰিয়া।"

৫৫. অত্ৰ আদালতৰ খণ্ড বিচাৰপীঠে ষ্টেট বেংকছ ষ্টাফ ইউনিয়ন (মাদ্ৰাছ চাৰ্ক'ল) -বনাম- ইউনিয়ন অব্ ইণ্ডিয়া এণ্ড আদাৰ্ছ (২০০৫) ৭ এছ.চি.চি. ৫৮৪ গোচৰটোত পূৰ্বব্যাপী বা পূৰ্বকালীনভাৱে কাৰ্য্যকৰী আৰু পূৰ্বকালীনভাৱে প্ৰযোজ্য শব্দ দুটাৰ ধাৰণাটো পৰীক্ষা কৰাৰ সুযোগ পোৱা গৈছিল। ৰায়টোৰ দফা ২০ আৰু দফা ২১ত এইধৰণে কোৱা হৈছেঃ-

> ২০. জুডিছিয়েল ডিক্সনেৰী (১৩নং সংস্কৰণ) কে.জে.আয়াৰ, বাটাৰয়ৰ্থ, পৃষ্ঠা ৮৫৭ ত কোৱা হৈছে যে যেতিয়া 'পূৰ্বকালীভাৱে প্ৰযোজ্য' শব্দটো আইন, বিধান বা অধিনিয়মৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়, তেতিয়া তাৰে অৰ্থ এনেধৰণৰ হয় (ক) এটা চলিত চুক্তি প্ৰভাৱিত কৰা; বা (খ) এটা অতীতৰ, বন্ধ হৈ যোৱা আৰু সম্পূৰ্ণ হৈ যোৱা লেনদেন পুনৰ মুকলি কৰা; বা (গ) উৎপন্ন হোৱা অধিকাৰ আৰু প্ৰতিকাৰসমূহক প্ৰভাৱিত কৰা; বা (ঘ) কাৰ্য্যপ্ৰণালীক প্ৰভাৱিত কৰা। শব্দ আৰু খণ্ডবাক্য, স্থায়ী সংস্কৰণ, খণ্ড ৩৭-ক, পৃষ্ঠা ২২৪-২৫, ত 'পূৰ্বকালীনভাৱে প্ৰযোজ্য আৰু পূৰ্বব্যাপী আইন'ক এনেকৈ সংজ্ঞাবদ্ধ কৰিছে যে যিয়ে প্ৰচলিত আইনৰ অধীনত পোৱা বা ন্যস্ত হোৱা অধিকাৰসমূহ কাঢ়ি নিয়ে বা হ্ৰাস কৰে। পূৰ্বব্যাপী আইনে প্ৰচলিত আইনৰ অধীনত পোৱা অধিকাৰসমূহ কাঢ়ি নিয়ে বা হ্ৰাস কৰে, বা

পৰৱৰ্তী পৃষ্ঠাত

অতীতত হোৱা লেনদেন বা বিবেচনাৰ বিষয়সমূহত এটা নতুন দায়বদ্ধতাৰ সৃষ্টি কৰে, এটা নতুন দায়িত্ব জাপি দিয়ে বা এটা নতুন অপাৰগতা সংলগ্ন কৰি দিয়ে ।

২১. পি. ৰামানাথ আয়াৰৰ এডভান্স ল' লেক্সিকন (তৃতীয় সংস্কৰণ, ২০০৫)ত 'পূৰ্বকাল কাৰ্য্যকৰী বা বিগত ঘটনা বা কাৰ্য্যকো সামৰি লোৱা' (retroactive) আৰু 'পূৰ্বকালীনভাৱে প্ৰযোজ্য বা অতীতৰ প্ৰতি দৃষ্টিপাতমূলক' (retrospective) শব্দ দুটি তলত দিয়া ধৰণে সংজ্ঞা দিয়া আছে (পৃষ্ঠা ৪১২৪ খণ্ড ৪)।

'পূৰ্বকাল কাৰ্যকৰী বা বিগত ঘটনাকো সামৰি লোৱা' (retroactive) অতীতত কাৰ্য্যকৰী হোৱা, পূৰ্বকালীনভাৱে কাৰ্য্যকৰী (বিধান, আইন বা নিয়মাৱলী ইত্যাদিৰ ক্ষেত্ৰত) অতীতত হৈ যোৱা ঘটনা বা কাৰ্য্যলৈ স্থল, সুযোগ বা ফল, পৰিণাম প্ৰদান কৰা বা বিস্তাৰিত কৰা– পূৰ্বকালীনভাৱে প্ৰযোজ্য (retrospective) বুলিও কোৱা যায় (ব্লেক, সপ্তম সংস্কৰণ, ১৯৯৯)।

'পূৰ্বকালীনভাৱে কাৰ্য্যকৰিতা (retroactivity) অধিবক্তাসকলে সঘনে ব্যৱহাৰ কৰা এটা শব্দ কিন্তু এই শব্দটোৰ সংজ্ঞা কাচিৎহে পোৱা যায়। বিশেষণ কৰি এইটো স্পষ্ট হৈছে, তাৰোপৰি এইটো বুজি পোৱা গৈছে যে এই শব্দটোৱে খুব কমেও দুটা পৃথক কিন্তু স্পষ্ট ধাৰণাক সামৰি লৈছে। প্ৰথমটো হৈছে 'আচল অৰ্থত পূৰ্ণ অৰ্থত পূৰ্বকালীনভাৱে কাৰ্য্যকৰী বা বিগত ঘটনাক সামৰি লোৱা (true retroactivity) যিটোৰ ধাৰণা অনুসৰি নিয়ম প্ৰৱৰ্তন হোৱাৰ আগত সম্পাদনা কৰা লেনদেন বা কাৰ্য্যৰ ক্ষেত্ৰত নতুন নিয়ম প্ৰয়োগ হোৱা। দ্বিতীয় ধাৰণাটো 'অৰ্ধভাৱে বিগত ঘটনাক সামৰি লোৱা বা অৰ্ধভাৱে পূৰ্বকাল কাৰ্য্যকৰী হোৱা' (quasi-retroactivity) – সম্পূৰ্ণ হোৱাৰ পথত থকা লেনদেন বা কাৰ্যটোৰ ক্ষেত্ৰত যেতিয়া এটা নতুন নিয়ম প্ৰয়োগ কৰা হয় তেতিয়া এই ধাৰণাটো প্ৰয়োগ কৰা হয়। এই ধাৰণাসমূহৰ গুৰিত হৈছে সম্পূৰ্ণ আৰু অসম্পূৰ্ণ লেনদেনৰ মাজত থকা পাৰ্থক্য আৰু বৈশিষ্ট্য।....

(টি. চি. হাৰ্টলে, দ্য ফাউণ্ডেশ্যন অৱ ইউৰ'পিয়েন কমিউনিটি ল' ১২৯, ১৯৮১)

পৰৱৰ্তী পৃষ্ঠাত

ধাৰা ৩ ত আৱশ্যক হোৱা মতে ‘ক’ আৰু ‘খ’ক ধন পৰিশোধ কৰা নহ’ল। যিজন কিনোতা বা ক্ৰেতাই যোগানকাৰী ‘ক’ৰ পৰা বস্তু যোগান পাইছে, সেই কিনোতাজনে ধাৰা ৩ সংলগ্ন ধাৰা ৪ ৰ মতে থকা সুদ পৰিশোধ কৰিবলগীয়া দায়িত্বটোৰ পৰা সাৰি যাব নেকি? উত্তৰটো হ’ব ‘নাযায়’। দুজন যোগানকাৰী যি দুজনে আইনখন বলৱৎ হোৱাৰ পিছত বস্তু যোগান ধৰিছে আৰু ধন আদায় পোৱাৰ যোগ্যতা অৰ্জন কৰিছে আইনখন বলৱৎ হোৱাৰ পিছত, সেইক্ষেত্ৰত এজন যোগানকাৰীক বিধিগত ৰক্ষণাবেক্ষণ লাভৰ পৰা এইটো অজুহাতত বঞ্চিত কৰিব নোৱাৰি যে তেওঁৰ ক্ষেত্ৰত চুক্তিখন এই আইনখন বলৱৎ হোৱাৰ আগত কৰা হৈছিল। যেতিয়া এইটো উল্লেখ নাই যে দায়িত্ব জাপি দিয়াৰ বাবে চুক্তিত সোমোৱা তাৰিখটো প্ৰধান কাৰণ হয়, তেতিয়া যিকোনো ন্যায়িক ব্যাখ্যাত উক্ত তাৰিখটো দায়িত্ব জাপি দিয়াৰ বাবে প্ৰয়োজনীয় তাৰিখ বুলি ব্যৱহাৰ কৰিব পৰা নাযাব। ১৯৯৩ চনৰ আইনখন এখন উপকাৰী আইন হয় আৰু এই আইনখন সম্পাদনা কৰা হৈছে ক্ষুদ্ৰ উদ্যোগসমূহক ৰক্ষণাবেক্ষণ দিয়া, বাকী থকা ধনৰ ওপৰত সুদ পৰিশোধ কৰাৰ বাধ্যতামূলক ব্যৱস্থা কৰি বিধিগতভাৱে নিশ্চিত কৰিছে, সেইক্ষেত্ৰত পৰিষদৰ অধিবক্তাজনে আগবঢ়োৱা, ব্যাখ্যাটো যে চুক্তিত সোমোৱা তাৰিখটো আইনখন বলৱৎ হোৱাৰ পিছত হ’ব লাগিব, যদি আমি গ্ৰহণ কৰো, তেতিয়া এই আইনখনৰ যি লাভদায়ক ৰক্ষণাবেক্ষণৰ ব্যৱস্থা আছে, সেয়া সম্পূৰ্ণৰূপে ব্যৰ্থ হ’ব। বিধিগত দায়িত্বৰ অস্তিত্ব নিৰ্ভৰ কৰে ১৯৯৩ চনৰ আইনখন ধাৰা ৩ আৰু ৪ত অন্তৰ্ভুক্ত থকা বিধিগত উপাদানসমূহত। যিহেতু ধাৰা ৩ মতে ধন পৰিশোধ কৰাৰ দায়িত্বৰ বাবে উপাদান হৈছে যোগানকাৰীয়ে ক্ৰেতাজনক যিকোনো বস্তুৰ যোগান ধৰা বা সেৱা আগবঢ়োৱাটো, ইয়াত ক্ৰেতাজনক দায়িত্বটো এইটো কাৰণত নুই কৰিব নোৱাৰি যে দুয়োপক্ষই যোগানৰ চুক্তিটোত ১৯৯৩ আইনখন বলৱৎ হোৱাৰ আগত সোমাইছিল। যদি এনেকৈ মত দিয়া হয় যে কিনোতাজনৰ ধন পৰিশোধ কৰাৰ দায়িত্ব তেতিয়াহে উদ্ভৱ হয়, যেতিয়া যোগানৰ চুক্তিখন আইন বলৱৎ হোৱাৰ পিছত কৰা হৈছে, তেতিয়া ই কেৱল ধাৰা ৩ ত কিছু

পৰৱৰ্তী পৃষ্ঠাত

কথা যোগ কৰিব যিটো বিধিগত গঠনৰীতি মতে গ্ৰহণযোগ্য নহ'ব। সেইগতিকে, আমাৰ মতামতত পূৰ্বাঞ্চল কেবল্ছ এণ্ড কণ্ডাক্টৰ্ছ (একে উৎস), অসম ক্ষুদ্ৰ উদ্যোগ আৰু শক্তি ট্যুবছত দিয়া ৰায়টো কোৱা হৈছে যে ১৯৯৩ চনৰ আইনখন তেতিয়া প্ৰযোজ্য হ'ব যদিহে বিক্ৰী চুক্তি কৰা হৈছিল আইনখন বলৱৎ হোৱাৰ আগত। পিছত, তেনেহ'লে ই আইনখন শুদ্ধকৈ উপস্থাপন কৰিব পৰা নাই। আমি আপীলকাৰী অধিবক্তাজনৰ যুক্তি যে যদিও বিক্ৰীৰ চুক্তি আইনখন বলৱৎ হোৱাৰ আগত কৰা হৈছিল, ধাৰা ৩ৰ মতে ধন পৰিশোধ কৰাৰ দায়িত্ব আৰু ধাৰা ৪ মতে সুদ পৰিশোধ কৰাৰ দায়িত্ব উৎপন্ন হ'ব যদি যোগানকাৰ্য্য আইনখন বলৱৎ হোৱাৰ পিছত সম্পন্ন কৰা হৈছে- এই যুক্তিটো আমি গ্ৰহণ কৰিছো।

<u>বিচাৰ বিষয় নং ২</u>

৫৩. ওপৰত উল্লেখ কৰা, অত্ৰ আদালতৰ গোটেই কেইটা ৰায়দানত, এইটো কোৱা হৈছে যে ১৯৯৩ চনৰ আইনখন পূৰ্বকালীনভাৱে প্ৰযোজ্য নহয়। কোনো পক্ষয়ো আমাৰ ওচৰত এইবুলিও বিৰোধ কৰা নাই যে ১৯৯৩ চনৰ আইনখন পূৰ্বকালীনভাৱে প্ৰযোজ্য। ওপৰত লক্ষ্য কৰা ধৰণে, এই আদালতৰ ৰায়সমূহত শুদ্ধকৈ মত পোষণ কৰা হৈছে যে ১৯৯৩ চনৰ আইনখন পূৰ্বকালীনভাৱে প্ৰযোজ্য নহয়।

৫৪. ন্যায়াধীশ গৌড়াৰ ৩১.০৮.২০১৬ত দিয়া মতামতত তেওঁ কৈছে যে আইনখন যদিও পূৰ্বকালীনভাৱে প্ৰযোজ্য নহয়, কিন্তু আইনখন পূৰ্বব্যাপী হয়। পূৰ্বব্যাপী শব্দটো ব্লেকৰ ল' ডিক্সনেৰীত তলত দিয়া ধৰণে সংজ্ঞাবদ্ধ কৰা হৈছেঃ-

> "পূৰ্বব্যাপী, পূৰ্বকালীনভাৱে কাৰ্য্যকৰী (retroactive) বিশেষণ (১৭ চি) (বিধান, আইন বা নিয়মাৱলী ইত্যাদিৰ ক্ষেত্ৰত) অতীতত হৈ যোৱা ঘটনা বা কাৰ্য লৈ স্থল, সুযোগ বা ফল, পৰিণাম প্ৰদান কৰা বা বিস্তাৰিত কৰা বুজায়। পূৰ্বকালীনভাৱে প্ৰযোজ্য বুলিও কোৱা হয়। চাওঁক- সম্ভাব্য, ভৱিষ্যত সম্বন্ধীয় (প্ৰস্পেক্টিভ)(১)-পূৰ্ব সক্ৰিয়, ক্ৰিয়া।"

৫৫. অত্ৰ আদালতৰ খণ্ড বিচাৰপীঠে ষ্টেট বেংকছ ষ্টাফ ইউনিয়ন (মাদ্ৰাছ চাৰ্ক'ল) -বনাম- ইউনিয়ন অৱ্ ইণ্ডিয়া এণ্ড আদাৰ্ছ (২০০৫) ৭ এছ.চি.চি. ৫৮৪ গোচৰটোত পূৰ্বব্যাপী বা

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

পূৰ্বকালীনভাৱে কাৰ্য্যকৰী আৰু পূৰ্বকালীনভাৱে প্ৰযোজ্য শব্দ দুটাৰ ধাৰণাটো পৰীক্ষা কৰাৰ সুযোগ পাইছিল। ৰায়টোৰ দফা ২০ আৰু দফা ২১ত এইধৰণে কোৱা হৈছেঃ-

> "২০. জুডিছিয়েল ডিক্সনেৰী (১৩নং সংস্কৰণ) কে.জে.আয়াৰ, বাটাৰৱৰ্থ, পৃষ্ঠা ৮৫৭ ত কোৱা হৈছে যে যেতিয়া 'পূৰ্বকালীভাৱে প্ৰযোজ্য' শব্দটো আইন, বিধান বা অধিনিয়মৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়, তেতিয়া তাৰে অৰ্থ এনেধৰণৰ হয় (ক) এটা চলিত চুক্তি প্ৰভাৱিত কৰা; বা (খ) এটা অতীতৰ, বন্ধ হৈ যোৱা আৰু সম্পূৰ্ণ হৈ যোৱা লেনদেনৰ পুনৰ মুকলিকৰণ; বা (গ) উৎপন্ন হোৱা অধিকাৰ আৰু প্ৰতিকাৰসমূহক প্ৰভাৱিত কৰা; বা (ঘ) কাৰ্য্যপ্ৰণালীক প্ৰভাৱিত কৰা। শব্দ আৰু খণ্ডবাক্য, স্থায়ী সংস্কৰণ, খণ্ড ৩৭-ক, পৃষ্ঠা ২২৪-২৫, ত 'পূৰ্বকালীনভাৱে প্ৰযোজ্য আৰু পূৰ্বব্যাপী আইন'ক এনেকৈ সংজ্ঞাবদ্ধ কৰিছে যে যিয়ে প্ৰচলিত আইনৰ অধীনত পোৱা বা ন্যস্ত হোৱা অধিকাৰসমূহ লৈ যায় বা হানি কৰে। পূৰ্বব্যাপী আইনে প্ৰচলিত আইনৰ অধীনত পোৱা অধিকাৰসমূহ লৈ যায় বা হানি (হ্ৰাস) কৰে, বা এটা নতুন দায়বদ্ধতাৰ সৃষ্টি কৰে, এটা নতুন দায়িত্ব জাপি দিয়ে, বা এটা নতুন অপৰাগতা সংলগ্ন কৰি দিয়ে অতীতত হোৱা লেনদেন বা বিবেচনাৰ বিষয়সমূহত।
>
> ২১. পি. ৰামানাথ আয়াৰৰ এডভান্স ল' লেক্সিকন (তৃতীয় সংস্কৰণ, ২০০৫)ত 'পূৰ্বকাল কাৰ্য্যকৰী বা বিগত ঘটনা বা কাৰ্য্যকো সামৰি লোৱা' (retroactive) আৰু 'পূৰ্বকালীনভাৱে প্ৰযোজ্য বা অতীতৰ প্ৰতি দৃষ্টিপাতমূলক' (retrospective) অতীতত কাৰ্য্যকৰী হোৱা, পূৰ্বকালীনভাৱে কাৰ্য্যকৰী (বিধান, আইন বা নিয়মাৱলী ইত্যাদিৰ ক্ষেত্ৰত) অতীতত হৈ যোৱা ঘটনা বা কাৰ্য্যলৈ স্থল, সুযোগ বা ফল, পৰিণাম প্ৰদান কৰা বা বিস্তাৰিত কৰা- পূৰ্বকালীনভাৱে প্ৰযোজ্য (retrospective) বুলিও কোৱা যায় (ব্লেক, সপ্তম সংস্কৰণ, ১৯৯৯)।
>
> 'পূৰ্বকালীনভাৱে কাৰ্য্যকৰিতা (retroactivity) এটা এনেকুৱা শব্দ যিটো অধিবক্তাসকলে সাধাৰণতে ব্যৱহাৰ কৰে কিন্তু তাৰ সংজ্ঞা কাচিৎহে দিবলৈ চেষ্টা কৰে। বিশেষণ কৰি এইটো স্পষ্ট হৈছে, তাৰোপৰি এইটো বুজি পোৱা গৈছে যে এই শব্দটোৱে খুব কমেও দুটা পৃথক ধাৰণাত সামৰি লৈছে। প্ৰথমটো হৈছে 'আচল

পৰৱৰ্তী পৃষ্ঠাত

অৰ্থত পূৰ্ণ অৰ্থত পূৰ্বকালীনভাৱে কাৰ্য্যকৰী বা বিগত ঘটনাক সামৰি লোৱা (true retroactivity) যিটো সৃষ্ট হৈছে নিয়ম প্ৰৱৰ্তন হোৱাৰ আগত সম্পাদনা কৰা লেনদেন বা কাৰ্যৰ ক্ষেত্ৰত নতুন নিয়ম প্ৰয়োগ হোৱা। দ্বিতীয় ধাৰণাটো 'অৰ্ধভাৱে বিগত ঘটনাক সামৰি লোৱা বা অৰ্ধভাৱে পূৰ্বকাল কাৰ্য্যকৰী হোৱা' (quasi-retroactivity) তেতিয়া উল্লেখ কৰিব পাৰি যেতিয়া এটা নতুন নিয়ম প্ৰয়োগ কৰা হয় সেই কাৰ্য্যটোত বা লেনদেনটো যিটো সম্পূৰ্ণ হোৱাৰ পথত... এই ধাৰণাসমূহৰ গুৰিত হৈছে সম্পূৰ্ণ আৰু অসম্পূৰ্ণ লেনদেনৰ মাজত থকা পাৰ্থক্য আৰু বৈশিষ্ট্য।....

(টি. চি. হাৰ্টলে, ডা ফাউণ্ডেশ্যন অৱ ইউৰ'পিয়েন..)

<u>সমূহীয়া আইন ১২৯ (১৯৮১)</u>

Retrospective

অতীতৰ প্ৰতি দৃষ্টিপাতমূলক অতীতলৈ ঘূৰি চোৱা, যিটো অতীত, তাৰ বিষয়ে চিন্তা কৰা।

অতীতৰ সময়ৰ পৰা ক্ৰিয়াকলাপ থকা। 'Retrospective' বা 'অতীতৰ প্ৰতি দৃষ্টিপাতমূলক' কথাটো কিছু পৰিমাণে দ্ব্যৰ্থ আৰু ইয়াত ভালেখিনি খেলি-মেলি হোৱাৰ কাৰণ হ'ল ইয়াক এটাতকৈ অধিক অৰ্থত ব্যৱহাৰ কৰা হৈছে। সাধাৰণতে, ন্যায়ালয়সমূহে 'Retrospective' বা 'অতীতৰ প্ৰতি দৃষ্টিপাতমূলক' বুলি সেইবোৰ সংবিধিক অভিহিত কৰিছে যিবোৰে, আৰম্ভ হোৱাৰ পূৰ্বেই অস্তিত্বলৈ অহা কোনো গোচৰ বা তথ্য পৰিচালিত কৰে এইটো অৰ্থত যে এইবোৰে যাতে কেৱলমাত্ৰ ভৱিষ্যতৰ বাবে হ'লেও আন অতীতৰ আচৰণ বা পূৰ্বৱৰ্তীভাৱে অন্তৰ্ভূক্ত লেন-দেনৰ ফলত উদ্ভৱ হোৱা চৰিত্ৰ আৰু পৰিণামবোৰৰ ওপৰত প্ৰভাৱ পেলায়। এইদৰে এখন সংবিধি মাত্ৰ এইকাৰণেই 'অতীতৰ প্ৰতি দৃষ্টিপাতমূলক' নহয় যে ই প্ৰচলিত অধিকাৰক প্ৰভাৱিত কৰে তথা এইকাৰণেও 'অতীতৰ প্ৰতি দৃষ্টিপাতমূলক' নহয় যে ইয়াৰ কাৰ্য্যকলাপৰ বাবে প্ৰয়োজনীয় উপাদানৰ অংশস্বৰূপে ইয়াৰ চলনৰ পূৰ্বৱৰ্তী ঘটনাৰ পৰা বা এক সময়ৰ পৰা সমল আহৰণ কৰা হয়।' (Vol. 44, Halsbury's Laws of England, Forth Edition, Page

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

570 Para 921) খণ্ড ৪৪, হেলছ্যুৰীৰ  ইংলেণ্ডৰ আইনসমূহ, চতুৰ্থ সংস্কৰণ, পৃষ্ঠা ৫৭০, দফা ৯২১)

৫৬. আগলৈ, জয় মহাকালী ৰোলিং মিলছ্ বনাম ভাৰত চৰকাৰ আৰু অন্যান্য, ২০০৭।২ SCC ১৯৮, গোচৰটোত বিগত ঘটনা বা কাৰ্য্যক সাঙুৰি বা অতীতৰ প্ৰতি প্ৰতিক্ৰিয়াশীল (Retroactive) আৰু অতীতৰ প্ৰতি দৃষ্টিপাতমূলক (Retrospective) ধাৰণাক ব্যাখ্যা কৰি, তলত দিয়া ধৰণে কোৱা হৈছে-

> "৮. 'Retrospective' বা 'অতীতৰ প্ৰতি দৃষ্টিপাতমূলক' মানে অতীতলৈ চোৱা অৰ্থাৎ আলোচিত সংবিধিখনৰ পূৰ্বে বৰ্তি থকা উপাদানসমূহৰ বা সংবিধি এখনৰ লগত সংগতি ৰাখি, যিটো অতীত হৈ গৈছে, তাৰ বিষয়ে চিন্তা কৰা। 'Retrospective law' বা অতীতৰ প্ৰতি দৃষ্টিপাতমূলক আইন মানে এনে এখন আইন যি অতীতলৈ চায় বা অতীত সম্পৰ্কে চিন্তা-চৰ্চা কৰে, এনে এখন আইন যি আইন, বলৱৎ হোৱাৰ পূৰ্বে ঘটা ঘটনা আৰু কাম-কাজ আৰু পূৰ্বে থকা অধিকাৰসমূহক প্ৰভাৱিত কৰাৰ উদ্দেশ্যে তৈয়াৰ কৰা হয়। অতীতৰ প্ৰতি প্ৰতিক্ৰিয়াশীল সংবিধিয়ে এনে এখন সংবিধিক বুজায়, যিয়ে বিবেচনাসমূহ আৰু লেন-দেনসমূহৰ ওপৰত এক নতুন দায়িত্বৰ সৃষ্টি কৰে আৰু ন্যস্ত অধিকাৰৰ ক্ষতিসাধন কৰে বা ধ্বংস কৰে।"

৫৭. সংবিধি এখনৰ প্ৰসংগত 'অতীতৰ প্ৰতি প্ৰতিক্ৰিয়াশীলতা' এই ধাৰণাটো নিয়ম এটা জাৰি কৰাৰ পূৰ্বেই সম্পন্ন কৰা এক আইন বা আদান-প্ৰদানৰ ওপৰত আইনৰ নতুন নিয়ম প্ৰয়োগ কৰাক লৈ গঠিত।

৫৮. বৰ্তমান গোচৰটোত ধাৰা ৩ (তিনি) আৰু ৪ (চাৰি)ৰ অধীনত ক্ৰয় কৰোঁতাৰ আদায় দিবলগীয়া ধন পৰিশোধ কৰাৰ প্ৰতি দায়বদ্ধতা আৰু লগতে ধন পৰিশোধ কাৰ্য্য আৰু সুত দেয় হোৱা দিন ১৯৯৩, আইনৰ আগতে সংঘটিত হোৱা কোনো ঘটনাৰ ওপৰত সম্পৰ্কিত নহয়, এইটো আনকি আমি কোৱাটো জৰুৰী নহয় যে ১৯৯৩, আইন সঞ্চালনৰ ক্ষেত্ৰত অতীতৰ প্ৰতি প্ৰতিক্ৰিয়াশীল (Retroactive)। ১৯৯৩ আইনখন স্পষ্টভাৱে সঞ্চালনৰ ক্ষেত্ৰত প্ৰত্যাশিত আৰু ইয়াক সঞ্চালনৰ ক্ষেত্ৰত অতীতৰ প্ৰতি প্ৰতিক্ৰিয়াশীল বুলি কোৱাটো দৰকাৰী নহয়। গতিকে আমি,

পৰৱৰ্তী পৃষ্ঠাত

মহামান্য ন্যায়াধীশসকলৰ এজনে ১৯৯৩, আইনখন 'অতীতৰ প্ৰতি প্ৰতিক্ৰিয়াশীল' বুলি ধাৰ্য্য কৰা ৩১.০৮.২০১৬ ইং তাৰিখৰ মতামতটোত সন্মত নহওঁ।

<u>ইছ্যু নং ৩</u>

আলোচনাৰ বিষয় ৩-

আপীলকাৰীয়ে ৰুজু কৰা ১৯৯৭ চনৰ ধন সংক্ৰান্তীয় ২১ নং মোকৰ্দমাটো সময়ৰ দ্বাৰা বাধাগ্ৰস্ত হৈছিল নেকি এই বিষয়টো আমাৰ আগত উত্থাপন কৰা বিষয়সমূহৰ মাজৰ এটা বিষয়।

৫৯. আৰ্জিসমূহৰ পৰা দেখা যায় যে পৰিবাহী যোগান ধৰাৰ বাবে ৩১.০৩.১৯৯২ আৰু ১৩.০৫.১৯৯২ ইংৰাজী তাৰিখে দুটা যোগানৰ আদেশ আপীলকাৰীক জাৰি কৰা হৈছিল। গোচৰৰ আৰ্জিত আপীলকাৰীয়ে যোগানৰ বাবে আদেশ কৰাৰ তাৰিখ আৰু কোন তাৰিখে বিভিন্ন বিপণীত যোগান ধৰা হৈছে তাৰ বিৱৰণ দিছিল। আপীলকাৰীয়ে ধৰা এই যোগানসমূহ আইনখন বলৱৎ হোৱাৰ আগৰ অৰ্থাৎ ২৩.০৯.১৯৯২ ৰ আৰু আইনখন বলৱৎ হোৱাৰ পিছৰ, দুয়োটাই অন্তৰ্ভূক্ত আছিল।

৬০. উল্লিখিত ধৰণৰ আলোচনাসমূহৰ সন্দৰ্ভত মাথোঁ ২৩.০৯.১৯৯২ ৰ পিছত প্ৰাপ্ত যোগানসমূহহে ১৯৯৩ আইনৰ উদ্দেশ্যসমূহৰ বাবে প্ৰাসংগিক। আৰ্জিসমূহৰ মতে,আপীলকাৰীৰ দ্বাৰা গোটেইখিনি যোগান ০৪.১০.১৯৯৩ ইং তাৰিখেহে সম্পূৰ্ণ কৰা হৈছিল। ধন আদায়ৰ বিৱৰণসমূহো আৰ্জিখনত দিয়া হৈছে, যিটোৱে সূচায় যে ০৫.০৩.১৯৯৪ ইং তাৰিখত অন্তিমবাৰ ধন আদায় পোৱা হৈছিল। আৰ্জিখনৰ ২৪ (চৌবিবশ) নং দফাটোৱে মোকৰ্দমাটোৰ কাৰণৰ বিৱৰণ দিয়ে, য'ত উল্লেখ আছে যে মোকৰ্দমাৰ কাৰণ উদ্ভৱ হৈছিল ৩১.০৩.১৯৯২ ইং তাৰিখে আৰু পিছত বেলেগ বেলেগ তাৰিখত, দফা ২৪ (চৌবিবশ)ত উল্লেখ কৰা মতে, শেষৰটো তাৰিখ আছিল ০৫.১০.১৯৯৩ আৰু তাৰ পিছত প্ৰত্যেকটো পৰৱৰ্তী তাৰিখত। আৰ্জিখনৰ ২১ নং দফাত তলত দিয়াখিনি বলৱৎহোৱাৰ অৰ্থে বিশেষ অনুৰোধ আছেঃ

> "২১. গুচৰীয়া আৰু পদকীয়াৰ মাজৰ লেন-দেনসমূহ গুচৰীয়াৰ দ্বাৰা হিচাপ-বহীবোৰত যেনেঃ- খতিয়ান বহীত (Ledger), বিক্ৰী পঞ্জীয়ন বহী (Sale Register) আদিত যথোচিতভাৱে বজায় ৰখা হৈছে, যিবোৰ বহী- গুচৰীয়াৰ ব্যৱসায়ত স্বাভাৱিকভাৱে ৰখা হৈছে আৰু গুচৰীয়া আৰু পদকীয়াৰ মাজৰ সেই হিচাপসমূহ

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

ক্ৰম অনুসৰি ৰখা হৈছে আৰু গুচৰীয়াসকলক পদকীয়াৰ দ্বাৰা দেয় সূত আজিৰ তাৰিখলৈ বহন কৰি থকা হৈছে। তেনেস্থলত, গুচৰীয়াৰ মোকৰ্দমাটো সময়সীমাৰ ভিতৰতে আছে। ইয়াৰ উপৰিও তামাদি আইনখনৰ ব্যৱস্থাসমূহ ১৯৯৩ আইনত থকা ব্যৱস্থাসমূহৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়, যিহেতু ১৯৯৩ ৰ আইনখনে তামাদি আইন আৰু আন সকলো আইনৰ ওপৰত অগ্ৰাহ্যকাৰী প্ৰভাৱ ৰাখিছে।”

৬১. পদকীয়াৰ দ্বাৰা লিখিত জবাব দাখিল কৰা হৈছিল, যিটো লিখিত জবাবত জবাবটোৰ ৪ (চাৰি) নং দফাত স্পষ্টীকৰণ লোৱা হৈছিল যে মোকৰ্দমাটো সীমাবদ্ধতাৰ দ্বাৰা বাধাগ্ৰস্ত হৈছে। বিচাৰ আদালতে ০২.০২.২০০০ ইং তাৰিখে দিয়া ইয়াৰ ৰায়ত, গঠন হোৱা বিষয়বোৰ মন কৰিছিল আৰু বিষয়সমূহৰ মাজত এটা অৰ্থাৎ ২ নং বিষয়টো (issue) আছিল বিষয়টো সীমাবদ্ধতাৰ দ্বাৰা বাধাগ্ৰস্ত হৈছিল নেকি? বিচাৰ আদালতৰ দ্বাৰা ২ নং বিষয়টোৰ বিষয়ে কৰা সমগ্ৰ আলোচনা নিম্নলিখিত ধৰণৰঃ-

<u>২ নং বিষয় (Issue No. 2)-</u>

২ নং পদকীয়াজনে দিয়া যোগানৰ আদেশটো গুচৰীয়াৰ দ্বাৰা (Exts-6 & 7) প্ৰদৰ্শক-৬ আৰু ৭ ত প্ৰদৰ্শন কৰা হৈছিল। সামগ্ৰীসমূহ চালানযোগে যোগান ধৰা হৈছিল, যিবোৰ চালান প্ৰদৰ্শক ৮ (আঠ) ৰ পৰা ৩৭ (সাতত্ৰিশ) আৰু ৬৯ ৰ পৰা ৭১ আৰু ৭৩ ৰূপে প্ৰদৰ্শন কৰা হৈছিল। এইসমূহ সামগ্ৰীৰ যোগান আৰম্ভ হৈছিল ২১.০৬.১৯৯২ ইং তাৰিখে আৰু শেষ হৈছিল ২৩.০৩.১৯৯৩ ইং তাৰিখে। প্ৰদৰ্শক-৩৮ ৰ পৰা ৫৫ লৈ আৰু প্ৰদৰ্শক ৬০ ৰ পৰা ৬৮ যোগে বিলসমূহ উত্থাপন কৰা হৈছিল। বিলৰ ৰাশিৰ প্ৰাপ্তিৰ বিষয়ে গুচৰীয়াজনে নুই কৰা নাছিল। প্ৰদৰ্শক ৫৫ বিলখন ০২.০১.১৯৯৩ ত উত্থাপন কৰা হৈছিল আৰু প্ৰদৰ্শক ৬৮ বিলখন ১৮.১২.১৯৯৩ ত উত্থাপন কৰা হৈছিল। পলমকৈ আদায় দিয়াৰ ওপৰত সূতৰ ব্যৱস্থাৰ অধীনত ক্ষুদ্ৰ আৰু আনুষংগিক ঔদ্যোগিক ঠিকা আইনলৈ এইটো এটা গোচৰ আৰু উল্লিখিত আইনৰ ধাৰা ১০-এ তলত দিয়াধৰণে অগ্ৰাহ্যকাৰী প্ৰভাৱ পেলায়ঃ–

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

“১০. অগ্ৰাহ্যকাৰী প্ৰভাৱঃ- আপাতত বলৱৎ হৈ থকা আন কোনো আইনত তাৰ লগত সামঞ্জস্যহীন কোনো কথা থাকিলেও, এই আইনখনৰ বিধানসমূহ কাৰ্য্যকৰী হ’ব।”

গতিকে ধাৰা ১০ (দহ)-এ এনেধৰণৰ গোচৰত সীমাবদ্ধতাৰ অজুহাতটো নুই কৰিছে। সেয়েহে ২ নং বিষয়টোৰ (Issue No. 2) মীমাংসাও গুচৰীয়াৰ সপক্ষে হৈছে।

৬২. বিচাৰ আদালতে ধৰি লৈছিল যে ১৯৯৩ আইনৰ ধাৰা ১০ (দহ) ৰ গুণত সীমাবদ্ধতাৰ অজুহাতটো নুই কৰা হৈছে আৰু মোকৰ্দমাটো সীমাবদ্ধতাৰ দ্বাৰা বাধাগ্ৰস্ত হোৱা নাই। পদকীয়াই দাখিল কৰা ২০০০ চনৰ আৰ.এফ.এ. নং ৬৬ (RFA No. 66)ত উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে পূৰ্ণাঙ্গ বিচাৰপীঠলৈ প্ৰসংগ প্ৰেৰণ কৰিছিল। ০৫.০৩.২০০২ ইং তাৰিখৰ ইয়াৰ আদেশটোত পূৰ্ণাঙ্গ বিচাৰপীঠে সীমাবদ্ধতাৰ প্ৰশ্নটো বিবেচনা কৰা নাই অথবা নিৰ্ণয় কৰা নাই।

৬৩. এই প্ৰসংগৰ উত্তৰ দি পূৰ্ণাঙ্গ বিচাৰপীঠে ০৫.০৩.২০০২ ইং তাৰিখে দিয়া ৰায়টোৰ বিৰুদ্ধে, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ২০০৩ চনৰ দেৱানী আপীল নং ২৩৫১ যোগে এই ন্যায়ালয়ত আপীল দাখিল কৰিছিল। এই ন্যায়ালয়ে ১০.০৭.২০০২ ত ২০০৩ চনৰ ২৩৪৮ নং দেৱানী আপীলৰ লগতে ২০০৩ চনৰ দেৱানী আপীল নং ২৩৫১ ৰ মীমাংসা কৰিছিল আৰু এই ৰায়টো হ’ল পূৰ্বাঞ্চল কেবল্‌ছ এণ্ড কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেড (অধি)(SUPRA)। দুয়ো যোগানকাৰীয়ে দাখিল কৰা মোকৰ্দমাকেইটা সময়ৰ দ্বাৰা বাধাগ্ৰস্ত হৈছিল বুলি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ সপক্ষে অধিবক্তাই দিয়া যুক্তি, এই ন্যায়ালয়ে দফা ৩১ ত মন কৰিছিল যদিও ন্যায়ালয়ে এই সন্দৰ্ভত কোনো মতামত প্ৰকাশ কৰা নাছিল। ৰায়টোৰ দফা ৩১ত দিয়া কথাখিনি নিম্নোল্লিখিত ধৰণৰঃ-

“৩১. যদিও বিজ্ঞ জ্যেষ্ঠ অধিবক্তাই উল্লেখ কৰে যে বৰ্তমান চলি থকা আপীলসমূহত দুয়ো যোগানকাৰীয়ে দাখিল কৰা মোকৰ্দমাকেইটা সীমাবদ্ধতাৰ দ্বাৰা বাধাগ্ৰস্ত হৈছিল, আমি বিষয়টোৰ ওপৰত আমাৰ মতামত ব্যক্ত কৰাৰ পৰা বিৰত থাকিলোঁ, যিহেতু যোগানকাৰীয়ে দাখিল কৰা আপীলসমূহৰ কেইটামান এতিয়াও উচ্চ ন্যায়ালয়ত অমীমাংসিত হৈ আছে। আমি কৰিব পৰা যিকোনো

পৰৱৰ্তী পৃষ্ঠাত

পৰ্য্যবেক্ষণে দুয়োপক্ষৰ স্বাৰ্থক প্ৰভাৱিত কৰিব, যিহেতু সেই বিষয়টো এতিয়াও উচ্চ ন্যায়ালয়ৰ দ্বাৰা মীমাংসা হ'বলৈ বাকী আছে।"

৬৪. এই ন্যায়ালয়ৰ ১০.০৭.২০১২ ইং তাৰিখৰ ৰায়টোৰ পিছত যেতিয়া উচ্চ ন্যায়ালয়লৈ বিষয়সমূহ ঘূৰি গ'ল, খণ্ড বিচাৰপীঠে ২০.১১.২০১২ ইং তাৰিখৰ বিৰোধিত ৰায়যোগে (impugned judgment) ২০০০ চনৰ RFA 66 ৰ মীমাংসা কৰিলে। বিৰোধিত ৰায়টোত (impugned judgment) খণ্ড বিচাৰপীঠে ৰায়টোৰ দফা ৫ পাঁচ)ত থকা বিষয়সমূহ আৰু সীমাবদ্ধতাৰ ওপৰত কৰা উপস্থাপনসমূহ মন কৰিছিল। দফা ২২ত, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ সপক্ষে কৰা যুক্তিসমূহ মন কৰা হৈছে, আনহাতে, আপীলকাৰীৰ সপক্ষে বিজ্ঞ অধিবক্তাসকলে দিয়া উত্তৰ, ৰায়টোৰ দফা ২২, ২৪, ২৫ আৰু ২৬ ত লক্ষ্য কৰা হৈছে। সেয়া তলত দিয়া ধৰণৰঃ-

"২২. বিজ্ঞ জ্যেষ্ঠ অধিবক্তা মিঃ দাসৰ দ্বাৰা এই আপীলৰ শুনানিৰ সময়ত অগ্ৰসৰ হোৱা আন এক প্ৰত্যাহবানৰ ভেটি হ'ল এয়ে যে মহামান্য বিচাৰ আদালতে ভুলকৈ ধৰি লৈছিল যে মোকৰ্দমাটো সীমাবদ্ধতাৰ দ্বাৰা বাধাগ্ৰস্ত হোৱা নাছিল আৰু মহামান্য বিচাৰ আদালতে উত্থাপন কৰা ১৯৯৩ আইনৰ ১০নং ধাৰাৰ প্ৰসংগটো এই ধাৰাই বিধান দিয়া পৰ্য্যায়লৈ সম্পূৰ্ণ ক্ৰুটিপূৰ্ণ হ'ব, য'ত বৰ্তমান বলৱৎ হৈ থকা আন কোনো আইনত তাৰ লগত সামঞ্জস্যহীন যিকোনো কথা থকা সত্বেও ১৯৯৩ আইনৰ ব্যৱস্থাসমূহৰ কাৰ্য্যকাৰিতা থাকিব।

২৪. ১৯৯৩ আইনখন আমাৰ হাতত উপলব্ধ চুক্তিখনত প্ৰয়োগ হ'বনে আৰু মোকৰ্দমাটো সীমাবদ্ধতাৰ দ্বাৰা বাধাগ্ৰস্ত হৈছিল নেকি?- এই প্ৰটোৰ সংক্ৰান্তত বিজ্ঞ জ্যেষ্ঠ অধিবক্তা মিঃ এ. কে.সিন্হাই আঙুলিয়াই দিছে যে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে (ASEB) যিমান পাৰি পলমকৈ অৰ্থাৎ ০৫.০৩.১৯৯৪ ইং তাৰিখেহে গুচৰীয়া-পদকীয়াৰ প্ৰাপ্য ৰাশিৰ পৰিশোধকৰণ কৰা কাৰ্য বিবাদৰ ভেটি নহয় আৰু এনে পৰিস্থিতিত বৰ্তমানৰ মোকৰ্দমাটোৰ ক্ষেত্ৰত সীমাবদ্ধতাৰ সময়ছোৱা আৰম্ভ হয় ০৫.০৩.১৯৯৪ ইং তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ; আৰু মিঃ এ.কে.সিন্হাই যুক্তি দৰ্শাইছে যে মোকৰ্দমাটো ১০.০১.১৯৯৭ ইং তাৰিখে আৰম্ভ

পৰৱৰ্তী পৃষ্ঠাত

হোৱালৈ চাই এইটো স্পষ্ট যে মোকৰ্দমাটো সীমাবদ্ধতাৰ সময়ছোৱাৰ ভিতৰতে আৰম্ভ হোৱা মোকৰ্দমা হিচাপে গণ্য কৰাৰ যোগ্য। ইয়াৰ বাহিৰেও, বিজ্ঞ জ্যেষ্ঠ অধিবক্তা মিঃ সিন্হাৰ যুক্তি এয়ে যে আছাম কণ্ট্ৰাক্টৰ্চ মেনুফেক্চাৰাৰ্চ এচ'চিয়েশ্যনে ০৬.০৯.১৯৯৪ ইং তাৰিখে নিম্নোল্লিখিত পাঁচজন সদস্যৰ হৈ এখন লেখ আৱেদন দাখিল কৰিছিল, সেইখনৰ ভিত্তিত ১৯৯৩ ৰ ১৫৩১ নং দেৱানী গোচৰ পঞ্জীভুক্ত কৰা হৈছিল। ইয়াত অন্তৰ্ভুক্ত আছিল মেচাৰ্চ শান্তি কণ্ট্ৰাক্টৰ্চ (বৰ্তমানৰ মোকৰ্দমাটোৰ গুচৰীয়া) আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ে ইয়াৰ ০৬.০৯.১৯৯৪ ইং তাৰিখৰ হুকুমযোগে লেখ আৱেদনকাৰীক ইয়াৰ সদস্যসকলকৰ প্ৰাপ্য ৰাশিৰ উদ্ধাৰকৰণৰ বাবে দেৱানী আদালতৰ কাষ চপাৰ নিৰ্দেশ দিয়ে, ইয়াৰ ভিত্তিত এচ'চিয়েশ্যনে তাৎক্ষণিকভাৱে ৪৭৪১৯৯৪ যোগে এখন লেখ আৱেদন দাখিল কৰিছিল, যিখন অৱশেষত ২৮.০৮.১৯৯৭ ইং তাৰিখে খাৰিজ কৰা হৈছিল।

২৫. মিঃ সিন্হাৰ মতে, ওপৰত সূচিত কৰা ধৰণৰ এটা পৰিস্থিতিত তামাদি আইন ১৯৬৩ ৰ ধাৰা (১৪)২ সিমানখিনিলৈকে অতিশয় প্ৰাসংগিক যিমানখিনিলৈকে তামাদি আইন ১৯৬৩ ৰ ধাৰা ১৪২ য়ে বিধান দিয়ে যে–যিকোনো মোকৰ্দমাৰ কাৰণে সীমাবদ্ধতাৰ সময়ছোৱা গণনা কৰোতে, আৱেদনকাৰীয়ে যথাযথ কৰ্মতৎপৰতাৰে আন এটা দেৱানী মোকৰ্দমা শেষলৈ চলাই থকা নিৰ্দিষ্ট সময়ছোৱা বাদ দিব লাগে। মিঃ সিন্হাই আঙুলিয়াই দিয়ে যে তামাদি আইন ১৯৬৩ ৰ ধাৰা ২এ ৰ অধীনত, আৱেদনকাৰী হ'ল- (১) দৰ্খাস্তকাৰীজন আৰু (২) এজন ব্যক্তি যাৰ পৰা বা যাৰ জৰিয়তে আৱেদনকাৰীয়ে তেওঁৰ আৱেদন কৰাৰ অধিকাৰ লাভ কৰে। মিঃ সিন্হাই মত অপৰিবৰ্তিত ৰাখি কয় যে এনেদৰে, আনকি ১৯৬৩ ৰ তামাদি আইন প্ৰযোজ্য হয় বুলি ধৰি ল'লেও যি সময়ছোৱাত বাকীবোৰৰ ভিতৰত মেচাৰ্চ শান্তি কণ্ট্ৰাক্টৰ্চৰ হৈ ওপৰোক্ত সংগঠনৰ লেখ আৱেদন আৰু লেখ আপীল কৰিবলৈ বাকী আছিল, সেই উল্লিখিত সময়ছোৱা

পৰৱৰ্তী পৃষ্ঠাত

তামাদি আইনৰ ধাৰা ১৪২ৰ ব্যৱস্থাৰ অধীনত বাদ দিব পৰা যায় আৰু এনেদৰে মোকৰ্দমাটো সময়ৰ ভিতৰতেই আছিল বুলিও মিঃ সিন্হাই দৃঢ়াই কয়।

২৬. বিজ্ঞ জ্যেষ্ঠ অধিবক্তা মিঃ সিন্হাই আঙুলিয়াই দিয়ে যে এই সকলোখিনি কথাৰ উপৰিও বৰ্তমানৰ আপীলটোত, আপীলকাৰীসকলে সীমাবদ্ধতাৰ বিষয়টোৰ ওপৰত মহামান্য বিচাৰ আদালতৰ সিদ্ধান্তক প্ৰত্যাহবান জনোৱা নাই। আপীলকাৰীসকলে প্ৰাধান্য দিয়া অনুসৰি, আদালতক আপীলৰ স্মাৰকপত্ৰখনৰ বিষয়ে জনাই, বিজ্ঞ অধিবক্তা মিঃ সিন্হাই আঙুলিয়াই দিছে যে আপীলৰ স্মাৰকপত্ৰখন সম্পূৰ্ণ নীৰৱ আৰু ই মহামান্য বিচাৰ আদালতে সীমাবদ্ধতাৰ বিষয়টোৰ ওপৰত দিয়া সিদ্ধান্তক প্ৰত্যাহবান নজনায়। তদুপৰি, মিঃ সিন্হাই আঙুলিয়াই দিয়ে যে পূৰ্ণাংগ বিচাৰপীঠে প্ৰসংগটো নিৰ্ণয় কৰোতে, ইয়াৰ সিদ্ধান্তত স্পষ্টভাৱে পৰ্যবেক্ষণ কৰিছে যে মোকৰ্দমাটো নিঃসন্দেহে আপীলকাৰী বোৰ্ডৰ দ্বাৰা অন্তিমবাৰ ধন আদায় দিয়াৰ সময়ৰ পৰা তিনি বছৰৰ ভিতৰত। পূৰ্ণাংগ বিচাৰপীঠৰ পৰ্যবেক্ষণসমূহ তলত দিয়া ধৰণৰঃ-মোকৰ্দমাটো নিঃসন্দেহে আপীলকাৰী বোৰ্ডৰ দ্বাৰা অন্তিমবাৰ ধন আদায় দিয়াৰ সময়ৰ পৰা তিনি বছৰৰ ভিতৰত। “

৬৫. মোকৰ্দমাটো সীমাবদ্ধতাৰ দ্বাৰা বাধাগ্ৰস্ত হৈছিল নে নাই– এই প্ৰশ্নটোৰ ওপৰত খণ্ড বিচাৰপীঠে যদিওবা দুয়োপক্ষৰ যুক্তি শুনিছে, তথাপিও যিহেতু আইনখন বলৱৎ হোৱাৰ আগতেই যোগানৰ অৰ্ডাৰ দিয়া হৈ গৈছিল সেইবাবে খণ্ড বিচাৰপীঠে আপীলটোত অনুমোদন জনাইছিল, কিন্তু ১৯৯৩ আইন ইয়াত প্ৰযোজ্য নহয়। মোকৰ্দমাটো সীমাবদ্ধতাৰ দ্বাৰা বাধাগ্ৰস্ত আছিল নে নাই সেই সম্পৰ্কে খণ্ড বিচাৰপীঠ কোনো মতামতত উপনীত নহ’ল। মোকৰ্দমাটো সীমাবদ্ধতাৰ দ্বাৰা বাধাগ্ৰস্ত হৈছে বুলি কৰা যুক্তি আমাৰ সন্মুখত বলপূৰ্বকভাৱে দাঙি ধৰা হৈছে।

৬৬. শ্ৰী হানছাৰীয়াই উপস্থাপন কৰে যে আপীলকাৰীৰ নিজৰ মোকৰ্দমা মতে যোগান ০৪.১০.১৯৯৩ তাৰিখে সম্পূৰ্ণ কৰা হৈছে আৰু সেই কাৰণে ১৯৯৩ আইনখনৰ ধাৰা ৪ মতে এমাহৰ পিছত অৰ্থাৎ ০৪.১১.১৯৯৩ তাৰিখৰ পিছত ধনৰাশি আৰু সুদ দেয় হ’ব। যিহেতু

পৰৱৰ্তী পৃষ্ঠাত

০৪.১১.১৯৯৩ তাৰিখৰ পৰা তিনি বছৰৰ ভিতৰত মোকৰ্দমা প্ৰতিষ্ঠা কৰা হোৱা নাই, ই সময়-সীমাবদ্ধতাৰ দ্বাৰা বাধিত।

৬৭. ১৯৯৩ চনৰ আইনখনৰ ধাৰা ১০ৰ ওপৰত নিৰ্ভৰ কৰি বিচাৰকৰণ আদালতে মত পোষণ কৰিছে যে মোকৰ্দমা সময়-সীমাবদ্ধতাৰ দ্বাৰা বাধিত হোৱা নাই। ১৯৯৩ চনৰ আইনখনৰ ধাৰা ১০ তলত প্ৰতিফলিত কৰা হ'লঃ-

> "১০. অগ্ৰাধিকাৰৰ প্ৰভাৱঃ বৰ্তমানে বলৱৎ থকা কোনো আইনৰ কোনো বিধানৰ লগত বিসংগতি থকা সত্ত্বেও এই আইনৰ বিধানসমূহ প্ৰভাৱ বিস্তাৰ কৰিব বা অগ্ৰাধিকাৰ পাব।"

৬৮. বাদীগণ নিজেই, আগত উল্লেখ কৰাৰ দৰে, আত্মপক্ষ সমৰ্থন কৰি কৈছে যে ধাৰা ১০ৰ বলত সময়ৰ সীমাবদ্ধতা প্ৰযোজ্য নহ'ব আৰু সেই যুক্তি আদালতে গ্ৰহণ কৰিছে। বৰ্তমানে বলৱৎ থকা কোনো আইনৰ লগত এই আইনৰ বিসংগতি থকা সত্ত্বেওৰ ওপৰত ১৯৯৩ চনৰ আইনৰ ধাৰা ১০ অগ্ৰাধিকাৰ দিয়ে। এই আইনত থকা বিধানসমূহক অগ্ৰাধিকাৰৰ প্ৰভাৱ প্ৰদান কৰা হৈছে। ধাৰা ১০ প্ৰকট কৰিছে যে বৰ্তমানে বলৱৎ থকা কোনো সংগতিহীন আইনৰ ওপৰতহে এই আইনৰ বিধান সমূহক অগ্ৰাধিকাৰ দিয়া হৈছে। ই সাধাৰণ অৰ্থত বুজাইছে যে যদি এই আইনৰ বিধানৰ লগত অইন কোনো আইনৰ বিসংগতি থাকে, তেনেহ'লে এই আইনৰ বিধাসমূহ বলৱৎ থাকিব আৰু বিসংগতি থকা আইনৰ ওপৰত এই আইনৰ বিধানসমূহ অগ্ৰাধিকাৰ পাব। উদাহৰণস্বৰূপে, যেতিয়া বিলম্বিত আদায়ৰ ক্ষেত্ৰত ধাৰা ৪ মতে কোনো নিৰ্দিষ্ট হাৰত সুদ দিবলগীয়া হয়, তেন্তে উক্ত সুদৰ হাৰ অইন আইনমতে দিবলগীয়া সুদৰ হাৰৰ ওপৰত অগ্ৰাধিকাৰ পাব।

৬৯. তদুপৰি ধাৰা ৭ মতে, ৭৫ ধন জমা নিদিয়াকৈ ধন প্ৰাপ্তিৰ ক্ষেত্ৰত দিয়া কোনো ডিক্ৰী বা আদেশৰ বিৰুদ্ধে আপীল উপস্থাপন কৰিব পৰা নাযায়। তেনেক্ষেত্ৰত যদি সুদৰ সৈতে মূল ধনৰাশিৰ ওপৰত ডিক্ৰী দিয়া হয়, তেন্তে ৭৫ ধন জমা দিয়াৰ পিছত বা আদালতে জাৰি কৰা অইন আদেশমতেহে আপীল গ্ৰহণযোগ্য হ'ব। ১৯৯৩ চনৰ আইনখনৰ ধাৰা ৭ৰ বলত স্বাভাৱিক আপীল কৰাৰ অধিকাৰৰ ওপৰত অগ্ৰাধিকাৰ পাব। বিচাৰকৰণ আদলতে ধাৰা ১০ত থকা 'অগ্ৰাধিকাৰৰ প্ৰভাৱ' পঠনত সীমাবদ্ধতা আইনৰ ওপৰতো জাপি দিয়াৰ ত্ৰুটি কৰিছে। ১৯৯৩ চনৰ আইনত সময়সীমাৰ কোনো বিধান নাই আৰু ১৯৯৩ চনৰ আইনখনত কোনো 'বিসংগতি বা অগ্ৰাধিকাৰ'

পৰৱৰ্তী পৃষ্ঠাত

নথকা হেতুকে সীমাবদ্ধতা আইনত থকা মোকৰ্দমা উপস্থাপনত সময়ৰ সীমাবদ্ধতাৰ বিধান বলৱৎ থাকিব। ১৯৯৩ চনৰ আইনখনত নিৰ্দিষ্ট বিধানৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব, যিয়ে অগ্ৰাধিকাৰৰ প্ৰভাৱ বিস্তাৰ কৰিব কিন্তু ধাৰা ১০ বিধানে সীমাবদ্ধতা আইনৰ ওপৰত অগ্ৰাধিকাৰ পাব বুলি ধৰি লোৱাটো ধাৰা ১০ৰ সঠিক ব্যাখ্যা নহয় আৰু বিচাৰকৰণ আদালতে সীমাবদ্ধতা আইন প্ৰযোজ্য নহ'ব বুলি ধৰি ধাৰা ১০ৰ ওপৰত নিৰ্ভৰ কৰাৰ ত্ৰুটি কৰিছে।

৭০. সেইধৰণে আমি ভাবো যে আপীলকাৰীয়ে উপস্থাপন কৰা অৰ্থবিষয়ক মোকৰ্দমাৰ ক্ষেত্ৰত ১৯৬৩ চনৰ সীমাবদ্ধতা আইন সম্পূৰ্ণভাৱে প্ৰযোজ্য আৰু সেই হেতুকে সময়ৰ সীমাবদ্ধতাৰ বিষয়টো ১৯৬৩ চনৰ সীমাবদ্ধতা আইনমতে সমাধান কৰা হ'ব। ১৯৯৩ চনৰ আইনখনৰ অধীনত সুদ আদায় প্ৰকৃতিৰ মোকৰ্দমা উপস্থাপনৰ সীমাবদ্ধতা তপসীলত দিয়া ১১৩ অনুচ্ছেদ ১০ম খণ্ডত তলত দিয়া ধৰণে সামৰি লোৱা হৈছেঃ-

> "১০ম খণ্ড- যিবোৰ মোকৰ্দমাৰ ক্ষেত্ৰত কোনো নিৰ্ধাৰিত সময়সীমা নাই-
>
> ১১৩- যিবোৰ মোকৰ্দমাৰ বাবে এই তপসীলত কোনো সময়সীমা নাই তিনি বছৰ যেতিয়াৰ পৰা মোকৰ্দমা তৰাৰ অধিকাৰ উৎপত্তি হয়।"

৭১. অনুচ্ছেদ ১১৩ মতে 'যেতিয়া মোকৰ্দমা তৰাৰ অধিকাৰ উৎপত্তি হয়'ৰ পৰা মোকৰ্দমা তৰাৰ সময়সীমা আৰম্ভ হয়। এতিয়া অত্ৰ আদালতে নিৰ্ধাৰণ কৰিব লাগে যে ১৯৯৩ চনৰ আইনমতে বাদীৰ মোকৰ্দমা তৰাৰ অধিকাৰ কেতিয়া উৎপত্তি হ'ল। ১৯৯৩ চনৰ আইনৰ ধাৰা ৪ যুগুতায় যে কেতিয়াৰ পৰা আৰু কি হাৰত সুদ দিবলগীয়া হয়। ধাৰা ৪ত বিধান আছে যে 'যদি কোনো ক্ৰেতাই বিক্ৰেতাক ধাৰা ৩ মতে দিবলগীয়া ধন আদায় দিয়াত ব্যৰ্থ হয়..... তেন্তে ক্ৰেতাই বিক্ৰেতাক নিৰ্ধাৰিত তাৰিখ বা সন্মত হোৱা তাৰিখৰ পিছদিনাখনৰ পৰা (যিটো তাৰিখ প্ৰযোজ্য) উক্ত ধনৰাশিৰ ওপৰত সুদ দিবলৈ বাধ্য থাকিব। নথিত থকা ফৰমাইচ আদেশ আৰু যোগানৰ তথ্যৰ পৰা এয়া স্পষ্ট যে পক্ষগণৰ মাজত কোনো সন্মত তাৰিখ নাই, গতিকে নিৰ্ধাৰিত তাৰিখৰ পৰা ধনৰাশি দেয় থাকিব। ধাৰা ২(ডি) মতে নিৰ্ধাৰিত তাৰিখ হৈছে কোনো ক্ৰেতা বা যোগান ধৰোতাৰ পৰা কোনো বস্তু বা সেৱা গ্ৰহণ কৰা দিনাখনৰ পৰা বা গ্ৰহণ কৰা বুলি ধৰি লোৱা দিনাখনৰ পৰা ৩০ দিনৰ সময়সীমা পাৰ হোৱা পিছদিনাখন। আপীলকাৰীয়ে দৰ্শাইছে যে শেহতীয়া যোগান ০৪.১০.১৯৯৩ তাৰিখে সম্পূৰ্ণ কৰা হৈছে। সেই অনুসৰি নিৰ্ধাৰিত তাৰিখ হ'ল

পৰৱৰ্তী পৃষ্ঠাত

০৪.১১.১৯৯৩। যিহেতু দেয় ধনৰাশি ০৪.১১.১৯৯৩ তাৰিখে আদায় দিয়া হোৱা নাছিল, ধাৰা ৪ মতে দেয় ধনৰাশিৰ ওপৰত সুদ আৰু মোকৰ্দমা উপস্থাপন কৰাৰ তাৰিখ আৰম্ভ হ'ব।

৭২. আমি ইতিমধ্যে ঠিৰাং কৰিছো যে উক্ত আইন বলৱৎ হোৱাৰ তাৰিখৰ পিছত তথা ১০.০৩.১৯৯২ তাৰিখৰ পিছত বস্তু যোগান দিয়াৰ ক্ষেত্ৰত উক্ত আইন প্ৰযোজ্য হ'ব। যিহেতু শেহতীয়া যোগান ০৪.১০১৯৯৩ তাৰিখত প্ৰাপ্ত কৰা হৈছে, ধাৰা ৪ মতে কমপক্ষে ০৪.১১.১৯৯৩ তাৰিখৰ পৰা (যদি ইয়াতকৈ আগত নহয়) সুদ দেয় হ'ব।

৭৩. শ্ৰী সিন্হাই দৰ্শাইছে যে শেহতীয়া আদায় (ধনৰাশিৰ) ০৫.০৩.১৯৯৪ তাৰিখে দিয়া হৈছিল আৰু যিহেতু মোকৰ্দমা ১০.০১.১৯৯৭ তাৰিখে দাখিল কৰা হৈছিল আৰু আৰু উক্ত ০৫.০৩.১৯৯৪ তাৰিখৰ পৰা তিনি বছৰৰ ভিতৰত হোৱা বাবে মোকৰ্দমা সীমাবদ্ধতাৰ ভিতৰত দাখিল কৰা হৈছে। তেখেতে আৰু দৰ্শায় যে যিহেতু শেহতীয়া আদায় ০৫.০৩.১৯৯৪ তাৰিখে দিয়া হৈছিল, ধন আদায়ৰ অস্বীকাৰ সেই দিনাখনৰ পৰা গণ্য হ'ব লাগে আৰু তেতিয়াৰ পৰা তিনি বছৰৰ ভিতৰত মোকৰ্দমা দাখিল কৰিব পৰা গ'লহেঁতেন।

৭৪. অনুচ্ছেদ ১১৩ত বিধান আছে- 'যেতিয়াৰ পৰা সময়ৰ সীমাবদ্ধতা আৰম্ভ হয়, তেতিয়াৰ পৰা মোকৰ্দমা তৰাৰ অধিকাৰ ওপজে।' ১৯৯৩ চনৰ আইনখনৰ ধাৰা ৪-এ ধাৰা ৪ত উল্লেখ কৰা তাৰিখৰ পৰা সুদ দিবলৈ ক্ৰেতাৰ ওপৰত বিধিসন্মত দায়বদ্ধতা সৃষ্টি কৰে। ধন আদায়ৰ দায়বদ্ধতাৰ উৎপত্তিৰ লগে লগে ধনৰাশি দেয় হয়। ধাৰা ৬তো কোৱা হৈছে 'ক্ৰেতাৰ পৰা দেয়'। ধাৰা ৪ মতে ক্ৰেতাৰ দ্বাৰা বাধ্যতামূলকভাৱে পৰিশোধ কৰিবলগীয়া ধনৰাশিয়েই হৈছে দেয় ধনৰাশি। সেই অনুসৰি শেহতীয়া আদায়ৰ তাৰিখ ০৫.০৩.১৯৯৪ সময়সীমাৰ আৰম্ভণি বুলি ধৰিব পৰা নাযায় আৰু সেই ভিত্তিত মোকৰ্দমা সময়ৰ সীমাবদ্ধতাৰ ভিতৰত দাখিল কৰা হৈছে বুলি গণ্য কৰিব পৰা নাযায়।

৭৫. শ্ৰী সিন্হাই এটা বিকল্প উপস্থাপন দাঙি ধৰিছে যে বাদী সীমাবদ্ধতা আইনৰ ধাৰা ১৪ হিতৰ লাভালাভৰ অধিকাৰী আছিল। যিহেতু এখন লেখ আৱেদন (যাৰ পৰা চিভিল ৰুল নং ১৫১৩১৯৯৩ উৎপত্তি হৈছিল) সন্থাৰ (আছাম কণ্ডাক্টৰ্ছ মেনুফেকছাৰ এছ'চিয়েশ্যন) পাঁচজন মুখ্য সদস্যৰ হৈ উচ্চ আদালতত দাখিল কৰা হৈছিল আৰু সেই আৱেদন ০৬.০৯.১৯৯৪ তাৰিখে উচ্চ আদালতে আৱেদনকাৰীক সন্থাৰ সদস্য সকলৰ প্ৰাপ্য আদায় লোৱাৰ বাবে দেৱানী আদালতৰ

পৰৱৰ্তী পৃষ্ঠাত

আশ্ৰয় ল'বলৈ নির্দেশ দিছিল, সেয়ে উক্ত আৱেদন আদালতত বিচৰাধীন হৈ থকা সময়ছোৱা হিতৰূপে দিব লাগে। আজিৰ ২৪ দফা মতে, উক্ত আৱেদন 'আছাম কণ্ডাক্টৰ্ছ মেনুফেকছাৰ এছ'চিয়েশ্যন'-এ দাখিল কৰিছিল। মেচাৰ্চ শান্তি কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেড এণ্ড আদাৰ্ছ উক্ত সন্থাৰ পৰা এটি ভিন্ন সত্তা।

৭৬. সেই অনুসৰি আমি এই মতত উপনীত হৈছো যে অত্ৰ গোচৰৰ বিবৃতি মতে বাদী ধাৰা ১৪ৰ হিতসমূহ দাবী কৰিব নোৱাৰে। আমি আগতে কৰা আলোচনাৰ প্ৰেক্ষাপটত সিদ্ধান্তত উপনীত হৈছো যে বাদীয়ে দাখিল কৰা অৰ্থবিষয়ক মোকৰ্দমা নং ২১১৯৯৭ তামাদি হৈছিল (সময়ৰ সীমাবদ্ধতাৰ দ্বাৰা নিষিদ্ধ হৈছিল)।

<u>বিচাৰ বিষয় নং ৪:</u>

৭৭. বিচাৰ বিষয় নং ৩ত সিদ্ধান্ত লওঁতে আমি নিৰ্ধাৰণ কৰিছো যে আপীলকাৰী দাখিল কৰা অৰ্থবিষয়ক মোকৰ্দমা তামাদি হৈছিল। গতিকে অত্ৰ বিচাৰ বিষয়ত কোনো মন্তব্য প্ৰকাশ কৰাৰ প্ৰয়োজন নাই।

<u>বিচাৰ বিষয় নং ৫:</u>

৭৮. অকল সুদৰ বাবে দাখিল কৰা মোকৰ্দমা গ্ৰহণযোগ্য হয় নে নহয়, বিষয়টো অত্ৰ আদালতে বিতংভাৱে বিবেচনা কৰিছে। 'পূৰ্বাঞ্চল কেবল্ছ' (উদ্ধৃত) গোচৰৰ ৰায়ৰ দফা ১৭ত এনেধৰণে উপস্থাপন কৰা হৈছেঃ

> *"১৭- মডাৰ্ণ ইণ্ডাষ্ট্ৰীছ আপীলসমূহৰ ভিতৰত এটা আপীলৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পূৰ্ণ বিচাৰপীঠৰ ৰায়ক (যি অত্ৰ আদালতৰ দ্বাৰা স্বীকৃত) আমাৰ ওচৰত বিৰোধিতা কৰিছে। যিহেতু অত্ৰ আদালতৰ খণ্ড বিচাৰপীঠে সুদৰ বাবে তৰা গোচৰৰ গ্ৰহণযোগ্যতাৰ বিষয়টোৰ ওপৰত উচ্চ আদালতৰ পূৰ্ণ বিচাৰপীঠৰ সিদ্ধান্তক মঞ্জুৰ কৰিছে, সেই বিষয়টো বিচাৰ নোহোৱাকৈ থকা নাই। আইন বলৱৎ হোৱাৰ আৰম্ভণিৰ পিছৰ পৰা ক্ৰেতাই বিলম্বিতভাৱে ধনৰাশি পৰিশোধ কৰাৰ বাবে যোগান ধৰোতাই উচ্চ হাৰত সুদৰ বাবে মোকৰ্দমা দাখিল কৰিব পাৰে।"*

৭৯. ১৯৯৩ চনৰ আইনখনৰ ধাৰা ৬৩ত বিধান দিয়া হৈছে ''ধাৰা ৪ আৰু ৫ মতে হিচাপ কৰি ক্ৰেতাৰ পৰা পাবলগীয়া সুদৰ সৈতে মুঠ ধনৰাশি লভ্য হ'ব.......। ধাৰা ৬ত বিধান দিয়া হৈছে

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

ক্ৰেতাৰ পৰা সুদৰ সৈতে পাবলগীয়া ধনৰাশি। ব'ৰ্ডৰ পক্ষে বিজ্ঞ অধিবক্তাৰ ব্যাখ্যা হৈছে যে যেতিয়া কোনো ধনৰাশি দেয় হয়, তেতিয়াহে সুদ পোৱাৰ বাবে মোকৰ্দমা আইনী প্ৰক্ৰিয়া অৱলম্বন কৰিব পাৰি। তেখেতে যুক্তি দৰ্শায় যে ধাৰা ৬ ত দিয়া দেয় ধনৰাশি হ'ল মূল ধনৰাশি। ব'ৰ্ডৰ পক্ষে বিজ্ঞ অধিবক্তাৰ উক্ত ব্যাখ্যা আমি মানি ল'লে ক্ৰেতাই মূল ধনৰাশি আদায় দি সুদ দিয়াৰ পৰা অতি সহজে হাত সাৰিব। এই ব্যাখ্যাই ১৯৯৩ চনৰ আইনখনৰ উদ্দেশ্যক ব্যাঘাত কৰিব। এইটো নিৰ্দিষ্ট কৰা হৈছে যে এই আইনৰ বিধানসমূহৰ ব্যাখ্যা এই আইনৰ উদ্দেশ্য সমূহক ফলপ্ৰসূ কৰাৰ ধৰণে কৰা হ'ব। সেইমতে 'পূৰ্বাঞ্চল কেবল্ছ'ত অত্ৰ আদালতে যোগান ধৰোতাই মাথোঁ সুদ আদায় পোৱাৰ বাবে মোকৰ্দমা আইনমতে চলে বুলি লোৱা সিদ্ধান্তক আমি মঞ্জুৰ কৰো।

<u>বিচাৰ বিষয় নং ৬:</u>

৮০. ব'ৰ্ডৰ পক্ষে বিজ্ঞ অধিবক্তাই যুক্তি দৰ্শাইছে যে যিহেতু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ১৫.০৪.২০০১ তাৰিখৰ ৰায়ৰ বিৰুদ্ধে 'মেচাৰ্চ ট্ৰাছেছ এণ্ড টাৱাৰ্ছ' এ দাখিল কৰা বিশেষ অনুমতি আৱেদন নং ১২২১৭/২০০১ অনুমতি নোলোৱাকৈ প্ৰত্যাহাৰ কৰা হৈছিল, ১৯.০৩.২০০৩ তাৰিখত পুনৰ বিচাৰ আদেশ আৰু ৰায়ক প্ৰত্যাহ্বান জনাই দাখিল কৰা দেৱানী আপীল নং ৮৪৪৫/২০১৬ আইনমতে অচল। আদালতে 'সকলো বিলৰ দিবলগীয়া ধন আইন বলৱৎ হোৱাৰ আগতে পৰিশোধ কৰা হৈছিল' বুলি লিপিবদ্ধ নকৰাৰ ক্ৰটি কৰিছে বুলি মন্তব্য কৰি আপীলকাৰী উচ্চ আদালতত পুনৰ্বিচাৰ আৱেদন দাখিল কৰিব বুলি কোৱা কথাষাৰ অত্ৰ আদালতে ০৬.০৮.২০০১ তাৰিখে জাৰি কৰা হুকুমত লক্ষ্য কৰিছে। পুনৰ্বিচাৰ দৰ্খাস্তত ৯ শতাংশ হা ৰত সুদ মঞ্জুৰ কৰি আংশিকভাৱে পুনৰ্বিচাৰ মঞ্জুৰ কৰা হৈছে আৰু তাৰ বিৰোধিতা কৰি অত্ৰ আপীল উপস্থাপন কৰা হৈছে। উক্ত পুনৰ্বিচাৰ ৰায় পঠনৰ পৰা দেখা গ'ল যে বিলসমূহৰ পৰিশোধ কৰিবলগীয়া ধন আইন বলৱৎ হোৱাৰ আৰম্ভণিৰ আগত পৰিশোধ কৰা হোৱা নাই বুলি উচ্চ ন্যায়ালয়ে কোনো তথ্য পোৱা নাই।

৮১. উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ ৰায়ৰ পঠন কৰি দেখা যায় যে যদিও ১৯৯৩ চনৰ আইনখন প্ৰযোজ্য নহয়, বাদীৰ প্ৰাপ্যসমূহ ন্যায়ৰ খাতিৰত বিবেচনা কৰিব পাৰি, তাৰ অনুমানৰ ওপৰত আদালতে অগ্ৰসৰ হৈছিল। যিহেতু আদেশত পৰিলক্ষিত হোৱা আধাৰত কাৰণৰ বাবে

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

পুনৰ্বিচাৰ আৱেদন দাখিল কৰাৰ অনুমতি লোৱা হৈছিল, পুনৰ্বিচাৰ গ্ৰহণৰ অনুমতিৰ আধাৰত কাৰণত পুনৰ্বিচাৰ ৰায় প্ৰবিদ্ধ কৰিব পৰা যায়।

৮২. খণ্ড বিচাৰপীঠৰ ৰায়ে নুসূচায় যে আপীলকাৰীয়ে দৰ্শোৱা আধাৰত খণ্ড বিচাৰপীঠ অগ্ৰসৰ হৈছিল আৰু অত্ৰ আদালতে ০৬.০৮.২০০১ তাৰিখে পৰিলক্ষিত কৰিছিল। অত্ৰ আদালতৰ ‘আছাম স্মল স্কেল ইণ্ডাষ্ট্ৰীছ ডেভেল’পমেণ্ট ক’ৰ্প’ৰেশ্যন এণ্ড আদাৰ্ছ -বনাম- জি. ডি. ফাৰ্মাচিউটিকেল্ছ এণ্ড আদাৰ্ছ, ২০০৫(১৩) এছ.চি.চি. ১৯’ৰ পূৰ্বৰ এটা ৰায়ৰ ওপৰত ভিত্তি কৰি যদিও ১৯৯৩ চনৰ আইন প্ৰযোজ্য নহ’ব, ন্যায় আৰু সমতাৰ খাতিৰত সুদ মঞ্জুৰ কৰা হ’ল’’ৰ আধাৰত উক্ত ৯ শতাংশ মঞ্জুৰ কৰা হৈছিল। এতেকে আমি এই মতত উপনীত হৈছো যে পুনৰ্বিচাৰ ৰায়ক প্ৰত্যাহ্বান জনাই কৰা অত্ৰ আপীল বিবেচনাযোগ্য নহয়। যি কাৰণৰ বাবে পুনৰ্বিচাৰ আৱেদন দাখিল কৰাৰ বাবে অনুমতি লোৱা হৈছিল, সেই কাৰণতহে আপীলকাৰীয়ে পুনৰ্বিচাৰ ৰায়ক প্ৰত্যাহ্বান জনাব পাৰে। গতিকে আমি মতপোষণ কৰো যে দেৱানী আপীল নং ৮৪৪৫/২০১৬ চলিব নোৱাৰে।

<u>বিচাৰ বিষয় নং ৭:</u>

উচ্চ আদালতৰ পুনৰ্বিচাৰ দৰ্খাস্ত নং ৭৫/২০০১ (মেচাৰ্চ ট্ৰাছেছ টাৱাৰ্ছ প্ৰাইভেট লিমিটেড) বিবেচনা কৰাৰ সময়ত ১৯৯৩ চনৰ আইনখন প্ৰযোজ্য নহয় বুলি মন্তব্য কৰাৰ পিছতো ৯ শতাংশ হাৰত সুদ মঞ্জুৰ কৰিব পাৰেনে?

৮৩. ১৯.০৩.২০১৩ তাৰিখৰ ৰায়ত উচ্চ আদালতে বিলম্ব পৰিশোধৰ বাবে বছৰি ৯ শতাংশ হাৰত সুদ মঞ্জুৰ কৰিছিল। যদিও ১৯৯৩ চনৰ আইন প্ৰযোজ্য নহয়, সুদ প্ৰদানৰ ক্ষেত্ৰত নিজৰ ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰিব পাৰে। অত্ৰ আদালতে ‘‘আছাম স্মল স্কেল ইণ্ডাষ্ট্ৰীছ ডেভেল’পমেণ্ট ক’ৰ্প’ৰেশ্যন এণ্ড আদাৰ্ছ -বনাম- জি. ডি. ফাৰ্মাচিউটিকেল্ছ এণ্ড আদাৰ্ছ’ (একে উৎসৰ পৰা উদ্ধৃত)ৰ ৰায়ত ৪০ দফাত ১৯৯৩ চনৰ আইনখনৰ অধীনত সুদ আদায় পোৱাৰ বাবে কৰা এটি মোকৰ্দমাত উত্তৰবাদীৰ দাবী বিবেচনা কৰোতে ১৯৯৩ চনৰ আইনখন বলৱৎ হোৱাৰ পূৰ্বৰ লেন-দেনৰ সংক্ৰান্তত ৯ হাৰত সুদ মঞ্জুৰ কৰিছিল। দফা ৪০ তলত দাঙি ধৰা হ’ল।

> “৪০. আমি এই মতত উপনীত হৈছো যে আইনখন বলৱৎ হোৱা প্ৰাক্কালীন লেন-দেনৰ ক্ষেত্ৰত বছৰি ৯ শতাংশ সাধাৰণ সুদৰ হাৰত (যি উক্ত সময়ৰ বেংকৰ সুদৰ হাৰ হয়) মোকৰ্দমা তৰাৰ আগৰ সময়ছোৱাৰ আৰু মোকৰ্দমা বিচাৰাধীন হৈ

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

থকা সময়ছোৱাৰ বাবে দেৱানী কাৰ্য্যবিধি আইনৰ ধাৰা ৩৪ মতে পৰৱৰ্তী সুদ হিচাবে দিবলগীয়া হ'ব। অৱশ্যে আইন বলৱৎ হোৱাৰ পিছৰ লেন-দেনৰ ক্ষেত্ৰত মোকৰ্দমা তৰাৰ আগলৈকে আৰু মোকৰ্দমা বিচাৰাধীন হৈ থকাৰ পৰা সুদ আদায় পোৱালৈকে সময়ছোৱাৰ সুদ ১৯৯৩ চনৰ আইনমতে দিবলগীয়া হ'ব (বছৰি ২৩.৫ শতাংশ চক্ৰবৃদ্ধি হাৰত)। ৰায় আৰু ডিক্ৰী সেই পৰিসৰলৈকে পৰিৱৰ্তন কৰাৰ দৰকাৰ আৰু সেইমতে আদেশ দিয়া হ'ল।"

৮৪. বাদী উত্তৰবাদীক ৯ শতাংশ হাৰত সুদ দি উচ্চ আদালতে কোনো ক্ৰুটি কৰা নাই। বাদীয়ে দাখিল কৰা পুনৰ্বিচাৰ দৰ্খাস্ত আংশিকভাৱে মঞ্জুৰ কৰা ১৯.০৭.২০১৩ তাৰিখৰ ৰায়ত আমি কোনো ধৰণৰ ভুল পোৱা নাই।

<u>দেৱানী আপীল নং ৮৪৫০/২০১৬:</u>

৮৫. এতিয়া আমি দেৱানী আপীল নং ৮৪৫০/২০১৬ ধৰিলোঁ। আপীলকাৰীয়ে যোগান ধৰাৰ বাবে অনাদায় ১০,৩৪,০৬৫.২৩ টকা, জমা দিয়া আমানত ধন ২৩,৭৩৮.৪৯ টকা আৰু আদায় দিয়াত বিলম্বৰ কাৰণে সুদ ১০,১০,৩২৬.৭৪ টকা আদায় পোৱাৰ বাবে অৰ্থবিষয়ক মোকৰ্দমা নং ৩২১৯৯৬ দাখিল কৰিছিল। বিজ্ঞ দেৱানী ন্যায়াধীশ (জ্যেষ্ঠ বৰ্গ) ৩০.০৯.২০০২ তাৰিখৰ হুকুম আৰু ৰায়ৰ জৰিয়তে ১৯৯৩ চনৰ আইনখন বলৱৎ হোৱাৰ তাৰিখৰ পৰা ১৮.১২.১৯৯৩ তাৰিখলৈকে ৫,৪৬,২৩৩.১৪ টকা আৰু ডিক্ৰী দিয়া ধনৰাশিৰ ওপৰত বছৰি ৬ শতাংশ সাধাৰণ সুদৰ হাৰত সুদৰ বাবে ডিক্ৰী দিছিল। উত্তৰবাদীয়ে উচ্চ আদালতত আৰ.এফ.এ. ৭৮২০০৩ নং আপীল দাখিল কৰিছিল আৰু ১২.০২.২০১৫ তাৰিখে উচ্চ আদালতে উক্ত ধনৰাশি আৰু সুদৰ ডিক্ৰী খাৰিজ কৰিছিল, কিন্তু আমানত ধন ২৩,৭৩৮,৪৯ টকা ঘূৰাই পোৱা আৰু তাৰ ওপৰত ৯ শতাংশ হাৰত সুদ পোৱাৰ দাবী বাহাল ৰাখিছিল। অত্ৰ আদালতৰ 'পূৰ্বাঞ্চল কেব্ল এণ্ড কণ্ডাক্টৰ্ছ প্ৰাইভেট লিমিটেড (একে উৎসৰ পৰা উদ্ধৃত)ৰ ৰায়ক অনুসৰণ কৰি উচ্চ আদালতে মত পোষণ কৰিছিল যে ২৩.০৯.১৯৯২ তাৰিখৰ পূৰ্বে হোৱা লেন-দেনৰ ক্ষেত্ৰত ১৯৯৩ চনৰ আইনখন প্ৰযোজ্য নহ'ব। আপীলকাৰীয়ে উচ্চ আদালতৰ ১০.০২.২০১৫ তাৰিখৰ ৰায়ৰ বিৰুদ্ধে আপীল কৰিছে। নথিত থকা বিবৃতিত নুসূচায় যে ১৯৯৩ চনৰ আইনখন বলৱৎ হোৱাৰ আগত আপীলকাৰীয়ে কোনো ধৰণৰ যোগান ধৰিছিল। আমি ইতিপূৰ্বে মত পোষণ কৰিছো যে আইন বলৱৎ হোৱাৰ পিছত যোগান

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

ধৰাৰ ক্ষেত্ৰত 'যোগানৰ ফৰমাইচ আদেশ আইন বলৱৎ হোৱাৰ আগেয়ে দিয়া হৈছিল' অকল এই তথ্যই ১৯৯৩ চনৰ আইনখনৰ প্ৰযোজ্যতাক অস্বীকাৰ নকৰে ধাৰা ৩ আৰু ৪ মতে আপীলকাৰীয়ে সুদ দাবী কৰিব পৰাকৈ আইন বলৱৎ হোৱাৰ পিছত যোগান ধৰা হৈছিল বুলি সিদ্ধান্ত লোৱাৰ বাবে নথিত কোনো তথ্য নাই আৰু সেইবাবে অত্ৰ আপীলত আমি এই মতত উপনীত হৈছো যে উচ্চ আদালতৰ ৰায়ত হস্তক্ষেপ কৰাৰ প্ৰয়োজন নাই।

৮৬. অন্তৰ্বৰ্তীকালীন দৰ্খাস্তবোৰ বিবেচনা কৰা নহ'ল।

৮৭. ফলস্বৰূপে সকলোবোৰ আপীল খাৰিজ কৰা হ'ল।

(এ. কে. ছিক্ৰি)

(অশোক ভূষণ)

(এছ. আব্দুল নাজিৰ)

নতুন দিল্লী

জানুৱাৰী ২৩, ২০১৯


DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্যক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ সম্পাদনা আৰু কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।)